www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ব্যক্তিগত অভিজ্ঞতা অবিহনে মানুহে বহুতো প্ৰকৃত সত্যৰ সম্পূৰ্ণ অৰ্থ কেতিয়াও হৃদয়ংগম কৰিব নোৱাৰে। - জন ষ্টুৱাৰ্ট মিল

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৮৬ | বুধবাৰ | ২৬ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 286 | Wednesday | 26th August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

**চাহ বাগিচাত গৃহ নিৰ্মাণ আৰু কৃষি খণ্ডত ১৩৯ কোটি টকা অনুমোদন**

# অসমৰ বাবে ৫,০০০ কোটি টকাৰ গৃহ আঁচনি অনুমোদন

## কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সৈতে বৈঠক; ৩.৮ লাখ নতুন ঘৰ, বানপীড়িতৰ বাবে বিশেষ সহায়



নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ উন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ সৈতে অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকৰ পাছত অসমৰ বাবে কেইবাটাও ঐতিহাসিক সিদ্ধান্ত ঘোষণা কৰে। এই বৈঠকত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত অসমক প্ৰায় ৫,০০০ কোটি টকাৰ বিনিয়োগ অনুমোদন দিয়া হয়, যাৰ জৰিয়তে ৰাজ্যখনত ❑ ৬ পৃষ্ঠাত

## ৰাজ্যপাল ৰমেন ডেকাৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰি ছত্তীশগড় উচ্চন্যায়ালয়ত ক্ষমা ভিক্ষা দুই যুৱকৰ

### চৰ্ত সাপেক্ষে ৰেহাই পাবলৈ লিখিত ক্ষমা আৰু সংবাদ মাধ্যমত বিজ্ঞাপন প্ৰকাশৰ নিৰ্দেশ



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ ছত্তীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাৰ বিৰুদ্ধে সামাজিক মাধ্যম ফেচবুকত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা অসমৰ দুজন যুৱকে অৱশেষত ছত্তীশগড় উচ্চন্যায়ালয়ত চৰ্তবিহীনভাৱে লিখিত ক্ষমা বিচাৰি গোচৰৰ পৰা ৰেহাই পাইছে। প্ৰণৱ কলিতা আৰু লক্ষ্যধৰ ৰাজবংশী নামৰ এই দুজন যুৱকে ৰায়পুৰৰ এখন থানাত ৰুজু হোৱা গোচৰখন ❑ ৬ পৃষ্ঠাত

## দুটা বিভাগৰ কাম-কাজ পৰ্যালোচনা মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰৰ

### SI&E আৰু WMD বিভাগৰ পৃথক বৈঠক; বাকী থকা কাম দ্ৰুতগতিত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ ৰাজ্যৰ সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ (SI&E) আৰু সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ (WMD)ৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে আজি দুয়োটা বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে পৃথক পৃথক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। এই বৈঠকসমূহত বিভাগীয় কাম-কাজ, চলিত ❑ ৬ পৃষ্ঠাত

## আগন্তুক পাঁচ বছৰত ১০০ নতুন জাহাজ সংযোজিত কৰিব চৰকাৰে ঃ সৰ্বানন্দ সোণোৱাল

### ভাৰতৰ পতাকাবাহী জাহাজ চলোৱা ১৬% ব্যয়বহুল ঃ নীতি পুনৰীক্ষণৰ পৰামৰ্শ

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট: কেন্দ্ৰীয় জাহাজ পৰিবহণ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে মঙলবাৰে ঘোষণা কৰে যে চৰকাৰে অহা পাঁচ বছৰৰ ভিতৰত দেশৰ ব্যৱসায়িক জাহাজৰ বহৰত (মাৰ্চেণ্ট ফ্লিট) আৰু ১০০খন নতুন জাহাজ সংযোগ কৰাৰ লক্ষ্য লৈছে। এই পদক্ষেপৰ জৰিয়তে ভাৰতৰ মালবাহী ব্যয় (ফ্ৰেইট বিল) প্ৰতি বছৰে ৭৫ বিলিয়ন মাৰ্কিন ডলাৰলৈ হ্ৰাস কৰিব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। বৰ্তমান ভাৰতৰ সাগৰীয় বহৰত মুঠ ১৬০০খন জাহাজ পঞ্জীয়নভুক্ত আছে। 'সাগৰ সংবাদ' শীৰ্ষক এক অনুষ্ঠানৰ পিছত আয়োজিত সংবাদমেলত মন্ত্ৰী সোণোৱালে কয় যে ১৯৫৮ চনত গঠিত নেশ্যনেল শ্বিপিং ব'ৰ্ড (এনএছবি)-ক জাহাজ নীতি প্ৰণয়নৰ দায়িত্ব দিয়া হৈছে। এই ব'ৰ্ডে জাহাজ চলোৱা, জাহাজৰ মালিক আৰু ❑ ৬ পৃষ্ঠাত




## বানপীড়িতক ৪৮ ঘণ্টাত ২৫ হাজাৰ টকা নিদিলে মুখ্যমন্ত্ৰীৰ গৃহৰ সন্মুখত ধৰ্মঘটত বহিব অখিল গগৈ

### শিৱসাগৰত ৰাইজৰ দলৰ বিশাল জনসভা; চৰকাৰৰ বান সাহায্য ব্যৱস্থাক 'প্ৰৱঞ্চনা' আখ্যা

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ উজনি অসমৰ ভয়ংকৰ বানপানীৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়াল আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহক যথাযথ সাহায্য প্ৰদান নকৰিলে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে বৃহৎ আন্দোলন ❑ ৬ পৃষ্ঠাত



## লোকপিয়লত অ'বিচিৰ পৃথক বিকল্প নাই!

### প্ৰধানমন্ত্ৰীক পত্ৰ খাৰ্গে-ৰাহুলৰ ঃ ড্ৰপ-ডাউন তালিকা আৰু নতুন প্ৰশ্নাৱলীৰ দাবী



নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ পঠোৱা এখন পত্ৰত বৰ্তমান চলি থকা লোকপিয়ল (জাতিগত গণনা) প্ৰক্ৰিয়াত পিছপৰা শ্ৰেণী (OBC)ৰ বাবে পৃথক কোনো বিকল্প নথকাৰ বিষয়টো স্পষ্টভাৱে উত্থাপন কৰিছে। বিৰোধী নেতাদ্বয়ে এই পত্ৰযোগে ❑ ৬ পৃষ্ঠাত

## লোকসেৱা আয়োগৰ পৰীক্ষা বাতিলৰ দাবীত পাটনাত ছাত্ৰ আন্দোলনৰ জুই

**৮ দিন ধৰি 'শিক্ষা সত্যাগ্ৰহ ২.০'; মুখ্যমন্ত্ৰীৰ গৃহ ঘেৰাও**

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ বিহাৰৰ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত নিয়ন্ত্ৰণহীনতা আৰু স্বচ্ছতাৰ অভাৱৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীসকলৰ আন্দোলনে ভয়াবহ ৰূপ লৈছে। যোৱা ৮ দিন ধৰি 'শিক্ষা সত্যাগ্ৰহ ২.০' নামৰ এই আন্দোলন চলি আহিছে, য'ত বহু ছাত্ৰ-ছাত্ৰীয়ে অনশন কৰি আছে। মঙলবাৰে তেওঁলোকে বিহাৰ বিধানসভা ঘেৰাও কৰাৰ পৰিৱৰ্তে মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ বাসগৃহ ঘেৰাও কৰিবলৈ ❑ ৬ পৃষ্ঠাত



### ভুল চিকিৎসকৰ বাবে প্ৰাণ হেৰুৱালে জ্যোস্মিতা বৰাই; কাইলৈ ৰাজহুৱা শুনানি

**অস্ত্ৰোপচাৰৰ ২৫ দিন পিছত যুৱতীগৰাকীৰ কৰুণ মৃত্যু; দণ্ডাধীশ পযায়ৰ তদন্ত ঘোষণা**

নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃগোলাঘাটৰ জ্যোস্মিতা বৰা নামৰ এগৰাকী যুৱতীৰ মৃত্যুক লৈ তীব্ৰ বিতৰ্কৰ সূত্ৰপাত ঘটিছে। পৰিয়াল আৰু স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰে যে চিকিৎসকৰ ভুলৰ বাবেই তেওঁৰ মৃত্যু ঘটিছে। ঘটনাটোক লৈ সমগ্ৰ অঞ্চলটো উত্তপ্ত হৈ পৰে আৰু বিচাৰৰ দাবীত ক্ষোভৰ পৰিৱেশ সৃষ্টি হয়। ইফালে, এই ঘটনাৰ সত্যতা নিৰূপণৰ বাবে গোলাঘাটৰ কাৰ্যবাহী দণ্ডাধীশ (Executive ❑ ৬ পৃষ্ঠাত

**এইচ জি এম নাৰ্চিং হোম' চীল কৰি দিয়াৰ দাবী**

## গোলাঘাটত চিকিৎসকৰ ভুল চিকিৎসাৰ ফলত ১৮ বছৰীয়া যুৱতীৰ অকাল মৃত্যু

### উত্তাল প্ৰতিবাদ; অভিযুক্ত চিকিৎসক ভাস্কৰ হাজৰিকাক আটক



অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৫ আগষ্টঃ গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ কচুপথাৰৰ এগৰাকী ১৮ বছৰীয়া যুৱতী জ্যোস্মিতা বৰা ভুল চিকিৎসাৰ ❑ ৬ পৃষ্ঠাত

## মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অগ্ৰগতি পৰ্যালোচনা কৃষিমন্ত্ৰী পীযুষ হাজৰীকাৰ

### জাগীৰোডত প্ৰায় ১, ০০০ হিতাধিকাৰীৰ লগত মত-বিনিময়

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ ৰাজ্যৰ কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীযুষ হাজৰীকাই আজি জাগীৰোড সমষ্টিৰ প্ৰায় হাজাৰখনতো অধিক হিতাধিকাৰীৰ সৈতে এক বিস্তৃত মত-বিনিময় সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰম্ভ কৰা 'মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান' (CM-AAA)ৰ অধীনত প্ৰতিষ্ঠা কৰা বিভিন্ন উদ্যোগসমূহৰ অগ্ৰগতি বুজি ল'বলৈ আয়োজিত এই সভাত মন্ত্ৰীগৰাকীয়ে হিতাধিকাৰীসকলৰ লগত প্ৰত্যক্ষভাৱে আলোচনা কৰে আৰু তেওঁলোকৰ ❑ ৬ পৃষ্ঠাত



## ২৭ আগষ্টত এইমছ গুৱাহাটীত 'খেলো ইণ্ডিয়া আলোচনা'

### ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ অংশ হিচাপে 'খেল কি বাত, পিএম মোদী কে সাথ' কাৰ্যসূচী

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ দেশজুৰি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস ২০২৬ উদ্‌যাপনৰ অংশ হিচাপে আগন্তুক ২৭ আগষ্টত এইমছ গুৱাহাটীত 'খেল কি বাত, পিএম মোদী কে সাথ' শীৰ্ষক 'খেলো ইণ্ডিয়া আলোচনা' অনুষ্ঠিত হ'ব। ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত 'মেৰা যুৱ ভাৰত'-ৰ জৰিয়তে আয়োজিত এই কাৰ্যসূচীৰ মুখ্য উদ্দেশ্য ❑ ৬ পৃষ্ঠাত



## শোভাযাত্ৰাৰে শিমলুগুৰিলৈ মানসজ্যোতি চেতিয়াৰ নশ্বৰদেহ

### বীৰ লাচিত সেনাৰ আৰক্ষীৰ সৈতে সংঘৰ্ষ, ২৪ ঘণ্টাৰ ভিতৰত দোষীক কৰায়ত্ত কৰিবলৈ হুংকাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ যুৱক মানসজ্যোতি চেতিয়াৰ নশ্বৰদেহ আজি বিশাল শোভাযাত্ৰা কৰি শিমলুগুৰিলৈ অনা হয়। ঘটনাক লৈ নিশা সমগ্ৰ অঞ্চলটো উত্তপ্ত হৈ পৰে। হাজাৰ হাজাৰ লোক ❑ ৬ পৃষ্ঠাত

## গোৱালপাৰা-বিশ্বনাথত গৰু সৰবৰাহ বিৰোধী অভিযানত ৩৯জনক গ্ৰেপ্তাৰ; ১২৬টা গৰু উদ্ধাৰ

### আইনৰ হাতৰ পৰা কোনেও সাৰি যাব নোৱাৰে ঃ মুখ্যমন্ত্ৰীৰ হুংকাৰ



ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ ৰাজ্যত পশু সৰবৰাহৰ বিৰুদ্ধে অভিযান অব্যাহত থকাৰ মাজতে গোৱালপাৰা জিলাত তিনিজন সন্দেহযুক্ত সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে ২০টা গৰু উদ্ধাৰ কৰা হৈছে। এই কথা মঙলবাৰে সামাজিক মাধ্যমত এক পোষ্টযোগে নিশ্চিত কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। তাৰ এক দিন পূৰ্বে বিশ্বনাথ জিলাত চলোৱা বৃহৎ অভিযানত ৩৬জন সন্দেহযুক্তক গ্ৰেপ্তাৰ আৰু ১০৬টা পশু উদ্ধাৰ কৰা হৈছিল। মুঠ দুটা অভিযানত এতিয়ালৈকে ৩৯জন সৰবৰাহকাৰী গ্ৰেপ্তাৰ আৰু ১২৬টা গৰু উদ্ধাৰ কৰা সম্ভৱ হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই নিজা ফেচবুক পোষ্টত কয় যে গোৱালপাৰা আৰক্ষীয়ে দেশীয় নাৱেৰে অবৈধভাৱে গৰু সৰবৰাহ কৰি থকাৰ সময়তে অভিযান চলাই এই উদ্ধাৰ ❑ ৬ পৃষ্ঠাত

## কাজিৰঙাৰ ইক'-ছেনচিটিভ জ'নৰ পৰিসীমা সংকোচনক লৈ বিতৰ্ক; শ্বেতপত্ৰৰ দাবী আছুৰ

**পৰিৱেশবিদ আৰু ৰাইজৰ লগত আলোচনাৰ আহ্বান**

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ অসম চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ চাৰিওফালে থকা পৰিৱেশ সংবেদনশীল অঞ্চল (ইক'-ছেনচিটিভ জ'ন) ৰ পৰিসীমা বৰ্তমানৰ ১০ কিলোমিটাৰৰ পৰা ৰ কিলোমিটাৰলৈ সংকুচিত কৰাৰ প্ৰস্তাৱ ৰাজহুৱা কৰাৰ পাছতেই ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়া আৰম্ভ হৈছে। এই সিদ্ধান্তক লৈ একাংশই স্বাগতম জনোৱাৰ বিপৰীতে বিভিন্ন দল-সংগঠন, পৰিৱেশকৰ্মী আৰু স্থানীয় বাসিন্দাই গুৰুতৰ আশংকা প্ৰকাশ কৰিছে। ইয়াৰ মাজতে সদৌ অসম ছাত্ৰ সন্থা (আছু) ৰ সভাপতি উৎপল শৰ্মাই চৰকাৰক এই বিষয়ক এখন শ্বেতপত্ৰ প্ৰকাশ কৰাৰ লগতে ❑ ৫ পৃষ্ঠাত

## আইন হাতত তুলি লোৱা কাৰ্যক কোনো কাৰণতে সহ্য কৰা নহ'ব ঃ কনৰাড চাংমা

নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ বিগত ১৯ আগষ্টত মেঘালয়ৰ ৰাজধানী শ্বিলঙত সংঘটিত হিংসাত্মক ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত খাচী ছাত্ৰ সন্থা (কে এছ ইউ)ৰ চাৰিগৰাকী মুখ্য নেতাক গ্ৰেপ্তাৰ কৰিছে মেঘালয় আৰক্ষীয়ে। ইতিমধ্যে সন্থাৰ সভাপতি, উপ-সভাপতি আৰু সাধাৰণ সম্পাদকক আটক কৰাৰ পিছত দেওবাৰে নিশা সহকাৰী সাংগঠনিক ❑ ৬ পৃষ্ঠাত



**খাচী ছাত্ৰ সন্থাৰ সহকাৰী সাংগঠনিক সম্পাদকক গ্ৰেপ্তাৰ; যান-বাহন স্বাভাৱিক কৰিবলৈ বৈঠক আৰু আলোচনা**

## অসম ভাৰতৰ সভ্যতাৰ অবিচ্ছেদ্য অংশ, কেতিয়াও বিচ্ছিন্ন কৰিব নোৱাৰি ঃ ড ঃ হিমন্ত বিশ্ব শৰ্মা

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ আগষ্ট ঃ আজি নতুন দিল্লীত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয় 'Grit & GloryÊ. How India's Northeast Was Transformed One Heart at a Time' শীৰ্ষক গ্ৰন্থখন। এই গ্ৰন্থ উন্মোচন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুনৰ এবাৰ গভীৰভাৱে অনুভৱ কৰে যে অসমক ভাৰতৰ সভ্যতা, ইতিহাস আৰু সাংস্কৃতিক পৰিচয়ৰ পৰা কেতিয়াও পৃথক কৰিব নোৱাৰি। মুখ্যমন্ত্ৰী শৰ্মাই ভাষণ প্ৰসংগত কয় যে শতিকাজুৰি অসমে বহিঃশত্ৰুৰ আক্ৰমণৰ বিৰুদ্ধে অদম্য সাহসেৰে থিয় দি আহিছে। বখতিয়াৰ খিলজীৰ আক্ৰমণ প্ৰতিহত কৰাৰ পৰা আৰম্ভ কৰি মহাবীৰ লাচিত বৰফুকনৰ নেতৃত্বত শৰাইঘাটত মোগলক নিৰ্ণায়কভাৱে পৰাস্ত কৰালৈকে-এই ভূখণ্ডে ভাৰতৰ সভ্যতা, সংস্কৃতি আৰু স্বকীয় সত্তা ৰক্ষাৰ এক দীৰ্ঘ আৰু গৌৰৱময় ইতিহাস বহন কৰি ❑ ৫ পৃষ্ঠাত

## এছিয়ান জুনিয়ৰ দবা চেম্পিয়নশ্বিপত অসমৰ মায়াংক-প্ৰতীতিৰ উজ্জ্বল প্ৰদৰ্শন ঃ মুখ্যমন্ত্ৰীৰ অভিনন্দন

### ১১খন দেশৰ প্ৰতিভাবান খেলুৱৈৰ মাজত অসমৰ যুৱ দবা খেলুৱৈ

ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ এছিয়ান জুনিয়ৰ দবা চেম্পিয়নশ্বিপ ২০২৬-ত অসমৰ দুগৰাকী প্ৰতিভাবান খেলুৱৈ মায়াংক চক্ৰৱৰ্তী আৰু প্ৰতীতি বৰদলৈয়ে আগবঢ়োৱা অসাধাৰণ প্ৰদৰ্শনে ৰাজ্যখনক গৌৰৱান্বিত কৰিছে। এছিয়াৰ ১১খন দেশৰ অন্যতম শ্ৰেষ্ঠ দবা খেলুৱৈসকলে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাখনত অসমৰ প্ৰতিনিধি দুগৰাকীয়ে নিজৰ দক্ষতা আৰু কৌশলী খেলৰ জৰিয়তে ৰাজ্যৰ ক্ৰীড়া প্ৰতিভাৰ উৎকৰ্ষৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজা ফেচবুক পোষ্টযোগে মায়াংক আৰু প্ৰতীতিলৈ আন্তৰিক অভিনন্দন জনাই কয় যে দবাৰ দৰে বুদ্ধিমত্তা, ধৈৰ্য, একাগ্ৰতা আৰু কৌশলৰ খেলত অসমৰ যুৱ প্ৰজন্মই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ সামৰ্থ্যৰ প্ৰমাণ কৰিবলৈ সক্ষম হোৱাটো অত্যন্ত আশাব্যঞ্জক। তেওঁ লগতে কয় যে এই সফলতা অসমৰ দবা খেলৰ ক্ৰমবৰ্ধমান শক্তি আৰু সম্ভাৱনাৰ প্ৰতিফলন। মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে এছিয়াৰ ৰ্ৰখন দেশৰ প্ৰতিভাবান খেলুৱৈৰ মাজত অসমৰ দুগৰাকী খেলুৱৈয়ে এনে উজ্জ্বল প্ৰদৰ্শন দিয়াটো ৰাজ্যৰ ক্ৰীড়া জগতৰ বাবে এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। তেওঁ কামনা কৰে যে অসমৰ মাটিৰ ❑ ৬ পৃষ্ঠাত



নলবাৰীৰ তৰণীসকল যথেষ্ট অভিজ্ঞতাপুষ্ট ঃ সন্তোষ কুমাৰ নাথ

# নলবাৰী জিলা তৰণী সন্থাৰ ২৩ সংখ্যক দ্বি-বাৰ্ষিক সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, দৌলাশাল, ২৫ আগষ্ট ঃ** নলবাৰী জিলা তৰণী সন্থাৰ ২৩ সংখ্যক দ্বি-বাৰ্ষিক সাধাৰণ সভা আজি দিনযোৰা কাৰ্যসূচীৰে সম্পন্ন হৈ যায়। নলবাৰীৰ মুকালমুৱাস্থিত বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ তৰণী সন্থাৰ কাৰ্যালয়ত বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হয় দ্বি-বাৰ্ষিক সাধাৰণ সভা। নলবাৰীৰ ৮টা ৰাজহ চক্ৰৰে গঠিত নলবাৰী জিলা তৰণী সন্থাৰ অন্তৰ্ভুক্ত মুকালমুৱা শাখাৰ আতিথ্যত অনুষ্ঠিত ২৩ সংখ্যক বাৰ্ষিক সাধাৰণ সভাৰ পুৰা পতাকা উত্তোলন কৰে নলবাৰী জিলা তৰণী সন্থাৰ সভাপতি প্ৰভাত বৰ্মনে। কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰে বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ তৰণী সন্থাৰ প্ৰাক্তন সম্পাদক অশ্চিনী ডেকাই। ইয়াৰ পাছতেই জিলা সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত হয় সাধাৰণ সভা। দ্বি-বাৰ্ষিক সাধাৰণ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নলবাৰী জিলা তৰণী সন্থাৰ সম্পাদক হিচাপে প্ৰদীপ মহন্তই। ৰূপা আলী, ৰফিকুল ইছলাম, জুলহাছ আলীৰ সামগ্ৰীক পৰিচালনাত অনুষ্ঠিত সাধাৰণ সভাৰ আৰম্ভণিতেই তৰণী সন্থাৰ সৈতে জড়িত থাকি ইহলীলা সম্বৰণ কৰা তৰণীসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা জনায় সভাই শোক প্ৰস্তাৱ গ্ৰহণ কৰে। এই সভাতেই বিগত বৰ্ষৰ সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ কৰাৰ লগতে হিচাপ পৰীক্ষাৰ প্ৰতিবেদন পাঠ কৰে সৰ্বেশ্বৰ বৰ্মনে। সভাত বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া সন্তোষ কুমাৰ নাথে উপস্থিত থাকি ভাষণ প্ৰসংগত কয় যে - ভূমি সম্পৰ্কীয় কাম কাজ সন্দৰ্ভত নলবাৰীৰ তৰণী সকল যথেষ্ট অভিজ্ঞতাপুষ্ট। নলবাৰীৰ তৰণীসকলে সাৱধানতাৰে নিয়াৰিকৈ কাম-কাজ সমূহ সম্পন্ন কৰি আহিছে বুলি মন্তব্য কৰে চক্ৰ বিষয়াগৰাকীয়ে। সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰি উজনি অসমৰ বান বিধবস্ত ৰাইজক নলবাৰী জিলা তৰণী সন্থাই পাৰ্য্যমানে সহায় কৰাৰ কথা সদৰী কৰে প্ৰদীপ মহন্তই। এই সভাতেই সন্থাৰ সাংগঠনিক দিশ সম্পৰ্কত আলোকপাত কৰাত জিলাখনৰ কেইবাজনো তৰণীয়ে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সম্প্ৰতি ভূমি সম্পৰ্কীয় কাম কাজত অনলাইন ব্যৱস্থাই তৰণীসকলৰ জীৱন জীৱিকাত ব্যাপক প্ৰভাৱ পেলোৱা বুলিও উল্লেখ কৰে একাংশ তৰণীয়ে। সভাৰ সভাপতি প্ৰভাত বৰ্মনে ভাষণ প্ৰসংগত বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া তথা ৰাজপত্ৰিত বিষয়া সন্তোষ কুমাৰ নাথৰ কাম কাজক ভূয়সী প্ৰশংসা কৰে। এই সভাতেই বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ তৰণী সন্থাৰ জ্যেষ্ঠ তৰণী অশ্চিনী ডেকাৰ পুত্ৰ তথা কৃতিমান ছাত্ৰ ত্ৰিদীপ ডেকাক সম্বৰ্ধনা জনোৱা হয়। সভাত নলবাৰী জিলা তৰণী সন্থাৰ সভাপতি প্ৰভাত বৰ্মনে সমিতিৰ সভাপতি পদৰ পৰা পদত্যাগ কৰাৰ পাছতেই পূৰ্বৰ সমিতিখন ভংগ কৰা হয়। নলবাৰী জিলাৰ জ্যেষ্ঠ তৰণী আজান আলী ফকিৰৰ সভাপতিত্বত দ্বি-বাৰ্ষিক সাধাৰণ সভাৰ পৰৱৰ্তী কাৰ্যসূচী অনুষ্ঠিত হয়। সভাত আগন্তুক দুটা বৰ্ষৰ কাৰ্যকালৰ বাবে ৩৩ জনীয়া নতুন জিলা সমিতি এখন গঠন কৰা হয়। তৰণী সন্থাৰ নলবাৰী জিলা সমিতিৰ আগন্তুক কাৰ্যকালৰ বাবে নাৰায়ণ পাটোৱাৰীক মুখ্য উপদেষ্টা, ইমৰাণ হুছেইন, আজান আলী ফকিৰ আৰু চণ্ডীচৰণ তালুকদাৰক উপদেষ্টা, পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ তৰণী কৈলাস ডেকাক সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়। বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ তৰণী জামাত উদ্দিন আহমেদক কাৰ্যকৰী সভাপতি, জুলহাছ আলী, জালালউদ্দিন আহমেদ আৰু ৰমজান আলীক উপ সভাপতি, প্ৰদীপ মহন্তক সাধাৰণ সম্পাদক, ৰূপা আলী আৰু আতিকুৰ হুছেইনক সহকাৰী সাধাৰণ সম্পাদক, চাদেক আলী, ফটিক বৰ্মন, অশ্চিনী ডেকা, বিৰেণ কলিতা আৰু আবুল হুছেইনক সাংগঠনিক সম্পাদক, আফটাৰ হুছেইন আৰু ৰফিউল হকক তথ্য আৰু প্ৰচাৰ সম্পাদক, সৰ্বেশ্বৰ বৰ্মন, আনোৱাৰ হুছেইন আৰু মহিধৰ ৰাজবংশীক হিচাপ পৰীক্ষক, অমল বৰ্মন, জাকিৰ হুছেইন, মিণ্টু কলিতা, তাহেৰ আহমেদ, বিপুল হালৈ, জীৱন দাস, ধনেশ্বৰ বেজবৰুৱা, ৰুকুনউদ্দিন আহমেদ, তাহেৰউদ্দিন আহমেদ আৰু চাহেদুৰ ৰহমানক সদস্য হিচাপে লৈ ৩৩ জনীয়া সমিতিখন গঠন কৰা হয়। ২৩ সংখ্যক দ্বি-বাৰ্ষিক সাধাৰণ সভাত পশ্চিম নলবাৰী, ঘগ্ৰাপাৰ, টিহু, বানেকুছি, বৰভাগ, বৰক্ষেত্ৰী ৰাজহ চক্ৰকে ধৰি নলবাৰী জিলাৰ প্ৰতিটো ৰাজহ চক্ৰৰ তৰণী সন্থাৰ সভাপতি, সম্পাদককে প্ৰমুখ্য কৰি নলবাৰী জিলা তৰণী সন্থাৰ কাৰ্মীসকল উপস্থিত থাকে।

# প্ৰফেছৰ ডাঃ সুভাষ খান্নাই সফলতাৰে পৰিচালনা কৰে শ্ৰীলংকাৰ প্ৰথম জীৱন্ত ৰবটিক অস্ত্ৰোপচাৰ কৰ্মশালা



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** গুৱাহাটীৰ স্বাগত চুপাৰ স্পেচিয়েলিটি চাৰ্জিকেল ইনষ্টিটিউটৰ মিনিমাল এছে', জিআই আৰু ৰবটিক চাৰ্জাৰীৰ মুৰব্বী অধ্যাপক সুভাষ খান্নাক কেইদিনমান আগতে শ্ৰীলংকাৰ কিংছ হস্পিটেলত অনুষ্ঠিত হোৱা প্ৰথম লাইভ ৰবটিক চাৰ্জাৰী কৰ্মশালাৰ বাবে আন্তৰ্জাতিক অনুষদ হিচাপে আমন্ত্ৰণ জনোৱা হৈছিল। অনুষ্ঠানটোত, অধ্যাপক খান্নাই ৰবটিক অস্ত্ৰোপচাৰৰ জৰিয়তে কেইবাটাও দৰ্শনীয় অস্ত্ৰোপচাৰ বৈঠক অনুষ্ঠিত কৰিছে আৰু গুৰুত্বপূৰ্ণ শৈক্ষিক অৱদান আগবঢ়াইছে। প্ৰফেছৰ খান্নাক জীৱন্ত অস্ত্ৰোপচাৰ কৰাৰ আগতে শ্ৰীলংকা মেডিকেল কাউন্সিলত আনুষ্ঠানিকভাৱে পঞ্জীয়ন কৰা হৈছিল, যি এজন আন্তৰ্জাতিক শল্য চিকিৎসক হিচাপে দেশখনত অস্ত্ৰোপচাৰৰ সকলো নিয়ামক প্ৰয়োজনীয়তা পূৰণ কৰিছে। কিংছ হস্পিটেলৰ নেতৃত্বত, এই অনুষ্ঠানটোৰ লক্ষ্য আছিল চিকিৎসালয়ৰ ৰবটিক চাৰ্জাৰী কাৰ্যসূচীৰ শুভাৰম্ভণিৰ অধীনত ভাৰতত নিৰ্মিত এছএছআই মন্ত্ৰা চাৰ্জিকেল ৰবটিক প্ৰণালী মুকলি কৰাৰ সৈতে প্ৰযুক্তি আৰু প্ৰশিক্ষণ দুয়োটাকে উন্নীত কৰা। শ্ৰীলংকাৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ৬৫জন শল্য চিকিৎসক আৰু অস্ত্ৰোপচাৰ প্ৰশিক্ষাৰ্থীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰে। লাইভ অপাৰেটিভ কাৰ্যসূচীত নিম্নলিখিত মুখ্য প্ৰক্ৰিয়াবোৰ সম্পাদন কৰা হৈছিল: ৰবটিক দ্বিপক্ষীয় টিএপিপি গ্ৰোইন হাৰ্নিয়া মেৰামতি, প্ৰথম মুক্ত অস্ত্ৰোপচাৰৰ পিছত বাৰম্বাৰ হোৱা ইনগুইনেল হাৰ্নিয়াৰ বাবে ৰবটিক টিএপিপি মেৰামতি, ৰবট-সহায়ক ক'লেচিষ্টেকটমী (পিত্তথলী আঁতৰোৱা) - শ্ৰীলংকাত এনে প্ৰথম ঘোষণা কৰা অস্ত্ৰোপচাৰ। আন্তৰ্জাতিক অনুষদত ইউনাইটেড কিংডমৰ অধ্যাপক চেলিয়া চেলভাচেকাৰ, অধ্যাপক জিম খান আৰু এন ভেংকটজয়ন্তীও অন্তৰ্ভুক্ত আছিল। তেওঁলোকৰ সৈতে, বহুতো প্ৰখ্যাত শ্ৰীলংকাৰ শল্য চিকিৎসক শৈক্ষিক আৰু জীৱন্ত অস্ত্ৰোপচাৰ বৈঠকত সক্ৰিয় আছিল। এক বিশাল আনুষ্ঠানিক অনুষ্ঠানত কিংছ হস্পিটেলৰ বাবে ভাৰতত নিৰ্মিত এছএছআই মন্ত্ৰা চাৰ্জিকেল ৰবটিক চিষ্টেমৰ আনুষ্ঠানিক হস্তান্তৰৰ সৈতে কৰ্মশালাৰ সামৰণি পৰে। এছএছ ইনোভেচনৰ প্ৰতিষ্ঠাপক, অধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী বিষয়া ডাঃ সুধীৰ শ্ৰীবাস্তৱে মুখ্য ভাষণ প্ৰদান কৰে আৰু সঁজুলিবোৰ কিংছ হস্পিটেলক হস্তান্তৰ কৰে। অনুষ্ঠানটোত জ্যেষ্ঠ চৰকাৰী বিষয়া, জ্যেষ্ঠ শল্য চিকিৎসক, চিকিৎসালয়ৰ মুৰব্বী আৰু বিশিষ্ট চিকিৎসক উপস্থিত আছিল, যাৰ ভিতৰত আছে ডাঃ পালিতা আবেকুন (অধ্যক্ষ, কিংছ হস্পিটেল), অধ্যাপক মোহন ডি চিলভা এমেৰিটাছ আৰু অধ্যাপক কে এল ফাৰ্নাণ্ডো (শ্ৰীলংকাৰ প্ৰথম লেপাৰোস্কোপিক ক'লেচিষ্টেকটমীৰ বাবে জনাজাত)। অধ্যাপক খান্নাই কয় যে এই ঐতিহাসিক অনুষ্ঠানৰ অংশ হ'বলৈ পোৱাটো এক সন্মানৰ বিষয় আৰু ৰবটিক অস্ত্ৰোপচাৰৰ ক্ষেত্ৰত শ্ৰীলংকাৰ সৈতে সহযোগিতা অব্যাহত ৰখাৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ কয় যে এছ'চিয়েশ্যন অৱ ৰবটিক এণ্ড ইনোভেটিভ চাৰ্জনছ, ভাৰতে ৰবটিক অস্ত্ৰোপচাৰৰ সুৰক্ষিত আৰু সংগঠিত বিকাশ নিশ্চিত কৰিবলৈ শ্ৰীলংকাৰ শল্য চিকিৎসকসকলৰ প্ৰশিক্ষণ আৰু শৈক্ষিক কাৰ্যসূচীত সহায় কৰিব। এই অনুষ্ঠানত গুৱাহাটীৰ স্বাগত ছুপাৰ স্পেচিয়েলিটি চাৰ্জিকেল ইনষ্টিটিউটৰ আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক অংশীদাৰীত্ব আৰু ৰবটিক চাৰ্জাৰীৰ ক্ষেত্ৰত ইয়াৰ অৱদান প্ৰদৰ্শন কৰা হয়।

# বাৰপূজীয়াৰ সফল, আদৰ্শবান কৃষক ধনচিং ডেকাৰ পৰলোক

**অসম বাৰ্তা, বেবেজীয়া, ২৫ আগষ্ট ঃ** ইতিহাস প্ৰসিদ্ধ মিকিৰ ৰাজ্যৰ চেতুৱা ৰজাৰ বংশধৰ বাৰপূজীয়া নিজ-মিকিৰ গাঁৱৰ অন্যতম আদৰ্শবান সফল কৃষক ধনচিং ডেকা(৬৬) যোৱা নিশা সন্ধিয়া চিকিৎসাধীন অৱস্থাত গুৱাহাটী মেডিকেল কলেজ হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। কিছুদিনৰ আগৰ পৰা বৃক্কৰ ৰোগত আক্ৰান্ত হৈ থকা প্ৰয়াত ডেকাক গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা কৰাইছিল যদিও যোৱা ২১আগষ্টত গুৱাহাটী মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰোৱা হয়। আৰু তাতেই সন্ধিয়া ৬-১০ বজাত মৃত্যুক আকোঁৱালি লয়। ধনচিং ডেকা সমগ্ৰ অঞ্চলটোতে এজন সফল কৃষক ৰূপে পৰিচিত আছিল। নাঙল-যুঁৱলিৰ দিনৰ পৰা বৰ্তমান বিজ্ঞানসন্মত আধুনিক কৃষি পদ্ধতিলৈকে বতৰৰ ভিন্ন কৃষি কৰ্মত নিয়োজিত হৈ নিজকে আৰ্থিক ভাৱে টনকিয়াল কৰাৰ লগতে গ্ৰাম্য অঞ্চলৰ কৃষক সকলকো আদৰ্শৰে অনুপ্ৰাণিত কৰিছিল। মহ পালক হিচাপেও এসময়ত তেখেতৰ মহৰ খুটিৰ উৎপাদিত গাখীৰ বৃহত্তৰ অঞ্চলটোৰ উৎসৱ, সবাহৰ ভৰসাৰ কেন্দ্ৰ আছিল। মাঘ বিহুৰ বতৰত, মহযুঁজ ক্ষেত্ৰখনত ধনচিং ডেকাৰ গোনা মহ সৰ্বজনবিদিত আছিল। মুঠতে আঞ্চলবাসীয়ে এজন আদৰ্শবান কৃষকক হেৰুৱায় গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত পত্নী, দুই পুত্ৰ সন্তান, তিনি গৰাকী কন্যা সন্তান, আত্মীয় আৰু বহুতো গুণমুগ্ধক এৰি যায়।

যুৱক-যুৱতীৰ এনে কাৰ্যকলাপক লৈ সচেতন ৰাইজৰ উদ্বেগ

# দেৰগাঁৱত মুকলিকৈ মদ্যপান

**অসম বাৰ্তা, দেৰগাঁও, ২৫ আগষ্ট ঃ** ঐতিহ্যমণ্ডিত দেৰগাঁও চহৰত কিছুদিন ধৰি ৰাজহুৱা স্থানত একাংশ যুৱক-যুৱতীয়ে মদ্যপান কৰি বটল লৈ বহি থকাৰ অভিযোগ উত্থাপন হৈছে। দেৰগাঁও পৌৰসভা এলেকাৰ কেইবাটাও স্থানত এনে দৃশ্য প্ৰত্যক্ষ কৰি সচেতন ৰাইজে উদ্বেগ প্ৰকাশ কৰিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখভাগ, ডিকেডি কলেজৰ সন্মুখভাগ, ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ, শিশু ভাৰতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ লগতে দেৰগাঁও নিউ ফিল্ড আদি অঞ্চলত নিশা একাংশ যুৱক-যুৱতীয়ে মদ্যপান কৰাৰ লগতে বটল আদি পেলাই থোৱাৰ ফলত পৰিৱেশ বিনষ্ট হোৱাৰ লগতে নেতিবাচক পৰিৱেশৰ সৃষ্টি হৈছে। উল্লেখ্য যে দেৰগাঁও বহু ঐতিহাসিক আৰু সাংস্কৃতিক সম্পদেৰে সমৃদ্ধ এখন ঐতিহ্যমণ্ডিত চহৰ, দেৰগাঁৱৰ বিভিন্ন ঐতিহাসিক স্থান, শিক্ষানুষ্ঠান আৰু সাংস্কৃতিক পৰিৱেশৰ মাজত ৰাজহুৱা স্থানত এনে কাৰ্যকলাপে চহৰখনৰ সামাজিক পৰিৱেশত বিৰূপ প্ৰভাৱ পেলোৱাৰ আশংকা প্ৰকাশ কৰিছে সচেতন মহলে। এই সন্দৰ্ভত এতিয়ালৈকে প্ৰশাসন বা সংশ্লিষ্ট বিভাগে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰাতো প্ৰশ্ন উত্থাপন কৰিছে ৰাইজে। দেৰগাঁৱৰ সচেতন ৰাইজে অতি শীঘ্ৰে এনে কাৰ্যকলাপ বন্ধ কৰাৰ লগতে ৰাজহুৱা স্থান সমূহত আৰক্ষীৰ তদাৰকি বৃদ্ধি কৰিবলৈ প্ৰশাসন আৰু বিভিন্ন দল-সংগঠনক আহ্বান জনাইছে। ইফালে, দেৰগাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বসন্ত বৰগোহাঁইৰ ওচৰতো এই বিষয়ত অভিযোগ দাখিল কৰাৰ বাবে একাংশ সচেতন নাগৰিকে প্ৰস্তুতি চলোৱা বুলি জানিব পৰা গৈছে। ৰাইজে দেৰগাঁও চহৰৰ শান্তি-শৃংখলা আৰু সুস্থ সামাজিক পৰিৱেশ অটুট ৰখাৰ বাবে শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# ৰাষ্ট্ৰীয় শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতাত দ্বিতীয় স্থানেৰে জিলিকিল সংযুক্তা শ্যাম তুংখাং



**অসম বাৰ্তা, সৰুপথাৰ, ২৫ আগষ্ট ঃ** পুনৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত উজলি উঠিল সৰুপথাৰ সমজিলাৰ ৰজাপুখুৰী শ্যাম গাঁৱৰ কন্যা সংযুক্তা শ্যাম তুংখাং। মণিকাঞ্চন কলা নিকেতনৰ উদ্যোগত ২২আগষ্ট তাৰিখে গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিত সংগীত নাটক অকাডেমী বঁটা প্ৰাপক প্ৰয়াত প্ৰদীপ চলিহাৰ সোঁৱৰণত আয়োজিত দশম বাৰ্ষিক শংকৰদেৱ ৰাষ্ট্ৰীয় নৃত্য-গীত সমাৰোহৰ ৰাষ্ট্ৰীয় একক শাস্ত্ৰীয় নৃত্য প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰি সৰুপথাৰলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে কণমানি সংযুক্তাই। গোলাঘাটৰ গুৰুকুল গ্ল'বেল একাডেমিৰ পঞ্চম শ্ৰেণীত অধ্যয়নৰত সংযুক্তাই ইতিমধ্যে কেইবাখনো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ নৃত্য আৰু মডেলিং প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰিছে। তেওঁৰ এনে সফলতাই ৰজাপুখুৰী শ্যাম গাঁৱৰ লগতে সমগ্ৰ সৰুপথাৰ সমজিলা আৰু গোলাঘাট জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। সংযুক্তাৰ এই সফলতাৰ আঁৰত আছে পিতৃ ডং নিপন শ্যাম আৰু মাতৃ পাপৰী বুঢ়াগোহাঁই শ্যামৰ অকুণ্ঠ সহযোগিতা আৰু উৎসাহ। কন্যাৰ প্ৰতিভা আৰু নৃত্যৰ প্ৰতি থকা হেঁপাহক সন্মান জনাই পিতৃ-মাতৃয়ে সৰুৰে পৰা তাইক নিজৰ পছন্দৰ ক্ষেত্ৰখনত আগুৱাই যোৱাত সকলো ধৰণে সহায় কৰি আহিছে। ইফালে, মৰমৰ সংযুক্তাক পিতৃ-মাতৃ তথা আত্মীয়-কুটুম্ব আৰু পৰিচিতসকলে মৰমতে 'সোণপাহী' বুলি সম্বোধন কৰে। কণমানি সংযুক্তাৰ এই সাফল্যত পৰিয়ালৰ লগতে অঞ্চলবাসীয়েও আনন্দ প্ৰকাশ কৰি ভৱিষ্যতে তেওঁ আৰু অধিক সফলতা অৰ্জন কৰিব বুলি আশা প্ৰকাশ কৰিছে। আনহাতে সংযুক্তাৰ এই সাফল্যত মণিকাঞ্চন কলা নিকতনে বিশেষভাৱে অভিনন্দন জ্ঞাপন কৰিছে।

# কামপুৰৰ প্ৰকৃতিপ্ৰেমী দম্পতীক শ্ৰোতা সংঘৰ ৰেডিঅ' উপহাৰ



**অসম বাৰ্তা, বেবেজীয়া, ২৫ আগষ্ট ঃ** কামপুৰৰ নিৰ্বাসী, বিশিষ্ট প্ৰকৃতিপ্ৰেমী তথা পৰিবেশকৰ্মী দম্পতী ধৰণী শইকীয়া আৰু অঞ্জলি শইকীয়াক মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ তৰফৰ পৰা এটি অনাঁতাৰ ছেট ২১ আগষ্ট তাৰিখে প্ৰদান কৰা হয়। মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ বিশিষ্ট ব্যক্তিৰ সোঁৱৰণত ৰেডিঅ' বিতৰণ কাৰ্যসূচীৰ অংশ হিচাপে প্ৰকৃতিপ্ৰেমীদ্বয়ৰ গৃহত গৈ অনাঁতাৰ ছেটটি প্ৰদান কৰে। শ্ৰোতা সংঘৰ মুখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথ, সঞ্চালক ৰাহুল দেৱ বৰদলৈ আৰু উপদেষ্টা মিলেশ্বৰ ডেকাই শ্ৰোতা সংঘৰ হৈ অনাঁতাৰ ছেটটো প্ৰদান কৰে। উক্ত ৰেডিঅ'টি শ্ৰোতা সংঘলৈ প্ৰয়াত সমাজকৰ্মী প্ৰেমানন্দ গোস্বামী আৰু তিলোত্তমা গোস্বামীৰ সোঁৱৰণত তেখেতসকলৰ পুত্ৰ চিদানন্দ দেৱ গোস্বামীয়ে আগবঢ়াই। ৰেডিঅ'টি উপহাৰ হিচাপে গ্ৰহণ কৰি প্ৰকৃতিপ্ৰেমী শইকীয়াই অত্যন্ত আনন্দ প্ৰকাশকৰি কয়- "আজি মই যেন পুনৰ শৈশৱ ঘূৰাই পাইছো। ৰেডিঅ'ই আমাক সকলোধৰণৰ জ্ঞান দিব পাৰে। গতিকে সকলোৰে ৰেডিঅ' শুণা উচিত।" তেওঁ আৰু কয় যে- "বৰ্তমান সময়ত পৰিবেশ সুৰক্ষাই হৈছে পৃথিৱীৰ মূল ইচ্ছু হোৱা উচিত। সকলোৰেই পৰিবেশ সুৰক্ষাৰ হৈ কাম কতিব লাগিব, তেতিয়াহে জীৱকুল বাচিব।" অনুষ্ঠানৰ আঁতধৰি শ্ৰোতা সংঘৰ সঞ্চালক ৰাহুল দেৱ বৰদলৈয়ে কয় যে - মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ ৰেডিঅ' বিতৰণ কাৰ্যসূচী গতিশীল সময়ৰ এক যোগাত্মক কাৰ্যসূচীলৈ গতি কৰিছে।

# অভয়াপুৰীত লোকপিয়লৰ গণনাকাৰীক চোকা অস্ত্ৰৰে আক্ৰমণৰ চেষ্টা

**অসম বাৰ্তা, অভয়াপুৰী, ২৫ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত চৌটাকীত লোকপিয়লৰ কামত নিয়োজিত এগৰাকী গণনাকাৰীক চোকা অস্ত্ৰৰে আক্ৰমণৰ চেষ্টা চলোৱাৰ অভিযোগক কেন্দ্ৰ কৰি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাটোৱে লোকপিয়লৰ কামত নিয়োজিত গণনাকাৰীসকলৰ মাজতো আতংকৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, লোকপিয়লৰ গণনাকাৰী ভাস্কৰ চন্দ্ৰ দাসে শুকুৰবাৰে বিয়লি প্ৰায় ৪ বজাত লোকপিয়লৰ কামত চৌটাকী মছজিদৰ সমীপৰ্তী এটা ঘৰত উপস্থিত হয়। অভিযোগ অনুসৰি, সেই সময়তে বাপন দাস ওৰফে বিপন্ন দাসে গণনাকাৰীজনৰ সৈতে বাক-বিতণ্ডাত লিপ্ত হয়। গণনাকাৰীজনৰ অভিযোগ অনুসৰি, অভিযুক্ত যুৱকজনে 'মোক চৰকাৰে কি দিছে' আৰু 'তোমালোক চৰকাৰৰ মানুহ, তোমালোকে কি কৰিছা' আদি কথা কৈ উত্তেজিত হৈ পৰে। ইয়াৰ পিছতে চোকা অস্ত্ৰ লৈ তেওঁ গণনাকাৰী ভাস্কৰ চন্দ্ৰ দাসক আক্ৰমণ কৰিবলৈ উদ্যত হোৱা বুলি অভিযোগ উঠিছে। আক্ৰমণৰ লগতে প্ৰাণনাশৰ ভাবুকিও দিয়াৰ অভিযোগ উত্থাপিত হৈছে। পৰিস্থিতি ভয়াৱহ হৈ পৰাত গণনাকাৰী ভাস্কৰ চন্দ্ৰ দাসে নিজৰ নিৰাপত্তাৰ বাবে ওচৰৰ আন এখন ঘৰত আশ্ৰয় লয়। পিছত তেওঁ এটা কোঠাত সোমাই কোনোমতে আত্মৰক্ষা কৰে বুলি জানিব পৰা গৈছে। ইফালে, অভিযুক্ত যুৱকজনে চিএৰি-চিএৰি গালি-গালাজ কৰি পৰিস্থিতি অধিক উত্তপ্ত কৰি তোলাৰ অভিযোগ উত্থাপিত হৈছে। ঘটনাৰ খবৰ লাভ কৰাৰ পিছতে সৃজনগ্ৰাম ৰাজহ চক্ৰ বিষয়াৰ তৎপৰতাত উত্তৰ শালমাৰা আৰক্ষী ঘটনাস্থলীত উপস্থিত হয় আৰু আতংকিত হৈ পৰা গণনাকাৰী ভাস্কৰ চন্দ্ৰ দাসক উদ্ধাৰ কৰে। ইতিমধ্যে এই ঘটনাক লৈ গণনাকাৰী ভাস্কৰ চন্দ্ৰ দাসে অভয়াপুৰী থানাত এজাহাৰ দাখিল কৰিছে। লোকপিয়লৰ দৰে গুৰুত্বপূৰ্ণ চৰকাৰী কামত নিয়োজিত কৰ্মচাৰীৰ ওপৰত এনেধৰণৰ আক্ৰমণৰ চেষ্টা সংঘটিত হোৱাক লৈ বিভিন্ন মহলত উদ্বেগ প্ৰকাশ পাইছে। গণনাকাৰীসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে ঘটনাটোৰ নিৰপেক্ষ তদন্ত কৰি দোষীৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপিত হৈছে।

ড্ৰাগছৰ বিৰুদ্ধে কলগাছিয়া আৰক্ষীৰ অভিযান অব্যাহত

# কলগাছিয়াত হেৰ'ইনসহ এজন আটক

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৫ আগষ্ট ঃ** ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি কলগাছিয়া আৰক্ষীয়ে এক সফল অভিযান চলাই এজন সন্দেহযুক্ত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হৈছে। বিশ্বাসযোগ্য তথ্যৰ ভিত্তিত কলগাছিয়া আৰক্ষী থানাৰ এটা দলে খিল্লী অঞ্চলত অভিযান চলাই ফুলচান আলী নামৰ এজন লোকক আটক কৰে। আৰক্ষীৰ অভিযানকালত তেওঁৰ দখলৰ পৰা ১৪.৪১ গ্ৰাম সন্দেহযুক্ত হেৰ'ইন আৰু নগদ ৮৫০ টকা জব্দ কৰা হয়। আৰক্ষী সূত্ৰে জানিব পৰা মতে, জব্দ কৰা সামগ্ৰীখিনি হেৰ'ইন বুলি সন্দেহ কৰা হৈছে। অৱশ্যে পৰৱৰ্তী পৰীক্ষা-নিৰীক্ষাৰ পাছতহে জব্দকৃত সামগ্ৰীৰ প্ৰকৃত পৰিচয় নিশ্চিত হ'ব। ইতিমধ্যে আটকাধীন লোকজনক সোধা-পোছা কৰাৰ লগতে ঘটনাটোৰ সৈতে জড়িত আন কোনো ব্যক্তি বা ড্ৰাগছ সৰবৰাহৰ বৃহৎ চক্ৰৰ সম্পৰ্ক আছে নেকি, সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ড্ৰাগছৰ বিৰুদ্ধে কলগাছিয়া আৰক্ষীৰ এনে ধাৰাবাহিক অভিযানক লৈ অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# সাহিত্যিক জ্যোতিপ্ৰসাদ শইকীয়ালৈ ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, শিৱসাগৰ, ২৫ আগষ্ট ঃ** বৰ অসমৰ প্ৰথমগৰাকী ডক্টৰেট তথা প্ৰথমগৰাকী অসমীয়া উপাচাৰ্য ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা-২০২৬ বৰ্ষৰ বাবে নিৰ্বাচিত হৈছে অসমৰ এগৰাকী বিশিষ্ট সাহিত্যিক তথা যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়া। ড° ময়িদুল ইছলাম বড়া স্মৃতিৰক্ষা সমিতি আৰু অৰুনোদয় সাহিত্য সভাৰ আজি শিৱসাগৰ প্ৰেছ ক্লাবত অনুষ্ঠিত এখন যুটীয়া সভাত বটা নিৰ্বাচক সমিতিৰ সভাপতি প্ৰেম গগৈয়ে এই বঁটাৰ বাবে ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ নাম ঘোষণা কৰে। উল্লেখ্য যে, অসমৰ প্ৰথম ডক্টৰেট, ঢাকা বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্য্য তথা অসম সাহিত্য সভাৰ ১৯৪০ চনৰ সভাপতি ময়িদুল ইছলাম বড়াৰ স্মৃতিত ২০১১ চনৰ পৰা এই বটা প্ৰদান কৰা হৈছে। এই বটাৰ বাবে নিৰ্বাচিত হোৱা জ্যোতিপ্ৰসাদ শইকীয়াৰ ঘৰ ঐতিহাসিক শিৱসাগৰৰ কোঁৱৰপুৰ অঞ্চলত। কোঁৱৰপুৰৰ বিদ্যালয়তেই প্ৰাথমিক শিক্ষা সাং কৰি কটন কলেজ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা এম এ, এম ফিল আৰু পি এইচ ডি ডিগ্ৰী লাভ কৰে। প্ৰথমে সৰুপথাৰ কলেজ, গড়গাঁও কলেজত অধ্যাপনা কৰি তেখেতে দীৰ্ঘদিন ডিব্ৰুগড় বিশ্ববিদ্যালয়তেই অধ্যপনা কৰিছিল। পৰৱৰ্তী সময়ত বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰি জ্যোতিপ্ৰসাদ শইকীয়াই বৰ্তমান যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। অনেক ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় সন্মানেৰে সন্মানিত ড° জ্যোতিপ্ৰসাদ শইকীয়াই চেভ অৱ দ্যা চাইলেণ্ট ষ্টন, জ্যোতিপ্ৰসাদ শইকীয়াৰ ১০০টা নিৰ্বাচিত গল্প, আৰু এজন সন্ত্ৰাসবাদীৰ মৃত্যু, নৈপৰীয়া ছোৱালী, আকাশ নীলা নহয়, সুদৰ্শনা, বৰষুণৰ ৰং, মাটিত মেঘৰ ছায়া, ঈশ্বৰ আহি আছে, ৰাং কুকুৰৰ ৰং, ৰদে পুৰা ফুলৰ গোন্ধ, কেঁচা দুৰৰিৰ প্ৰেম, কৃষ্ণচূড়াৰ ফুল, অপৰাজিতা, ফেচবুকৰ শকুন্তলা কে ধৰি কেইবা শতাধিক মূল্যবান গল্প, উপন্যাস, কবিতা, নাটকৰ উপৰিও ১২১ খনৰো অধিক গৱেষণা পত্ৰ প্ৰকাশ কৰি জ্যোতিপ্ৰসাদ শইকীয়াই অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। এই গৰাকী সাহিত্যিকক পণ্ডিত ড° ময়িদুল ইছলাম বড়াৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি অহা ২২ ছেপ্টেম্বৰত শিৱসাগৰ প্ৰেছ ক্লাবত ড° ময়িদুল ইছলাম বড়া সাহিত্য বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব বুলি স্মৃতিৰক্ষা সমিতিৰ সভাপতি প্ৰেম গগৈয়ে জানিবলৈ দিছে।

# বৰপেটাৰোডত SCKSSL ইউনিফৰ্ম চাপ্লাইয়াৰ ভেণ্ডৰৰ জিলা সমিতি গঠন; ৰবিউল ইছলামক সভাপতিৰ দায়িত্ব

**অসম বাৰ্তা, বৰপেটাৰোড, ২৫ আগষ্ট ঃ** বৰপেটা জিলাৰ বৰপেটাৰোডস্থিত 'মানাস কন্যা'ত আজি SCKSSL ইউনিফৰ্ম চাপ্‌-ইয়াৰ ভেণ্ডৰৰ (SCKSSL UNIFORM SUPPLIER Vendor) এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাতে সংগঠনটোৰ বৰপেটা জিলা সমিতিখন আনুষ্ঠানিকভাৱে গঠন কৰা হয়। উক্ত সভাত সৰ্বসন্মতিক্ৰমে ২১ জনীয়া সদস্যৰে নতুন জিলা সমিতিখন গঠন কৰা হয়। সমিতিৰ সভাপতি হিচাপে নিৰ্বাচিত কৰা হয় ৰবিউল ইছলামক। নৱ-নিৰ্বাচিত সভাপতি ৰবিউল ইছলামে সংবাদ মাধ্যমৰ আগত মত বিনিময় কৰি কয় যে, তেওঁলোকৰ এই সমিতিৰ মূল লক্ষ্য হ'ল চৰকাৰী নীতি-নিৰ্দেশনা অনুসৰি স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলক উন্নতমানৰ



ইউনিফৰ্ম যোগান ধৰাটো নিশ্চিত কৰা। ইউনিফৰ্মৰ গুণগত মানদণ্ডৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলিও তেওঁ সংবাদ মাধ্যমৰ আগত দৃঢ়তাৰে উল্লেখ কৰে। জিলাখনৰ স্কুলীয়া ইউনিফৰ্ম যোগান প্ৰক্ৰিয়াটো অধিক স্বচ্ছ আৰু খৰতকীয়া কৰাৰ লগতে স্থানীয় ভেণ্ডৰসকলৰ মাজত সমন্বয় ৰক্ষাৰ ক্ষেত্ৰত এই সমিতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। আজিৰ এই সমিতি গঠন প্ৰক্ৰিয়াত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ভেণ্ডৰ তথা সংশি-ষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ড্ৰোন কেমেৰাৰে পৰ্যবেক্ষণৰ লগতে, নিশা ফটকা, চাৰ্চলাইটেৰে গজমিত্ৰক টহলৰ বাবে অতিৰিক্ত বাহনৰ ব্যৱস্থা গ্ৰহণ

# বৃহত্তৰ নুমলীগড়ত ভয়ংকৰ হাতী-মানুহৰ সংঘাত

**অসম বাৰ্তা, নুমলীগড়, ২৫ আগষ্ট ঃ** নুমলীগড় আৰু ইয়াৰ কাষৰীয়া অঞ্চলত ক্ৰমাৎ ভয়ংকৰ ৰূপ ধাৰণ কৰিছে হাতী-মানুহৰ সংঘাতে। দিনে-নিশাই বন্যহস্তীৰ বিচৰণে আতংকিত কৰি তুলিছে বহু অঞ্চলৰ গাঁও বাসী ৰাইজক। হাতীৰ আক্ৰমণত মানুহৰ মৃত্যু, বহুলোক আহত হোৱাৰ লগতে বাসগৃহ আৰু কৃষিভুমিৰ ক্ষয়-ক্ষতিৰ ঘটনাই উদ্বিগ্ন কৰি তুলিছে স্থানীয় ৰাইজক। ভয়ংকৰ হাতী-মানুহৰ সংঘাতৰ বাবে দিনে-নিশাই আতংকিত বহু অঞ্চলৰ ৰাইজ। চলিত বৰ্ষত হাতীৰ আক্ৰমণত ইতিমধ্যে এজন লোকৰ মৃত্যু। আহত হৈছে ৮ জন। ক্ষতিগ্ৰস্ত হৈছে ৭৬টা বাসগৃহ। সেয়েহে সংঘাত ৰোধ কৰিবলৈ এইবাৰ অধিক কঠোৰ হৈছে গোলাঘাট জিলা বন বিভাগ। নুমলীগড়, মৰঙী আৰু চীনাতলী অঞ্চলত বিগত সময়ছোৱাত সংঘাতৰ তীব্ৰতা বৃদ্ধি পোৱাৰ তথ্যও ইতিমধ্যে প্ৰকাশ পাইছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ অধিক তৎপৰ হৈছে গোলাঘাট বন বিভাগ। হাতীৰ গতিবিধিৰ ওপৰত অধিক তীক্ষ্ণ নজৰ ৰাখিবলৈ হাতীৰ বিচৰণস্থলী আৰু সম্ভাব্য সংঘাতপ্ৰৱণ অঞ্চলত ড্ৰোন কেমেৰাৰ জৰিয়তে পৰ্যবেক্ষণ চলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এন আৰ এলৰ সমীপত নতুনকৈ নিৰ্মাণ কৰা নীম আলি বাটকে ধৰি হাতীৰ নিয়মীয়া চলাচলৰ পথসমূহতো বিশেষ নজৰ ৰখা হ'ব। ইফালে নিশাৰ সময়ত হাতী-মানুহৰ মুখামুখি সংঘাত ৰোধৰ বাবে বনকৰ্মী আৰু গজমিত্ৰসকলক লৈ বিশেষ পেট্ৰ'লিং ব্যৱস্থা শক্তিশালী কৰা হৈছে। নিশাৰ টহলদাৰী দলক ফটকা আৰু চাৰ্চলাইট যোগান ধৰাৰ লগতে গজমিত্ৰসকলৰ বাবেও টৰ্চৰ ব্যৱস্থা কৰা হৈছে। টহল অধিক ফলপ্ৰসূ কৰাৰ বাবে প্ৰয়োজন অনুসৰি বাহন আৰু চালক ভাড়াত লোৱাৰ ব্যৱস্থাও কৰা হৈছে। জানিব পৰা মতে, ২৪জন গজমিত্ৰৰ বাবে ১২টা টৰ্চ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে। উদ্দেশ্য হৈছে নিশাৰ সময়ত হাতীৰ অৱস্থান আৰু গতিবিধি নিৰীক্ষণ কৰি আগতীয়াকৈ স্থানীয় লোকসকলক সতৰ্ক কৰা আৰু হাতীক মানুহৰ বসতিৰ পৰা আঁতৰাই ৰখা। হাতীক জোকোৱা বা খাদ্য খুওৱাৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি বন বিভাগে ৰাইজক বিশেষভাৱে সতৰ্ক কৰি দিছে যে বন্যহস্তীক জোকোৱা, আমনি কৰা, উত্তেজিত কৰা অথবা কেৱল ভিডিঅ' বনোৱাৰ উদ্দেশ্যে হাতীৰ অতি ওচৰলৈ যোৱা অত্যন্ত বিপজ্জনক। তদুপৰি মৰমৰ নামত হাতীক কল, কঁঠাল, অমিতা আদি খাদ্য খুৱাই মানুহৰ কাষলৈ আকৰ্ষিত কৰি অনাৰ দৰে কাৰ্যৰ বিৰুদ্ধেও কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকীয়নি দিয়া হৈছে। বন বিভাগৰ মতে, মানুহৰ পৰা নিয়মীয়াকৈ খাদ্য পোৱাৰ ফলত হাতী মানুহৰ বসতিৰ প্ৰতি অভ্যস্ত হৈ পৰিলে সংঘাতৰ আশংকা অধিক বৃদ্ধি পাব পাৰে। সেয়ে বন্যহস্তীৰ স্বাভাৱিক আচৰণত হস্তক্ষেপ নকৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে। অবৈধ ফেন্সিঙক লৈও কঠোৰ বন বিভাগ। অন্যহাতে নুমলীগড়ৰ বিভিন্ন বৃহৎ চাহ বাগিচাত বন্যহস্তীৰ চলাচলৰ পথৰ কাষত অবৈধভাৱে বৃহৎ গাঁত খন্দা আৰু কাঁইটীয়া, ব্লেড ফেন্সিং স্থাপন কৰাৰ অভিযোগক লৈও বন বিভাগে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। বন বিভাগৰ মতে, এনে কৃত্ৰিম বাধাই হাতীৰ স্বাভাৱিক চলাচল ব্যাহত কৰাৰ লগতে হাতীৰ গতিপথ সলনি কৰি মানুহৰ বসতিপ্ৰধান অঞ্চললৈ হাতী প্ৰৱেশৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰে। সেয়ে নিৰ্ধাৰিত সীমাৰ ভিতৰত থকা অবৈধ ফেন্সিং, গাঁত আৰু অন্যান্য বাধা আঁতৰাবলৈ সংশ্লিষ্ট বাগিচা কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। নিৰ্ধাৰিত সময়ৰ ভিতৰত বাধাসমূহ আঁতৰোৱা নহ'লে বন বিভাগে নিজাববীয়াকৈ অভিযান চলাই আইনগত ব্যৱস্থা গ্ৰহণ কৰিব বুলি সকীয়নি দিয়া হৈছে। ক্ষতিগ্ৰস্ত লোকলৈ ক্ষতিপূৰণৰ নতুন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। হাতী বা অন্যান্য বন্যপ্ৰাণীৰ আক্ৰমণত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে ৰাজ্য চৰকাৰে ক্ষতিপূৰণৰ ব্যৱস্থাও সংশোধন কৰিছে বুলি জানিব পৰা গৈছে। নতুন অধিসূচনা আৰু বন বিভাগৰ তথ্য অনুসৰি মানুহৰ মৃত্যুৰ ক্ষেত্ৰত ক্ষতিপূৰণ ৪ লাখৰ পৰা ৬ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। ঘৰ-বাৰীৰ ক্ষতিৰ ক্ষেত্ৰতো ঘৰটো কেঁচা নে পকা, তাৰ ওপৰত নিৰ্ভৰ কৰি ক্ষতিপূৰণ ১০ হাজাৰৰ পৰা ৯৫ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল ক্ষতিপূৰণ প্ৰদানৰ বাবেও বান্ধি দিয়া হৈছে সময়সীমা। মানুহৰ মৃত্যু হ'লে ২ দিনৰ ভিতৰত, ঘৰ ভাঙিলে ১৫ দিনৰ ভিতৰত, আৰু কৃষিভূমিৰ ক্ষতি হ'লে ২১ দিনৰ ভিতৰত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি বন বিভাগৰ সূত্ৰত প্ৰকাশ। গোলাঘাট জিলাত বিশেষ কৈ নুমলীগড়ত হাতী-মানুহৰ সংঘাত নতুন সমস্যা নহয়। বনাঞ্চল সংকোচন, হাতীৰ পৰম্পৰাগত চলাচলৰ পথত বাধা, খাদ্যৰ অভাৱ আৰু মানুহৰ বসতিৰ বিস্তাৰে সংঘাত অধিক জটিল কৰি তোলাৰ কথা বিশেষজ্ঞ আৰু বন বিভাগীয় সূত্ৰত বিভিন্ন সময়ত উত্থাপিত হৈ আহিছে। ২০২৫ বৰ্ষৰ এক প্ৰতিবেদনত গোলাঘাট জিলাত সেই বছৰত হাতীৰ আক্ৰমণত ১০জন লোকৰ মৃত্যু, ৬জন আহত আৰু ৮৫টা বাসগৃহ ধ্বংস হোৱাৰ তথ্য বন বিভাগীয় সূত্ৰৰ উদ্ধৃতিৰে প্ৰকাশ পাইছিল। গোলাঘাট জিলাৰ বাবে মানুহ আৰু বন্যপ্ৰাণী সংঘাত হ্ৰাসৰ বিশেষ পৰিকল্পনাও প্ৰস্তুত কৰা হৈছে। চৰকাৰী নথি অনুসৰি, এই পৰিকল্পনা ৰূপায়ণৰ বাবে ৩.২২ কোটি পুঁজিৰ দাবী কৰা হৈছিল। সেয়ে নুমলীগড়ৰ বৰ্তমানৰ পৰিস্থিতিত বন বিভাগৰ ড্ৰোন কেমেৰাৰ পৰ্যবেক্ষণ, নিশাৰ পেট্ৰ'লিং, গজমিত্ৰৰ সক্ৰিয়তা আৰু অবৈধ বাধা আঁতৰোৱাৰ পদক্ষেপে তাৎক্ষণিকভাৱে কিছু সকাহ দিয়াৰ সম্ভাৱনা আছে বুলি বিভাগে আশা কৰিছে। কিন্তু দীৰ্ঘম্যাদীভাৱে হাতীৰ পৰম্পৰাগত চলাচলৰ পথ সুৰক্ষিত কৰা, বনাঞ্চল সংৰক্ষণ আৰু স্থানীয় ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাটো এই পদক্ষেপৰ লগতে সমানেই জৰুৰী বুলি বৰ্তমান পৰিস্থিতিত বিবেচিত হৈছে।

জিলা ভিত্তিক অনলাইন চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা; ঘৰে-ঘৰে গৈ পুৰস্কাৰ প্ৰদান এনাজৰী ফাউণ্ডেছনৰ

# সৃষ্টিশীল প্ৰতিভাৰ অন্বেষণত এনাজৰী ফাউণ্ডেছন




**অসম বাৰ্তা, লেংটিছিঙা, ২৫ আগষ্ট ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা সৃষ্টিশীল প্ৰতিভা বিকশিত কৰাৰ লগতে চিত্ৰকলাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ উদ্দেশ্যে এনাজৰী ফাউণ্ডেছনৰ উদ্যোগত অনুষ্ঠিত জিলা ভিত্তিক অনলাইন চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়। তিনিটা শাখাত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনত ক, খ আৰু গ- এই তিনিটা শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা প্ৰতিযোগীসকলক নিৰ্বাচিত কৰা হয়। 'ক' শাখাত প্ৰথম স্থান দখল কৰে মণ্টফৰ্ট স্কুলৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰী ধ্ৰুবিকা ৰায়ে। দ্বিতীয় স্থান লাভ কৰে আদৰ্শ বিদ্যালয়, টাপাটাৰীৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ ডাভিৰ বৰ্ম্মে। তৃতীয় স্থান লাভ কৰে একেখন বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ কুলদীপ সৰকাৰে। 'খ' শাখাত প্ৰথম স্থান লাভ কৰে ফেকামাৰি এম পি হাই স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী প্ৰজ্ঞাস্মিতা দাসে। দ্বিতীয় স্থান লাভ কৰে মণ্টফৰ্ট স্কুলৰ নুৰাজ হুছেইনে। তৃতীয় স্থান লাভ কৰে লিটিল ফ্লাৱাৰ ইংলিছ হাইস্কুলৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ জেনিথ দাসে। ইফালে, 'গ' শাখাত প্ৰথম স্থান লাভ কৰে ফেকামাৰি এম পি হাই স্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰী ৰিশিতা খাতুনে। দ্বিতীয় স্থান লাভ কৰে দিল্লী পাব্লিক স্কুল, ঢালিগাঁৱৰ একাদশ শ্ৰেণীৰ ছাত্ৰী ডলি মণ্ডলে। তৃতীয় স্থান লাভ কৰে লিটিল ফ্লাৱাৰ ইংলিছ হাইস্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী অভীপ্সা ৰায়ে। প্ৰতিযোগিতাৰ আন এক উল্লেখযোগ্য দিশ হৈছে- স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক একেলগে কোনো অনুষ্ঠানলৈ মাতি পুৰস্কাৰ প্ৰদান কৰাৰ পৰিবৰ্তে এনাজৰী ফাউণ্ডেছনৰ এটি সঁজাতি দলে বিজয়ীসকলৰ নিজ নিজ ঘৰত উপস্থিত হৈ পুৰস্কাৰসমূহ প্ৰদান কৰে। ফলাফল ঘোষণাৰ পাছত বিজয়ীসকলৰ ঘৰত ফাউণ্ডেছনৰ প্ৰতিনিধি উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱাৰ লগতে তেওঁলোকৰ সাফল্যৰ বাবে উৎসাহিত কৰে। এনে পদক্ষেপে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অধিক উৎসাহ আৰু আত্মবিশ্বাস সৃষ্টি কৰাৰ লগতে চিত্ৰাংকনৰ দৰে সৃষ্টিশীল ক্ষেত্ৰত আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা যোগায়। শিক্ষা, সৃষ্টিশীলতা আৰু প্ৰতিভা বিকাশৰ ক্ষেত্ৰত এনাজৰী ফাউণ্ডেছনৰ এনে উদ্যোগে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি সচেতন মহলত চৰ্চা লাভ কৰিছে।

বিজ্ঞানসন্মত বিশ্লেষণ আৰু ভৱিষ্যদৰ্শন শীৰ্ষক নাগৰিক সভা অনুষ্ঠিত

# উজনিৰ বিধ্বংসী বানৰ বিভীষিকা

**অসম বাৰ্তা, গেলেকী, ২৫ আগষ্ট ঃ** শেহতীয়াকৈ উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাট জিলাকে ধৰি সমগ্ৰ অঞ্চলটোত দেখা দিয়া অভূতপূৰ্ব প্ৰলয়ংকৰী বান পৰিস্থিতিৰ স্থায়ী সমাধানৰ লক্ষ্যৰে নাজিৰাৰ এম চি ক্লাবত এক গুৰুত্বপূৰ্ণ 'নাগৰিক সভা' অনুষ্ঠিত হৈ যায়। সচেতন নাগৰিকৰ উদ্যোগত আয়োজিত এই সভাত অঞ্চলটোৰ সুৰক্ষিত ভৱিষ্যৎ নিৰ্মাণৰ বাবে এক সুচিন্তিত ভৱিষ্যদৰ্শন যুগুত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বানৰ বিভীষিকা আৰু কৃতজ্ঞতা জ্ঞাপনসভাত বক্তাসকলে উল্লেখ কৰে যে এই বিধ্বংসী বানে অসমৰ সমাজ আৰু অৰ্থনীতিৰ ভেটি ছাৰখাৰ কৰি পেলাইছে। শতাধিক লোকৰ প্ৰাণহানিৰ বিপৰীতে হাজাৰ হাজাৰ পৰিয়ালে ঘৰ-দুৱাৰ, সম্পত্তি আৰু জীৱিকা হেৰুৱাই চৰম অনিশ্চয়তাৰ সন্মুখীন হৈছে। এই সংকটৰ সময়ত যিবোৰ ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠন, স্বেচ্ছাসেৱী সংস্থা আৰু মহানুভৱ ব্যক্তিয়ে সাহসেৰে আগবাঢ়ি আহি সাহায্য আৰু উদ্ধাৰ কাৰ্যত আত্মনিয়োগ কৰিলে, তেওঁলোকৰ প্ৰতি সভাত আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰা হয়। স্থায়ী সমাধানৰ আহ্বান আৰু বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতি সাময়িক সকাহে এই সমস্যাৰ স্থায়ী সমাধান হ'ব নোৱাৰে বুলি মত প্ৰকাশ কৰি ভৱিষ্যতে এনে বিভীষিকাৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ বানৰ প্ৰকৃত কাৰণসমূহ উদঘাটন, বিজ্ঞানসন্মত প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অঞ্চলটোৰ সুৰক্ষিত ভৱিষ্যৎ নিৰ্মাণৰ এই গুৰুত্বপূৰ্ণ প্ৰচেষ্টাত উপস্থিত থাকি মূল্যবান দিহা-পৰামৰ্শ আগবঢ়ায়- অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ধৈৰ্য কোঁৱৰ চি পি আই নেতা কনক গগৈ প্ৰাক্তন বিৰোধী দলৰ দলপতি তথা নাজিৰাৰ বিগত তিনিটা কাৰ্যকালৰ বিধায়ক দেৱব্ৰত শইকীয়া, নাজিৰাৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তি, বিষয়-বিশেষজ্ঞ আৰু সমাজকৰ্মীয়ে সভাত অংশগ্ৰহণ কৰি অঞ্চলটোৰ অৰ্থনৈতিক পুনৰগঠনৰ বাবে নিজৰ মতামত দাঙি ধৰে।

# টীয়ক কলীয়াপানী আউনীআটি সত্ৰত 'উৰ্মিলা' শীৰ্ষক দিহানামৰ শ্ৰব্যগীত উন্মোচন



**অসম বাৰ্তা, চেলেংহাট, ২৫ আগষ্ট ঃ** পবিত্ৰ ভাদ মাহ উপলক্ষে সমগ্ৰ ৰাজ্য খনৰ নামঘৰ, সত্ৰ আৰু ধৰ্মীয় অনুষ্ঠান সমূহ ভক্তিৰসেৰে মুখৰিত হৈ পৰাৰ সময়তে আজি যোৰহাট জিলাৰ টীয়ক কলীয়াপানীস্থিত আউনীআটী শাখা সত্ৰত অনাতাঁৰ শিল্পী ৰুণু বুঢ়াগোহাঁইৰ 'উৰ্মিলা' শীৰ্ষক এটি দিহানামৰ শ্ৰব্যগীত উন্মোচন কৰা হয়। সত্ৰখনৰ নাম পৰিচালনা সমিতিৰ মুখ্য সম্পাদক গজেন ভূঞাই আঁত ধৰা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামী, ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী, নাম পৰিচালনা সমিতিৰ বিষয়ববীয়াসকল, সত্ৰৰ নাম লগোৱা অনিল কলিতাকে ধৰি অসমৰ বিভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে। শ্ৰব্যগীতটি উন্মোচন কৰি সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীয়ে উল্লেখ কৰে যে ভাদ মাহৰ নামৰসেৰে চৌপাশ মুখৰিত হৈ থকাৰ সময়তে ৰামায়ণৰ পটভূমিত ৰচিত উৰ্মিলাৰ ত্যাগ আৰু কাহিনী আধাৰিত এই গীতটিয়ে বিশেষ সমাদৰ লাভ কৰিব। উল্লেখযোগ্য যে পবিত্ৰ ভাদ মাহৰ প্ৰথমটো দেওবাৰ উপলক্ষে আজি সত্ৰ প্ৰাংগণত অগণন ভক্তৰ সমাগম ঘটে।

# বাক্সাৰ শিমলাগুৰীত আৰক্ষীৰ বৃহৎ সফলতা; জালত তিনি গৰু চোৰ, বাহন জব্দ

**অসম বাৰ্তা, বৰপেটাৰোড, ২৫ আগষ্ট ঃ** বাক্সা জিলাৰ শিমলাগুৰী আৰক্ষী পহৰা চকীৰ অন্তৰ্গত অঞ্চলত গৰু চোৰৰ বিৰুদ্ধে আৰক্ষীয়ে এক বৃহৎ সফলতা লাভ কৰিছে। আজি শিমলাগুৰী আৰক্ষী পহৰা চকীৰ এটা দলে গোপন সূত্ৰৰ পম খেদি অভিযান চলাই তিনিজনকৈ গৰু চোৰক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ জালত পৰা চোৰ কেইজন ক্ৰমে ইনচান আকন্দ, মিনহাজ আলী মণ্ডল আৰু মফিদুল আলী বুলি চিনাক্ত কৰা হৈছে। দীৰ্ঘদিন ধৰি অঞ্চলটোত গৰু চুৰি কাৰ্যৰ সৈতে জড়িত থকাৰ অভিযোগ আছিল ধৃত লোক কেইজনৰ বিৰুদ্ধে। আৰক্ষীয়ে জনোৱা মতে, অভিযান কালত চোৰ কেইজনে গৰু চুৰি কাৰ্যত ব্যৱহাৰ কৰা এখন বাহনো জব্দ কৰা হয়। জব্দকৃত বাহনখনৰ পঞ্জীয়ন নম্বৰ হৈছে AS-16-AC-4216। বৰ্তমান আৰক্ষীয়ে ধৃত চোৰ কেইজনক অধিক সোধা-পোছাৰ বাবে জিম্মাত লৈছে আৰু এই চক্ৰটোৰ সৈতে আন কোনো জড়িত আছে নেকি সেই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীৰ এই তৎপৰতাক স্থানীয় ৰাইজে আদৰণি জনাইছে।

এন এফ ৰেলৱে এফ চি, গুৱাহাটী ছেমি ফাইনেলত প্ৰৱেশ

# ৪৬ সংখ্যক নৰোৰাম বৰ্মন সোঁৱৰণী ফুটবল প্ৰতিযোগিতা

**অসম বাৰ্তা, চামতা, ২৫ আগষ্ট ঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু অইল ইণ্ডিয়া লিমিটেড, নয়ডা তথা উত্তৰ প্ৰদেশ আৰু এন আৰ এল, গুৱাহাটীৰ অৰ্থ সাহায্যত চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ পৰিচালনাত সংঘৰ নৱনিৰ্মিত ষ্টেডিয়ামত চলি থকা ৪৬ সংখ্যক নৰোৰাম বৰ্মন সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ আজি প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত এন এফ ৰেলৱে এফ চি, গুৱাহাটী আৰু ইউনাইটেড স্পোৰ্টছ ক্লাব, বৰমাৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতা অনুষ্ঠিত হয়। খেলখনত এন এফ ৰেলৱে এফ চি, গুৱাহাটীয়ে ইউনাইটেড স্পোৰ্টছ ক্লাব, বৰমাক ৯-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰে। খেলৰ আৰম্ভণিৰ পৰাই আক্ৰমণাত্মক ৰূপত দেখা যোৱা এন এফ ৰেলৱেৰ হৈ প্ৰথমাৰ্ধৰ ৬ আৰু ১৫ মিনিটত দুটাকৈ গ'ল কৰে ষ্ট্ৰাইকাৰ চিব্ৰা নাৰ্জাৰীয়ে। ২০ মিনিটত প্ৰবিক ঘিচিঙে আন এটা গ'ল দিয়াত প্ৰথমাৰ্ধত এন এফ ৰেলৱে ৩-১ গ'লত আগবাঢ়ি থাকে। ইয়াৰ বিপৰীতে ইউনাইটেড স্পোৰ্টছ ক্লাবৰ হৈ ২৫ মিনিটত আশিকুল ৰহমানে এটা গ'ল কৰে। দ্বিতীয়াৰ্ধত এন এফ ৰেলৱেৰ আক্ৰমণ অধিক শক্তিশালী হৈ উঠে। দ্বিতীয়াৰ্ধৰ ৩ মিনিটত চিব্ৰা নাৰ্জাৰীয়ে নিজৰ তৃতীয়টো গ'ল কৰি হেট্ৰিক অৰ্জন কৰে। ইয়াৰ পিছত দেৱজিৎ বাসাকে ১০, ১২ আৰু ২৬ মিনিটত তিনিটা গ'ল কৰি নিজৰ হেট্ৰিক সম্পূৰ্ণ কৰে। লগতে সৌৰভ বিশ্বাসেও এটা গ'ল কৰে। ইউনাইটেড স্পোৰ্টছ ক্লাবৰ হৈ ট্ৰিমিক ৰামছিয়াৰী আৰু মছফিক আলীয়ে এটাকৈ গ'ল কৰে। ফলত খেলখন ৯-৩ গ'লত এন এফ ৰেলৱেৰ জয়ৰে সামৰণি পৰে। উল্লেখযোগ্য যে খেলৰ বিধি উলংঘা কৰাৰ বাবে ইউনাইটেড স্পোৰ্টছ ক্লাবৰ খেলুৱৈ ৰাহুল বসুমতাৰীক ৰেফাৰীয়ে ৰঙা কাৰ্ড প্ৰদৰ্শন কৰি খেলপথাৰৰ পৰা বাহিৰ কৰে। আজিৰ কোৱাৰ্টাৰ ফাইনেল খেলখন উদ্বোধন কৰে বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা বিশিষ্ট সমাজকৰ্মী শৰৎ বৰ্মনে। অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অহা ২৯ আগষ্টত অনুষ্ঠিত হ'ব প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেল। উক্ত খেলখনত অসম পুলিচ এফ চিয়ে ডিবিআই স্পোৰ্টছ ক্লাব, সোণাপুৰৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

# পথালিপাহাৰ ব্যৱসায়ী সন্থাৰ উদ্যোগত ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠান

**অসম বাৰ্তা, বান্দৰদেৱা, ২৫ আগষ্ট ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰ তিনিআলিত ব্যৱসায়ী সন্থাৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত সাম্প্ৰতিক সময়ৰ যুৱ উচ্ছৃংখলতা দূৰ হোৱাৰ উদ্দেশ্যে আধ্যাত্মিক চেতনাৰ জৰিয়তে সমাজৰ সকলো দিশতে সুখ, শান্তি আৰু মঙ্গল কামনাৰে আজি দিনযোৱা কাৰ্যসূচীৰে ভাগৱত পাঠ আৰু ব্যাখ্যানুষ্ঠান ভাগী অনুষ্ঠিত কৰে। উক্ত ভাগৱত পাঠৰ মুখ্য ব্যাখ্যাকাৰ হিচাপে উপস্থিত থাকি ভাগৱতৰ অমৃত ৰস বিলাই যোৰহাট জিলাৰ তিতাবৰৰ মাধুৰ্য বৰাই। অনুষ্ঠান ভাগীত শতাধিক ভক্তপ্ৰাণ ৰাইজক ভাগৱতৰ তত্ত্ব গধুৰ কথাৰে মাধুৰ্য বৰাই সকলোকে আপ্লুত কৰা পৰিলক্ষিত হয়।

চৰকাৰী কালভাৰ্ট বন্ধ কৰি দিয়াৰ অভিযোগ; শ-শ বিঘা কৃষিভূমি পানীৰ তলত

# ৰূপহীহাটৰ পূব শিঙিমাৰীত কৃত্ৰিম বানক লৈ ৰাইজৰ উত্তাল প্ৰতিবাদ



**অসম বাৰ্তা, ৰূপহীহাট, ২৫ আগষ্ট ঃ** ৰূপহীহাটৰ পূব শিঙিমাৰীত চৰকাৰী কালভাৰ্ট বন্ধ কৰি দিয়াৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হোৱাৰ বাবে ৰাইজে আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত পূব শিঙিমাৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া কেইবাটাও অঞ্চলত বিগত কেইবাদিন ধৰি হোৱা বৰষুণৰ পানী ওলাই যাব নোৱাৰাত জলমগ্ন পৰিস্থিতিৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, অঞ্চলটোৰ অতিৰিক্ত পানী স্বাভাৱিকভাৱে সোণাই নদীলৈ ওলাই যাব পৰাকৈ পূৰ্বৰে পৰা কেইবাটাও চৰকাৰী কালভাৰ্ট আছিল। কিন্তু আবু নচৰ আৰু নাচিৰ উদ্দিন নামৰ দুজন লোকে পুখুৰী নিৰ্মাণ কৰি উক্ত চৰকাৰী কালভাৰ্টসমূহ বন্ধ কৰি দিয়াৰ ফলতেই পানী নিষ্কাশনৰ পথ ৰুদ্ধ হৈছে বুলি ৰাইজে অভিযোগ কৰে। কালভাৰ্ট বন্ধ হৈ পৰাৰ ফলত বৰষুণৰ পানী ওলাই যাব নোৱাৰি পূব শিঙিমাৰীসহ কাষৰীয়া অঞ্চলসমূহত জমা হৈ পৰিছে। ফলত শ-শ বিঘা কৃষিভূমি পানীৰ তলত বুৰ যোৱাত কৃষকসকল ব্যাপক ক্ষতিৰ সন্মুখীন হৈছে। বহু পথ-উপ-পথতো পানী জমা হোৱাত সাধাৰণ ৰাইজৰ যাতায়াতত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। স্থানীয় লোকসকলে কয় যে পূৰ্বতে উক্ত কালভাৰ্টসমূহৰ জৰিয়তে অঞ্চলটোৰ অতিৰিক্ত পানী সহজে সোণাই নদীলৈ ওলাই গৈছিল। সেয়েহে বৰষুণৰ সময়তো পানী জমা হোৱাৰ সমস্যা তুলনামূলকভাৱে কম আছিল। কিন্তু কালভাৰ্টসমূহ বন্ধ হৈ যোৱাৰ পাছৰে পৰা পানী নিষ্কাশন ব্যৱস্থা ব্যাহত হৈ পৰাত কৃত্ৰিম বানৰ সৃষ্টি হৈছে বুলি ৰাইজে অভিযোগ কৰে। ইপিনে, জলমগ্নতাৰ ফলত কৃষিভূমিৰ লগতে বসতিপ্ৰধান অঞ্চলসমূহলৈও পানী সোমোৱাৰ আশংকা বৃদ্ধি পাইছে। সময়মতে পানী নিষ্কাশনৰ ব্যৱস্থা গ্ৰহণ নকৰিলে অধিক কৃষিভূমি নষ্ট হোৱাৰ লগতে পৰিস্থিতি অধিক ভয়াৱহ হোৱাৰ আশংকা কৰিছে ভুক্তভোগী কৃষকসকলে। প্ৰতিবাদী ৰাইজে চৰকাৰ আৰু প্ৰশাসনৰ ওচৰত বিষয়টো শীঘ্ৰে তদন্ত কৰি বন্ধ হৈ থকা চৰকাৰী কালভাৰ্টসমূহ মুকলি কৰাৰ দাবী জনায়। লগতে চৰকাৰী জল নিষ্কাশন ব্যৱস্থা কোনো ব্যক্তিগত স্বাৰ্থত বাধাগ্ৰস্ত কৰা হৈছে নেকি, সেই বিষয়টো তদন্ত কৰি দোষী ব্যক্তিৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও প্ৰশাসনক আহ্বান জনায়। ভুক্তভোগী ৰাইজৰ দাবী, অতি শীঘ্ৰে কালভাৰ্টসমূহ মুকলি কৰি পানী নিষ্কাশনৰ ব্যৱস্থা নকৰিলে পূব শিঙিমাৰীৰ লগতে কাছখাইটি অঞ্চলতো কৃত্ৰিম বান পৰিস্থিতি অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিব।

টেংকিত আধা পানী লৈ জুই নুমুৱাবলৈ অহা গহপুৰ অগ্নিনিৰ্বাপক বাহিনীৰ বিৰুদ্ধে ৰাইজৰ ক্ষোভ

# গহপুৰৰ পুৰুপবাৰীত নিশা ভয়ংকৰ অগ্নিকাণ্ড; জুইত জাহ গ'ল ৭ খনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান



**অসম বাৰ্তা, গহপুৰ, ২৫ আগষ্ট ঃ** গহপুৰ পৌৰসভাৰ অন্তৰ্গত পুৰুপবাৰী চেণ্টাৰৰ মাজমজিয়াত যোৱা নিশা সংঘটিত হোৱা এক বিধ্বংসী অগ্নিকাণ্ডত জুইত জাহ যায় ৭ খনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান। নিশা প্ৰায় ১-৩০ বজাত সংঘটিত হোৱা উক্ত অগ্নিকাণ্ডত ব্যৱসায়ী পিকু কুমাৰ চাহৰ পি কে বুক ষ্টল, চুচেন দাসৰ এছ আৰ ইলেক্ট্ৰিনিকছ, শেখৰ আইচৰ ফাৰ্নিচাৰ হাউচ, চুৰামণি শৰ্মাৰ জয় তাৰা ফাৰ্মাচী, মাখন সূত্ৰধৰৰ দীপ ট্ৰেইলাৰ, কৃষ্ণ বেথাৰ কৃষ্ণা ৰাছিঙৰ লগতে ৰাজীৱ কম্পিউটাৰ অফছেট প্ৰিণ্টিং প্ৰেছ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠান কেইখন জুইত জাহ যায়। জুইৰ ভয়াবহতা ইমানেই বেছি আছিল যে নিমিষতে জুইয়ে চানি ধৰে আটাই কেইখন ব্যৱসায়িক প্ৰতিষ্ঠান। উক্ত অগ্নিকাণ্ডত মুঠ প্ৰায় ৩০ লক্ষাধিক টকা মূল্যৰ সামগ্ৰী ক্ষতিসাধন হোৱা বুলি অনুমান কৰা হৈছে। চকুৰ সন্মুখতে এনেদৰে জুইয়ে ব্যৱসায়িক প্ৰতিষ্ঠান কেইখন চাৰখাৰ কৰি পেলোৱাত এতিয়া চকুলোৰে বাট নেদেখা হৈছে ব্যৱসায়ী কেইজনে। কেৱল দোকান কেইখনৰ ওপৰতে ভৰসা কৰি পৰিয়াল চলাই অহা ব্যৱসায়ী কেইজনে এতিয়া গভীৰ হতাশা আৰু অনিশ্চয়তাত ভোগা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে -উক্ত অগ্নিকাণ্ডৰ সময়ত গহপুৰ অগ্নিনিৰ্বাপক বাহিনীৰ দুখনকৈ গাড়ী ঘটনাস্থলীলৈ আহিছিল যদিও উক্ত গাড়ী দুখন বহু পলমকৈ ঘটনাস্থলীত উপস্থিত হোৱা বুলি অভিযোগ কৰিছে স্থানীয় ব্যৱসায়ী সকলে। বৰঘূলিত থকা গহপুৰ অগ্নিনিৰ্বাপক কাৰ্য্যালয়ৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথেৰে ঘটনাস্থলীৰ দুৰত্ব প্ৰায় ৩/৪ কিলোমিটাৰ হ'ব। কিন্তু উক্ত দুৰত্ব অতিক্ৰম কৰি আহিবলৈ বহু সময়ৰ প্ৰয়োজন হোৱাত স্থানীয় ৰাইজৰ লগতে ব্যৱসায়ী সকলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইপিনে গহপুৰ অগ্নিনিৰ্বাপক বাহিনীৰ যি দুখন জুই নুমুৱা গাড়ী আহিছিল সেই দুখন গাড়ীত পৰ্য্যাপ্ত পানী নাছিল বুলি অভিযোগ উত্থাপন কৰিছে স্থানীয় ব্যৱসায়ী সকলে। যাৰবাবে পানী নথকাৰ বাবে উক্ত গাড়ী দুখনে আধাতে কাম সামৰিবলগীয়া হয়। ইয়াৰ পিছত বিশ্বনাথ চাৰিআলি, বৰগাং আৰু নাৰায়ণপুৰ আদি ঠাইৰ পৰা অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী আহি পাই মানে তেতিয়ালৈ জুয়ে নিঃশেষ কৰি পেলায় সকলো। এইক্ষেত্ৰত স্থানীয় ব্যৱসায়ী সকলে তীব্ৰ ক্ষোভ আৰু অসন্তুষ্টি প্ৰকাশ কৰি কয় যে গহপুৰ অগ্নিনিৰ্বাপক বাহিনীয়ে যদি পানী ভৰ্তি গাড়ীসহ খৰখেদাকৈ আহি ঘটনাস্থলীত উপস্থিত হোৱা হ'লে কিছু হ'লেও ভুক্তভোগী ব্যৱসায়ীসকলে সকাহ লাভ কৰিলেহেঁতেন। গহপুৰৰ ৰাইজে উক্ত ক্ষতিগ্ৰস্ত ব্যৱসায়ী সকলক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা কৰিবলৈ বিশ্বনাথ জিলা প্ৰশাসনৰ লগতে গহপুৰ সমজিলা প্ৰশাসন আৰু অসম চৰকাৰৰ ওচৰত দাবী জনাইছে।

সভাত অংশগ্ৰহণ কৰিব একুৰিৰো অধিক দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ মূৰব্বী

# ২৬ আগষ্টত নগাঁৱৰ সোণাইঘাট হাই স্কুলত বিশাল ড্ৰাগছ বিৰোধী সজাগতা সভা ও ৰেলী

**অসম বাৰ্তা, ৰহা, ২৫ আগষ্ট ঃ** নিষিদ্ধ ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় দিনক দিনে বৃদ্ধি পাইছে উত্তৰ পশ্চিম নগাঁও অঞ্চলত। হয়বৰগাঁও আৰক্ষী চকীৰ অন্তৰ্গত চিলঙণী, আমতলা, নাৰামাৰী, হেৰাপাতি, কাতিমাৰী, শিমলুগুৰি, বৰভেটি, ধিংৰোড, কাৰৈমাৰী, চলচলি, ভকতগাঁও, গৰৈমাৰী, সোণাইঘাট এলেকাত বৰবিষ ড্ৰাগছৰ ঘাটিলৈ ৰূপান্তৰিত হৈছে। এই বৃহত্তৰ অঞ্চলটোত সোণাইঘাট হাই স্কুল, সোণাই একাডেমী, টপাৰ্চ একাডেমী, প্ৰস্তুতি একাডেমী, জিনিয়াছ একাডেমী, মিল্লি একাডেমী, মাৰ্কাজ একাডেমী, মদিনা একাডেমী, জে আৰ পাব্লিক স্কুল, চলচলি হাফিজিয়া মাদ্ৰাছা, জামে মছজিদকে আদি কৰি বহু অনুষ্ঠান প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। অঞ্চলটোৰ একমাত্ৰ মেট্ৰিক পৰীক্ষাৰ কেন্দ্ৰ হৈছে সোণাইঘাট হাই স্কুল। তাৰ ঘাতে লাগি আছে চিলঙণী আমতলা চিকিৎসালয়। এক কথাত ক'বলৈ গ'লে বৃহত্তৰ অঞ্চলটো সম্প্ৰতি 'এডুকেশ্বনেল হাব'লৈ ৰূপান্তৰিত হৈছে। তাতে এতিয়া গঢ়ি উঠিছে নিষিদ্ধ ড্ৰাগছৰ ৰমৰমীয়া ঘাটি। পুৱাৰে পৰা দুপৰ নিশা লৈকে বৰবিষ ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই গৈছে ইয়াৰে এচাম ধুৰন্ধৰ আৰু অসামাজিক লোকে। স্থানীয় হয়বৰগাঁও আৰক্ষীৰ ৰহস্যজনক নীৰৱতাৰ সুযোগ লৈ এচাম পুৰুষ মহিলাৰ লগতে নাবালক কিশোৰ কিশোৰীয়ে হাতে হাতে ড্ৰাগছৰ কণ্টেইনাৰ লৈ ৰাস্তাৰ দুয়োকাষে পিয়াপি দি ফুৰা পৰিলক্ষিত হয়। এক বিশ্বস্ত সূত্ৰই দাবী কৰা মতে সুদূৰ ডিমাপুৰৰ পৰা নিশাৰ গাড়ীৰে সৰবৰাহ হয় নিষিদ্ধ ড্ৰাগছৰ লগতে গাঞ্জা, ভাং কানি আৰু নিচাযুক্ত টেবলেট। জানিব পৰা মতে ড্ৰাগছৰ কবলত পৰি ইতিমধ্যে বহু ফুলকুমলীয়া যুৱক যুৱতীৰ অকালতে মৃত্যু হৈছে। আৰ্শ্চৰ্য্যজনক বাবে দিন দুপৰতে ড্ৰাগছ সেৱন কৰি আৰু ড্ৰাগছৰ বিষাক্ত বেজী লৈ এচাম যুৱক যুৱতী পদপথৰ কাষতে যেনিতেনি পৰি থকা দৃশ্য সম্প্ৰতি অতি সহজলভ্য হৈ পৰিছে। এই সন্দৰ্ভত অঞ্চলটোৰ মুৰব্বী সকলৰ লগতে স্থানীয় সচেতন মহলে হয়বৰগাঁও প্ৰেছ ক্লাবৰ উদ্যোগত একাধিক সজাগতা সভা, শোভাযাত্ৰা কৰিও তৎ পোৱা নাই। অতি সম্প্ৰতি নগাঁও জিলাৰ সোণাইঘাট চলচলি চিলঙণী আমতলা ভকতগাওঁ অঞ্চলটোত অতিমাত্ৰা ৰূপত বৃদ্ধি পাইছে নিষিদ্ধ ড্ৰাগছৰ অবৈধ প্ৰচলন। আৰক্ষীৰ চকুত ধূলি দি এচামে ড্ৰাগছৰ ব্যৱসায় কৰি কোটিপতি হোৱাৰ বিপৰীতে আন এটা বৃহৎ সামাজিক পৰিয়াল ভিক্ষাৰী হৈ পৰিছে। ইয়াকে লৈ উদ্বিগ্ন হৈ পৰিছে স্থানীয় সচেতন ৰাইজ আৰু অভিভাৱক সকল। তদুপলক্ষে হয়বৰগাঁও প্ৰেছ ক্লাবৰ উদ্যোগত আৰু সোণাইঘাট হাই স্কুলৰ ব্যৱস্থাপনাত ২৬ আগষ্টত দিনৰ বাৰ বজাত অনুষ্ঠিত হ'ব বিশাল ড্ৰাগছ বিৰোধী সজাগতা সভাৰ লগতে প্ৰায় সহস্ৰাধিক শিক্ষাৰ্থীক লৈ ওলিওৱা হ'ব বিশাল ড্ৰাগছ বিৰোধী ৰেলী। য'ত নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। ইয়াৰোপৰি অঞ্চলটোৰ সকলো স্তৰৰ শিক্ষানুষ্ঠান, অনুষ্ঠান, প্ৰতিষ্ঠানৰ মুৰব্বী তথা বিভিন্ন দল-সংগঠনৰ নেতৃস্থানীয় ব্যক্তি সকল উক্ত ৰেলীত অংশগ্ৰহণ কৰিব বুলি আয়োজক সমিতিৰ সম্পাদক মোস্তাফা কামালে জনাইছে। নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত গড়াজান উন্নয়ন খণ্ডৰ অধীনৰ সকলো গাঁও পঞ্চায়তৰ সভাপতি, সভানেত্ৰী, সদস্য সদস্যাৰ লগতে সমাজ হিতৈষী ব্যক্তি সকলে এই বিশাল ড্ৰাগছ বিৰোধী ৰেলীত অংশগ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। হয়বৰগাঁও প্ৰেছ ক্লাবৰ সভাপতি দিব্যজ্যোতি বৰুৱা, বৰভেটি পঞ্চায়তৰ উপ-সভাপতি জালাল উদ্দিন আহমেদ, ভকতগাঁও পঞ্চায়তৰ সভাপতি বাহাৰুল ইছলাম, সোণাইঘাট হাই স্কুলৰ অধ্যক্ষ পৱিত্ৰ শইকীয়া, স্থানীয় গাঁওৰক্ষী বাহিনীৰ কাৰ্যকৰ্তা সকলে উক্ত ড্ৰাগছ বিৰোধী সজাগতা সভা ও ৰেলীত অংশগ্ৰহণ কৰিবলৈ সৰ্বস্তৰৰ ৰাইজক আহ্বান জনাইছে।

# চিলাৰায় মহাবিদ্যালয়ত নাটক আৰু সমাজ বিষয়কলৈ কৰ্মশালা আৰু আলোচনাচক্ৰৰ আয়োজন

**অসম বাৰ্তা, গোলকগঞ্জ, ২৫ আগষ্ট ঃ** ধুবুৰী জিলাৰ চিলাৰায় মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষ (IQAC) আৰু নৃগোষ্ঠীয় অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ (CESR)-ৰ উদ্যোগত আৰু গোলকগঞ্জৰ শিল্পী সমাজৰ সহযোগত ১৯ আৰু ২০ আগষ্ট ২০২৬ ইং তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ভাৰতীয় সামাজিক বিজ্ঞান অনুসন্ধান পৰিষদৰ (ICSSR)-ৰ অৰ্থসাহায্যত 'নাটক আৰু সমাজ: সমসাময়িক দৃষ্টিভংগীৰে ভাৰতীয় পৰম্পৰা, পৰিৱেশন আৰু পৰিচয়' শীৰ্ষক দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা আৰু আলোচনাচক্ৰ অনুষ্ঠিত হয়। ১৯ আগষ্ট তাৰিখে ৰাতিপুৱা বিশ্ব মহাবীৰ চিলাৰায় প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে চিলাৰায় মহাবিদ্যালয়ৰ অধ্যক্ষ নিতাই চন্দ্ৰ ৰায়, মহাবিদ্যালয় প্ৰতিষ্ঠাপক সভাপতি ভুৱন চন্দ্ৰ প্ৰধানীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে চিলাৰায় মহাবিদ্যালয়ৰ উপাধ্যক্ষ কেৰামত আলী শেখে আৰু শ্বহীদ বেদীত মাল্যাৰ্পণ কৰে চৰকাৰী মডেল কলেজ, মাজেৰ আলগাৰ বিদ্যায়তনিক সমন্বয়ক ড° ধীৰেন চন্দ্ৰ বৰ্মনে। বন্তি প্ৰজ্বলনৰে উদ্বোধনী অনুষ্ঠানৰ শুভাৰম্ভ কৰে কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি ড° দ্বিজেন্দ্ৰ নাথ ভকতে। গোলকগঞ্জ শিল্পী সমাজ আৰু চিলাৰায় মহাবিদ্যালয়ৰ ছাত্ৰীসকলে উদ্বোধনী সংগীত পৰিৱেশন কৰাৰ পাছত চিলাৰায় মহাবিদ্যালয়ৰ অধ্যক্ষ নিতাই চন্দ্ৰ ৰায়ে আদৰণি ভাষণ প্ৰদান কৰে। বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° তৰুনী ডেকাই আলোচনচক্ৰৰ বীজ ভাষণ প্ৰদান কৰি মনোৰঞ্জনৰ উপৰিও নাটকৰ যোগেদি সমাজ এখন কেনেদৰে প্ৰতিফলিত হয় সেই সম্পৰ্কে বিশদ আলোচনা আগবঢ়ায়। ভোলানাথ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি আলোচনাচক্ৰৰ সৈতে সংহতি ৰাখি প্ৰকাশ কৰা সংক্ষিপ্ত-সাৰ উন্মোচন কৰে। আনহাতে বিশিষ্ট নাট্যকাৰ, অশোকনগৰ নাট্যমুখৰ সঞ্চালক অভি চক্ৰৱৰ্তী ডাঙৰীয়ায় লোকনাট্য, থিয়েটাৰ আৰু সমাজৰ মাজৰ সম্পৰ্কৰ লগতে পৰম্পৰা, পৰিচয় আৰু সমকালীন পৰিপ্ৰেক্ষিতত থিয়েটাৰৰ ভূমিকা সন্দৰ্ভত ভাষণ প্ৰদান কৰে। ইয়াৰ পাছত "নাটক আৰু সমাজ' বিষয়ক কৰ্মশালাৰ মঞ্চ উদ্বোধন কৰে ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে। এই আলোচনাচক্ৰত কলিকতাৰ অশোকনগৰ নাট্যমুখ গোষ্ঠীৰ সঞ্চালক অভি চক্ৰৱৰ্তীৰ তত্ত্বাৱধানত অহা বাৰজন নাট্যকৰ্মীয়ে নাটক আৰু সমাজ বিষয়ক কৰ্মশালা অনুষ্ঠিত কৰে। এই কৰ্মশালাত চিলাৰায় মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। আলোচনাচক্ৰৰ পূৰ্ণাঙ্গ সত্ৰ অনলাইনযোগে অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° সুব্ৰতজ্যোতি নেওগ, NEHU ৰ তুৰা চৌহদৰ সহযোগী অধ্যাপিকা ড° নম্ৰতা পাঠক আৰু মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° নিতু চহৰীয়াই মূল বিষয়ৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ ওপৰত আলোচনা আগবঢ়ায়। চিলাৰায় মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা ড° প্ৰতিমা নিয়োগী আৰু প্ৰাক্তন অধ্যক্ষা হেমলতা কাকতিৰ সঞ্চালনাত গোলোকগঞ্জ অঞ্চলৰ নাট্য চৰ্চা আৰু শীবেশ চন্দ্ৰ প্ৰধানীৰ ভূমিকা বিষয়ক এক বিশেষ সত্ৰ অনুষ্ঠিত হয়। এই সত্ৰত নগেন ৰায়, ড° দ্বিজেন্দ্ৰ নাথ ভকত, সুভাষ চন্দ্ৰ ৰায় আৰু মিনাক্ষী ডাকুৱাই বহুমূলীয়া গৱেষণা পত্ৰ পাঠ কৰে। আবেলি ২.৩০ বজাৰ পৰা তিনিটা সত্ৰত অনলাইনযোগে গৱেষণা পত্ৰ পাঠ কৰা হয়। ২০ আগষ্ট তাৰিখে ৰাতিপুৱা দহ বজাৰ পৰা সমান্তৰালভাৱে দুটা সত্ৰ অনুষ্ঠিত হয়। দুপৰীয়া বাৰ বজাত চিলাৰায় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শিশুৰ উপযোগী 'এই বিশ্বকে শিশুৰ বাসযোগ্য কৰে যাব আমি' শীৰ্ষক নাটক মঞ্চস্থ কৰে। গধূলি ড° সহোনলাল আগৰৱালা আৰু দেৱ প্ৰসাদ সিংহই বন্তি প্ৰজ্বলন কৰাৰ পিছত ডঃ সন্তোষ সৰকাৰ ডাঙৰীয়াই মঞ্চ উদ্বোধন কৰাৰ পিছত অশোকনগৰ নাট্যমুখৰ তৰফৰ পৰা অভি চক্ৰৱৰ্তী ৰচনা আৰু সঞ্চালনাত 'ভাৰতবৰ্ষ' আৰু বাদল সৰকাৰ ৰচিত আৰু অভি চক্ৰৱৰ্তীয়ে সঞ্চালনা কৰা 'ৰূপকথাৰ কেলেঙ্কাৰী' নাটকদুখন মঞ্চস্থ কৰা হয়। শেষত চিলাৰায় মহাবিদ্যালয়ৰ অধ্যক্ষ নিতাই চন্দ্ৰ ৰায়ে প্ৰমাণ পত্ৰ বিতৰণ কৰে।

# বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ সোণালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ 'ভাগৱত জ্যোতি' উন্মোচন



**অসম বাৰ্তা, চেঙা, ২৫ আগষ্ট ঃ** নগাঁও ৰস মন্দিৰত বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা স্মৃতি গ্ৰন্থ 'ভাগৱত জ্যোতি' আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। পাঁচ দশকজোৰা গৌৰৱোজ্জ্বল যাত্ৰাৰ স্মৃতি সংৰক্ষণৰ উদ্দেশ্যে প্ৰকাশ কৰা স্মৃতি গ্ৰন্থখন উন্মোচন কৰে কাল শিলা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত কুসুম কুমাৰ মহন্তই। বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰই বিগত ৫০ বছৰে ভাগৱত অধ্যয়ন, আধ্যাত্মিক চিন্তা-চৰ্চা আৰু বৈষ্ণৱ সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই দীঘলীয়া যাত্ৰাৰ বিভিন্ন স্মৰণীয় ঘটনা, কাৰ্যসূচী আৰু অধ্যয়ন চক্ৰটোৰ সৈতে জড়িত ব্যক্তিসকলৰ অৱদান 'ভাগৱত জ্যোতি' স্মৃতি গ্ৰন্থখনত সন্নিৱিষ্ট কৰা হৈছে। নগাঁও ৰস মন্দিৰত অনুষ্ঠিত স্মৃতি গ্ৰন্থ উন্মোচনী অনুষ্ঠানত আধ্যাত্মিক পৰিৱেশৰ মাজত গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। অনুষ্ঠানত উপস্থিত থকা ভক্ত, শুভাকাংক্ষী আৰু অধ্যয়ন চক্ৰটোৰ সৈতে জড়িত বিভিন্ন ব্যক্তিয়ে সোণালী জয়ন্তী বৰ্ষৰ এই বিশেষ মুহূৰ্তক লৈ সন্তুষ্টি প্ৰকাশ কৰে। গ্ৰন্থখন উন্মোচন কৰি কাল শিলা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত কুসুম কুমাৰ মহন্তই ভাগৱত অধ্যয়নৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। বৰ্তমান সময়ত সমাজত নৈতিকতা, মানৱীয়তা, ভাতৃত্ববোধ আৰু আধ্যাত্মিক চেতনাৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে বুলি উল্লেখ কৰি তেওঁ ভাগৱত অধ্যয়নে মানুহৰ জীৱনক সুপথে পৰিচালিত কৰাত সহায় কৰে বুলি মন্তব্য কৰে। তেওঁ কয় যে ভাগৱত কেৱল এখন ধৰ্মীয় গ্ৰন্থ নহয়; ইয়াৰ মাজত মানৱ জীৱনৰ নৈতিকতা, কৰ্তব্য, ভক্তি আৰু মানৱীয় মূল্যবোধৰ বহু গুৰুত্বপূৰ্ণ শিক্ষা নিহিত হৈ আছে। সেয়েহে নৱপ্ৰজন্মৰ মাজত ভাগৱত অধ্যয়নৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰা আৰু মহাপুৰুষীয়া বৈষ্ণৱ আদৰ্শৰ সৈতে তেওঁলোকক পৰিচিত কৰোৱাটো অত্যন্ত প্ৰয়োজনীয়। স্মৃতি গ্ৰন্থ 'ভাগৱত জ্যোতি'ত বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ প্ৰতিষ্ঠাৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে বিভিন্ন সময়ৰ কাৰ্যকলাপ আৰু উল্লেখযোগ্য ঘটনাৰ তথ্য সন্নিৱিষ্ট কৰা হৈছে। লগতে অধ্যয়ন চক্ৰটোৰ সৈতে জড়িত ব্যক্তি আৰু শুভাকাংক্ষীসকলৰ স্মৃতিচাৰণমূলক লেখা, আধ্যাত্মিক চিন্তা-চৰ্চা আৰু বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ লেখা গ্ৰন্থখনত স্থান লাভ কৰিছে। উল্লেখযোগ্য যে বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ ৫০ বছৰীয়া এই যাত্ৰাই অঞ্চলটোৰ ধৰ্মীয় আৰু সামাজিক জীৱনত এক বিশেষ স্থান দখল কৰি আহিছে। নিয়মীয়াকৈ ভাগৱত পাঠ, আলোচনা আৰু বিভিন্ন ধৰ্মীয়-সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে অধ্যয়ন চক্ৰটোৱে সমাজত আধ্যাত্মিক পৰিৱেশ গঢ়ি তোলাত অৰিহণা যোগাই আহিছে। সোণালী জয়ন্তী বৰ্ষৰ এই স্মৰণীয় ক্ষণত প্ৰকাশিত 'ভাগৱত জ্যোতি' ভৱিষ্যৎ প্ৰজন্মৰ বাবে বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ ৫০ বছৰীয়া ঐতিহ্য আৰু পৰম্পৰাৰ এক মূল্যবান দলিল হিচাপে বিবেচিত হ'ব বুলি আশা প্ৰকাশ কৰা হয়। নগাঁও ৰস মন্দিৰত অনুষ্ঠিত এই গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ জৰিয়তে অধ্যয়ন চক্ৰটোৰ সোণালী যাত্ৰাৰ এক নতুন অধ্যায়ৰ সূচনা হোৱা বুলি উপস্থিতসকলে মত প্ৰকাশ কৰে।

# ৰহাত আৰম্ভ "নামঘৰ তীৰ্থযাত্ৰা-০২৬"; শতাধিক লোকৰ অংশগ্ৰহণ

**অসম বাৰ্তা, ৰহা, ২৫ আগষ্ট ঃ** নামঘৰীয়া সংস্কৃতিক জীয়াই ৰখা, নৱপ্ৰজন্মক নামঘৰমুখী কৰা আৰু সত্ৰীয়া সংস্কৃতিৰ লগত জড়িত প্ৰতিগৰাকী শিল্পীকে উপযুক্ত সন্মান দিয়াৰ মহৎ লক্ষ্যৰে ৰহা সমষ্টি কণ্ঠমঞ্চৰ উদ্যোগত এক ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰা হৈছে। দেওবাৰৰ পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে ৰহাত আৰম্ভ কৰা হৈছে "নামঘৰ তীৰ্থযাত্ৰা - ২০২৬" কাৰ্যসূচী। পৱিত্ৰ ভাদ মাহৰ পৱিত্ৰ ক্ষণত ৰহাৰ পূৰ টোপাকুছি বৰনামঘৰত নাম-প্ৰসঙ্গৰে এই তীৰ্থযাত্ৰাৰ শুভাৰম্ভ কৰে নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই আয়ুক্তগৰাকীয়ে তেওঁৰ ভাষণত কয় যে আজিৰ যুৱ প্ৰজন্ম মোবাইলৰ পৰা আঁতৰি নামঘৰমুখী হ'ব লাগে আৰু আমাৰ চহকী সত্ৰীয়া সংস্কৃতিৰ বিষয়ে জানিব লাগে। ৰহা সমষ্টি কণ্ঠমঞ্চৰ এই পদক্ষেপক তেওঁ শলাগ লয়। এই শুভাৰম্ভণি অনুষ্ঠানতে নামঘৰৰ লগত দীৰ্ঘদিন ধৰি জড়িত হৈ থকা এগৰাকী বয়োজ্যেষ্ঠ শিল্পীক সম্বৰ্ধনা জনোৱা হয়। এই "নামঘৰ তীৰ্থযাত্ৰা" দলে প্ৰতিদিনে ভাগৱত শোভাযাত্ৰা কৰি ৰহা সমষ্টিৰ এখন এখনকৈ নামঘৰত প্ৰৱেশ কৰিব। তাত নাম-প্ৰসঙ্গ কৰাৰ লগতে যুৱ প্ৰজন্মক নামঘৰমুখী কৰাত উদ্বুদ্ধ কৰিব আৰু নামঘৰৰ ডবা বাদক, নাগাৰা বাদক, নাম লগোৱা, পাঠক আদিৰ দৰে ন্যূনতম শিল্পীজনকো মঞ্চত সন্মান প্ৰদান কৰিব। ৰহা সমষ্টি কণ্ঠমঞ্চৰ এই ব্যতিক্ৰমী আৰু প্ৰশংসনীয় প্ৰয়াসত ৰহা অঞ্চলৰ শতাধিক ভক্তপ্ৰাণ ৰাইজ, যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

# চামগুৰিৰ কাৰৈমাৰীত কংগ্ৰেছৰ ভেঁটিত কঁপনি; শতাধিকৰ বিজেপিত যোগদান

**অসম বাৰ্তা, ৰূপহীহাট, ২৫ আগষ্ট ঃ** সমাগত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি চামগুৰি বিধানসভা সমষ্টিত ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। ইয়াৰ মাজতে আজি কাৰৈমাৰী গাঁও পঞ্চায়তত ভাৰতীয় জনতা পাৰ্টিৰ উদ্যোগত এক গুৰুত্বপূৰ্ণ সাংগঠনিক সভা অনুষ্ঠিত হয়। চামগুৰি মণ্ডল বিজেপিৰ সভাপতি আৰিফুল কালামৰ উপস্থিতিত অনুষ্ঠিত সভাখনত দলৰ সাংগঠনিক স্থিতি শক্তিশালী কৰাৰ লগতে আগন্তুক উপ-নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে বিস্তৃত মত-বিনিময় কৰা হয়। সভাত বিশেষকৈ বুথ পৰ্যায়ত দলীয় সাংগঠনিক কাম-কাজ অধিক সক্ৰিয় কৰা, সাধাৰণ ভোটাৰৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলা আৰু নিৰ্বাচনক কেন্দ্ৰ কৰি দলৰ ভেটি অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইফালে, সভাখনৰ অন্যতম উল্লেখযোগ্য দিশ হিচাপে কংগ্ৰেছ দলৰ শতাধিক নেতা-কৰ্মীয়ে বিজেপি দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। বিজেপিৰ নীতি-আদৰ্শ আৰু নেতৃত্বৰ প্ৰতি আস্থা প্ৰকাশ কৰি নৱাগতসকলে দলটোত যোগদান কৰা বুলি দলীয় সূত্ৰে জানিবলৈ দিয়ে। নতুনকৈ বিজেপিত যোগদান কৰা কৰ্মীসকলক দলৰ তৰফৰ পৰা উষ্ম আদৰণি জনোৱাৰ লগতে তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণে আগন্তুক দিনত দলৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰিছে। অনুষ্ঠানত চামগুৰি মণ্ডল বিজেপিৰ বিষয়ববীয়া, বিভিন্ন বুথৰ সভাপতি, জ্যেষ্ঠ দলীয় নেতা-কৰ্মী আৰু কাৰৈমাৰী অঞ্চলৰ বহু সংখ্যক বিজেপি কৰ্মী উপস্থিত থাকে। সমাগত উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি কাৰৈমাৰী গাঁও পঞ্চায়তত বিজেপিৰ এই সাংগঠনিক তৎপৰতা আৰু কংগ্ৰেছ কৰ্মীৰ যোগদানে অঞ্চলটোৰ ৰাজনৈতিক পৰিৱেশত নতুন মাত্ৰা সংযোজন কৰিছে।

# হাজোত শিক্ষা হিতৈষী কান্দাৰাম ভৰালীৰ প্ৰতিমূৰ্তি স্থাপনৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি

**অসম বাৰ্তা, হাজো, ২৫ আগষ্ট ঃ** বৈষ্ণৱোত্তৰ কালৰ পণ্ডিত অনন্ত কন্দলী আৰু ৰাম সৰস্বতীৰ স্মৃতি বিজড়িত ঐতিহাসিক হাজো ভূমিত আধুনিক শিক্ষাৰ বীজ সিচোঁতা শিক্ষাহিতৈষী তথা সমাজ সংস্কাৰক কান্দাৰাম ভৰালীৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে দানবীৰ কান্দাৰাম ভৰালীৰ এটি ব্ৰঞ্জৰ প্ৰতিমূৰ্তি তেওঁৰেই মানস সন্তান "হাজো শিক্ষা বিস্তাৰ সমিতিৰ কান্দাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়" চৌহদত স্থাপনৰ উদ্দেশ্যে নিৰ্মাণ কাৰ্যৰ আজি শুভাৰম্ভ কৰা হয়। আজি দিনৰ ১১ বজাত হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক শ্ৰীযুত প্ৰকাশ চন্দ্ৰ দাসে প্ৰতিমূৰ্তি স্থাপনৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি কৰি কয় যে কান্দাৰাম ভৰালীদেৱৰ অৱদান আমাৰ সমাজখনৰ বাবে বিশেষকৈ বৃহত্তৰ অবিভক্ত হাজো অঞ্চলৰ বাবে সদায়েই স্মৰণীয়। তেখেতৰ ত্যাগ, মহানুভৱতা, আদৰ্শ আৰু কৰ্মৰাজিয়ে নতুন প্ৰজন্মক



দায়িত্ববোধ, নিষ্ঠা আৰু সমাজৰ প্ৰতি দায়বদ্ধতাৰে আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা যোগাই আহিছে। এই মহান ব্যক্তি গৰাকীৰ স্মৃতিক যুগমীয়া কৰি ৰখাৰ লগতে ছাত্ৰ-ছাত্ৰী তথা ভৱিষ্যৎ প্ৰজন্মক তেখেতৰ জীৱন আৰু আদৰ্শৰ সৈতে পৰিচিত কৰোৱাৰ এক সুন্দৰ পদক্ষেপ হিচাপে এই প্ৰতিমূৰ্তিটো স্থাপন কৰা হ'ব। মাংগলিক ৰীতি-নীতিৰে প্ৰতিমূৰ্তিৰ শিলান্যাস স্থাপন অনুষ্ঠানৰ আদৰণি ভাষণ ৰাখে প্ৰতিমূৰ্তি স্থাপন সমিতিৰ সভাপতি মোহন চন্দ্ৰ মালাকাৰে। সম্পাদক দিপাংকৰ মজুমদাৰে আঁত ধৰা অনুষ্ঠানটোত হয়গ্ৰীৱ মাধৱ মন্দিৰ পৰিচালনা সমিতিৰ দলৈ শিৱপ্ৰসাদ শৰ্মা, ডেকা দলৈ নৱ কুমাৰ শৰ্মা, বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাৱধায়ক প্ৰদীপ চন্দ্ৰ ডেকা, "হাজো ৰাইজ সমিতি"ৰ সভাপতি নৃপেন কুমাৰ দাস, সম্পাদক মহিম কুমাৰ দাস, অৱসৰী শিক্ষক ধনেশ্বৰ দাস, বুলুপ্ৰভা মালাকাৰ, হাজো জ্যেষ্ঠ নাগৰিক সুৰক্ষা মঞ্চৰ সভাপতি হাঁহিৰাম কলিতা, প্ৰতিমূৰ্তি স্থাপন সমিতিৰ কাৰ্যকৰী সভাপতি শৰৎ নায়ক, নগেন মালাকাৰ, নৃপেন মেধি, মৃণাল কুমাৰ দাস, হৰেন চন্দ্ৰ দাস, মনোজ মেধি, ভবানন্দ আঠপৰীয়া, মদন মোহন দাস, ধ্ৰুৱজ্যোতি মালাকাৰ, কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাস, হাজো ক্ৰীড়া সন্থাৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ দাস, হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক নিপু কলিতা, হাজো শিক্ষা বিস্তাৰ সমিতিৰ কান্দাৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ লগতে হাজোবাসী ৰাইজে স্বতঃস্ফূৰ্তভাৱে প্ৰতিমূৰ্তি স্থাপনৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। কান্দাৰাম ভৰালী প্ৰতিমূৰ্তি স্থাপন সমিতিয়ে অহা নৱেম্বৰ মাহত প্ৰতিমূৰ্তিটো উন্মোচন কৰা হ'ব বুলি জানিবলৈ দিয়ে।

# ৫০০ পেলনীয়া প্লাষ্টিকৰ বটলেৰে নিৰ্মাণ কৰিলে নাও

**অসম বাৰ্তা, দেৰগাঁও, ২৫ আগষ্ট ঃ** পেলনীয়া প্লাষ্টিকৰ বটল পুনৰ ব্যৱহাৰ কৰি ব্যতিক্ৰমী নাও নিৰ্মাণ কৰি চৰ্চালৈ আহিছে দেৰগাঁৱৰ জৰাগুৰিৰ বাবুল দাস। প্ৰায় ৫০০টা পেলনীয়া প্লাষ্টিকৰ বটল ব্যৱহাৰ কৰি বাবুল দাসে নিৰ্মাণ কৰি উলিয়াইছে এই অভিনৱ নাওখন। পেলনীয়া সামগ্ৰী পুনৰ ব্যৱহাৰৰ জৰিয়তে নিৰ্মাণ কৰা নাওখনে স্থানীয় ৰাইজৰ মাজত কৌতূহলৰ সৃষ্টি কৰিছে। প্লাষ্টিকৰ আৱৰ্জনা পুনৰ ব্যৱহাৰ কৰি এনে এক অভিনৱ প্ৰয়াসে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰতো এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে।

মৃতদেহটো জাগুন ৰামপুৰৰ নাগেন্দ্ৰ কাপুৰ বুলি চিনাক্ত

# টিৰাপ নৈত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা বিশেষ, জাগুন, ২৫ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ লেখাপানী আৰক্ষী থানাৰ অন্তৰ্গত টিৰাপ নৈৰ ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী দলঙৰ তলত আজি উদ্ধাৰ হয় এটা মৃতদেহ। উদ্ধাৰ হোৱা মৃতদেহতো জাগুন ৰামপুৰৰ নাগেন্দ্ৰ কাপুৰ (৬০) বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা অনুসৰি আজি পুৱাৰ ভাগতে টিৰাপ নৈত গা ধুবলৈ গৈছিল লোক জন। গা ধুবলৈ যোৱাৰ পিছৰে পৰাই সন্ধানহীন হৈ আছিল লোকজন। পৰিয়ালৰ লোকে বিচাৰ খোচাৰ কৰিও লোক জনৰ সন্ধান উলিয়াব পৰা নাছিল। পৰৱৰ্তী সময়ত স্থানীয় লোকে টিৰাপ নৈৰ দলঙৰ তলত পানীত ওপঙি থকা অৱস্থাত লোক জনৰ মৃতদেহ প্ৰত্যক্ষ কৰে। ইতিমধ্যে লেখাপানী আৰক্ষীয়ে লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰুণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# মাজুলীৰ ইউ এম কে মহাবিদ্যালয় 'কেটেগৰী-এ' মহাবিদ্যালয় হিচাপে নিৰ্বাচিত

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ আগষ্ট ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ আগশাৰীৰ শিক্ষানুষ্ঠান উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ক MY Bharat - National Sports Day 2026 উপলক্ষে আয়োজিত "Khelo India Samvaad" কাৰ্যসূচীৰ বাবে মাজুলী জিলাৰ 'কেটেগৰী-এ' মহাবিদ্যালয় হিচাপে নিৰ্বাচিত কৰা হৈছে। দেশৰ যুৱ সমাজক ক্ৰীড়া, শাৰীৰিক সুস্থতা, অনুশাসন আৰু সুস্থ জীৱনশৈলীৰ প্ৰতি উৎসাহিত কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস, ২০২৬ উপলক্ষে অহা ২৭ আগষ্টত এই বিশেষ কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানৰ জৰিয়তে ভাৰতৰ মাননিয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ যুৱ সমাজৰ সৈতে ভাৰ্চুৱেল মাধ্যমযোগে মত-বিনিময় কৰিব। মাননিয় প্ৰধানমন্ত্ৰীৰ সুস্থ, অনুশাসিত আৰু ক্ৰীড়াপ্ৰেমী ভাৰত গঢ়াৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি তথা দেশৰ উন্নয়নৰ কাৰ্যসূচীত যুৱ সমাজৰ আকাংক্ষাক মুখ্য স্থান দিয়াৰ লক্ষ্যৰে এই কাৰ্যসূচী আয়োজন কৰা হৈছে। ইউ এম কে মহাবিদ্যালয়ত উক্ত কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত কৰাৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰয়োজনীয় প্ৰস্তুতি গ্ৰহণ কৰিছে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই ঐতিহাসিক কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব। এই বিষয়ে জানিবলৈ দিয়ে উজনী মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ, NSS Programme Officer দীপাংক শইকীয়াই।

# মধ্য অসমক বানমুক্ত আৰু খৰাংমুক্ত কৰাৰ দাবীত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, ৰহা, ২৫ আগষ্ট ঃ** মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ৰহা আঞ্চলিক সমিতিয়ে আজি কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে ৰহা সমজিলাৰ আয়ুক্তৰ জৰিয়তে অসমৰ সন্মানীয় বন মন্ত্ৰী আৰু সন্মানীয় মুখ্যমন্ত্ৰীলৈ চাৰি দফীয়া দাবীৰে এখন স্মাৰক পত্ৰ প্ৰদান কৰে। সংগঠনটোৰ দাবীসমূহ হ'ল - ১) পাহাৰ খনন কাৰ্য অতি শীঘ্ৰে বন্ধ কৰিব লাগে, ২) কপিলী, কলং আৰু ব্ৰহ্মপুত্ৰৰ মথাউৰি সমূহ বিজ্ঞানসন্মত ভাৱে নিৰ্মাণ কৰিব লাগে, ৩) অসমৰ বানপানী সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিব লাগে আৰু ৪) প্ৰস্তাৱিত কাজিৰঙা ইক' ছেন্সিটিভ জ'ন সংকোচিত কৰাৰ প্ৰস্তাৱ বাতিল কৰিব লাগে। সন্থাই কয়, "কাজিৰঙা কেৱল অৰণ্য নহয়, কাজিৰঙা অসমৰ সেউজীয়া আত্মা। কাজিৰঙাক কাজিৰঙা হৈ থাকিবলৈ দিয়ক।" ইয়াৰ উপৰিও সংগঠনটোৱে জনায় যে বৰ্তমান মধ্য অসমৰ বহু কৃষি ভূমিত পানীৰ অভাৱত কৃষকে খেতি কৰিব পৰা নাই। সেয়ে মধ্য অসমক খৰাং অঞ্চল হিচাপে ঘোষণা কৰি কৃষকক তাৎক্ষণিক সাহায্য দিব লাগে। লগতে কলং আৰু কপিলী নদীত থকা বিকল Lift Irrigation System (LIS) সমূহ শীঘ্ৰে মেৰামতি কৰি কৃষকলৈ পানী যোগান ধৰিবলৈ দাবী জনায়। আজিৰ এই কাৰ্যসূচীত নগাঁও জিলা সমিতিৰ সম্পাদক অবিনাশ বৰা, ৰহা আঞ্চলিকৰ সভাপতি মনোজ ডেকা, সম্পাদক বৃন্দাবন বৰাৰ লগতে বহু সতীৰ্থ উপস্থিত থাকে।

# তিনিচুকীয়া জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সাৰৰ খুচুৰা বিক্ৰেতাসকলৰ লগত "সাৰ বিক্ৰীৰ ৰূপৰেখা" (FFS) এপ্‌ৰ ওপৰত জিলা আয়ুক্তৰ মত-বিনিময় অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৫ আগষ্ট ঃ** সমগ্ৰ ৰাজ্যৰ লগতে তিনিচুকীয়া জিলাতো অতি সোনকালে (Framework for Fertilizer Sale - FFS) এপ্লিকেচন কাৰ্যকৰী হ'ব। সেই উদ্দেশ্যে আগত ৰাখি আজি তিনিচুকীয়া জিলা আয়ুক্তৰ সভাকক্ষত জিলাখনৰ সাৰ বিক্ৰেতাসকলৰ লগত জিলা আয়ুক্ত সুমিত সাত্তাৱানৰ এক মতবিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) জাংমিৰ ৰংফাৰপিয়ে আঁত ধৰা সভাখনত (Framework for Fertilizer Sale - FFS) এপ্লিকেচনৰ পদ্ধতিৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰে জিলা কৃষি বিষয়া ৰজিত দত্তই। আনহাতে উক্ত প্ৰক্ৰিয়াটোৰ জৰিয়তে কৃষকসকলে কৰা আগতীয়া বুকিঙৰ বিষয়ে অৱগত হৈ খুচুৰা বিক্ৰেতাসকলে কৃষকসকলক যাতে সময়মতে প্ৰায়োজনীয় সাৰ যোগান ধৰিব পাৰে তাৰ বাবে সুব্যৱস্থা কৰিবলৈ জিলা আয়ুক্ত সুমিত সাত্তাৱানে আহ্বান জনায়। উল্লেখযোগ্য যে, উক্ত সভাত সাৰৰ খুচুৰা বিক্ৰেতাসকলৰ লগতে জিলা কৃষি বিভাগৰ সহকাৰী কৃষি সঞ্চালক, মহকুমা কৃষি বিষয়া, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া, কৃষি উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

**প্ৰায় ৬৪.৭৫ লাখ টকা ব্যয় সাপেক্ষে ১৪টা হাতী নিৰীক্ষণ মঞ্চ আৰু কৃষক জিৰণি চ'ৰা নিৰ্মাণৰ পৰিকল্পনা**

# নুমলীগড়ত হাতী-মানুহৰ সহাৱস্থানৰ লক্ষ্যৰে NRLৰ বিশেষ পদক্ষেপ

**অসম বাৰ্তা, নুমলীগড়, ২৫ আগষ্ট ঃ** বৃহত্তৰ নুমলীগড়ত হাতী-মানুহৰ সংঘাত দিনক দিনে বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি নুমলীগড় শোধনাগাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। বৃহত্তৰ নুমলীগড়- আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত ক্ৰমাৎ বৃদ্ধি পোৱা মানুহ আৰু বনৰীয়া হাতীৰ সংঘাত হ্ৰাস কৰাৰ লক্ষ্যৰে নুমলীগড় শোধনাগাৰ লিমিটেডে (NRL) এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। হাতীৰ গতিবিধি নিৰীক্ষণ আৰু স্থানীয় ৰাইজক আগতীয়াকৈ সতৰ্ক কৰাৰ উদ্দেশ্যে বনৰীয়া হাতীৰ সঘন আহ যাহ হোৱা অঞ্চলসমূহত মুঠ ১৪টা হাতী নিৰীক্ষণ মঞ্চ নিৰ্মাণৰ পৰিকল্পনা হাতত লৈছে। প্ৰাপ্ত তথ্য অনুসৰি, এই প্ৰকল্পৰ বাবে মুঠ আনুমানিক ব্যয় প্ৰায় ৬৪.৭৫ লাখ টকা। ধলাগাঁও, ২নং কৈৱৰ্ত, বগৰিয়নী, কুৰুৱাবাহী, ধূলিয়াগাঁও, ৫নং ৰংবং, ৪নং ৰংবং, বৰচাপৰি, মিঠামচাপৰি, পংকা, চেঙামৰাজান, হাতীমৰাজান, ডিফলুপথাৰ, ভোলাগুৰি আৰু কৰদৈগুৰি আদি হাতী-প্ৰৱণ অঞ্চলত এই নিৰীক্ষণ মঞ্চসমূহ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। এই নিৰীক্ষণ মঞ্চসমূহৰ জৰিয়তে বনৰীয়া হাতীৰ গতিবিধি নিয়মীয়াকৈ নিৰীক্ষণ কৰাৰ লগতে হাতীৰ দল জনাঞ্চল, কৃষিভূমি বা চাহ বাগিচাৰ কাষ চাপি অহাৰ আগতেই স্থানীয় ৰাইজ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক সতৰ্ক কৰাৰ সুযোগ সৃষ্টি কৰা হ'ব। বিশেষকৈ সন্ধিয়া আৰু নিশাৰ সময়ত হাতীৰ চলাচলৰ তথ্য আগতীয়াকৈ লাভ কৰাটো সংঘাত প্ৰতিৰোধৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, প্ৰস্তাৱিত নিৰীক্ষণ মঞ্চসমূহত পৰিৱেশ অনুকূল ব্যৱস্থাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। সৌৰশক্তিৰ জৰিয়তে পোহৰ আৰু পাংখা চলোৱাৰ লগতে পানী গৰম কৰাৰ সুবিধা সংযোজনৰ পৰিকল্পনা কৰা হৈছে। ইয়াৰ ফলত বিদ্যুৎ সংযোগৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ লগতে নবীকৰণযোগ্য শক্তিৰ ব্যৱহাৰো উৎসাহিত হ'ব। এই নিৰীক্ষণ মঞ্চ সমূহ কেৱল হাতী নিৰীক্ষণৰ কামতে সীমাবদ্ধ নাথাকি ইয়াত কৃষকসকলৰ বাবে বিশ্ৰামৰ স্থান হিচাপেও ব্যৱহাৰ কৰিব পৰা ধৰণে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে। কৃষিভূমিত কাম কৰা কৃষকসকলে প্ৰয়োজন অনুসৰি কিছু সময় বিশ্ৰাম লোৱাৰ লগতে বিশুদ্ধ খোৱা পানীৰ সুবিধা লাভ কৰিব পাৰিব। ইয়াৰ উপৰি বৃহত্তৰ নুমলীগড় অঞ্চলৰ কৃষিভূমি, চাহ বাগিচা, প্ৰাকৃতিক পৰিৱেশ আৰু হাতীৰ বিচৰণক্ষেত্ৰক কেন্দ্ৰ কৰি ভৱিষ্যতে কৃষি-পৰ্যটনৰ সম্ভাৱনাও বিবেচনা কৰা হৈছে। সঠিক পৰিকল্পনা আৰু ব্যৱস্থাপনাৰ জৰিয়তে এই নিৰীক্ষণ মঞ্চসমূহে অঞ্চলটোৰ গ্ৰাম্য আন্তঃগাঁথনিৰ এক বহুমুখী ৰূপ লাভ কৰাৰ সম্ভাৱনা আছে। নুমলীগড়-মৰঙি অঞ্চলত বনাঞ্চল, কৃষিভূমি, চাহ বাগিচা আৰু জনবসতি পূৰ্ণ অঞ্চল প্ৰায় ওচৰা-ওচৰিকৈ অৱস্থিত। খাদ্য আৰু পানীৰ সন্ধানত হাতী জনাঞ্চলৰ কাষ চাপি অহাৰ ফলত বিভিন্ন সময়ত মানুহ আৰু হাতীৰ মুখামুখি হোৱাৰ পৰিস্থিতিৰ সৃষ্টি হয়। এনে পৰিপ্ৰেক্ষিতত হাতীৰ গতিবিধি আগতীয়াকৈ নিৰীক্ষণ কৰি সতৰ্কতা জাৰি কৰাৰ ব্যৱস্থা শক্তিশালী কৰাটো অতি গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। হাতী-মানুহৰ সংঘাত হ্ৰাসৰ ক্ষেত্ৰত নিৰীক্ষণ ব্যৱস্থাৰ লগতে বন বিভাগৰ সক্ৰিয় ভূমিকা, স্থানীয় ৰাইজৰ সজাগতা আৰু সময়মতে তথ্য আদান-প্ৰদান কৰাৰ বাবে অত্যন্ত প্ৰয়োজনীয় হ'ব এই মঞ্চসমূহ। হাতীৰ উপস্থিতিৰ বিষয়ে তথ্য লাভ কৰিলে ৰাইজে হাতীৰ কাষলৈ যোৱা, হাতীক উত্তেজিত কৰা বা ভিৰ কৰা পৰিহাৰ কৰি সংশ্লিষ্ট বন বিভাগক অৱগত কৰাৰ সুবিধা হ'ব। মানুহৰ সুৰক্ষাৰ সমান্তৰালভাৱে বনৰীয়া হাতীৰ সুৰক্ষাও নিশ্চিত কৰাটো এই পদক্ষেপৰ অন্যতম গুৰুত্বপূৰ্ণ লক্ষ্য। নিৰীক্ষণ, আগতীয়া সতৰ্কীকৰণ, জনসচেতনতা আৰু সংশ্লিষ্ট বিভাগসমূহৰ সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে বৃহত্তৰ নুমলীগড় অঞ্চলত মানুহ আৰু বনৰীয়া হাতীৰ মাজত অধিক নিৰাপদ সহাৱস্থান গঢ়ি তোলাৰ ক্ষেত্ৰত এই উদ্যোগে ইতিবাচক ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

# সংৰক্ষণৰ অভাৱত জহি-খহি গৈছে দেৰগাঁৱৰ ঐতিহাসিক 'পেৰাচ্যুট বিল্ডিং'



**অসম বাৰ্তা, দেৰগাঁও, ২৫ আগষ্ট ঃ** দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ দেৰগাঁৱৰ এক গুৰুত্বপূৰ্ণ ঐতিহাসিক স্মৃতি 'পেৰাচ্যুট বিল্ডিং'আজি সংৰক্ষণৰ অভাৱত জহি-খহি যোৱাৰ উপক্ৰম হৈছে। পিটিচিৰ মীন মহলৰ কাষত অৱস্থিত এই দুমহলীয়া ঐতিহাসিক অট্টালিকাটো ১৯৪৩ চনত নিৰ্মাণ কৰা হৈছিল বুলি ঐতিহাসিক তথ্যত উল্লেখ আছে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বৃটিছ চৰকাৰে কপাহতলি পথাৰ অধিগ্ৰহণ কৰি পেৰাচ্যুট লেণ্ডিং গ্ৰাউণ্ড নিৰ্মাণ কৰিছিল। এই কামৰ দায়িত্বত আছিল আমেৰিকান মেজৰ কাৰ্চন আৰু ইংৰাজ ৰিডল চাহাব। ১৯৪৩ চনলৈকে কপাহতলি পথাৰ লেণ্ডিং গ্ৰাউণ্ডলৈ ৰূপান্তৰিত হৈছিল। সেই সময়তে পিটিচিৰ মীন মহলৰ কাষত নিৰ্মাণ কৰা হৈছিল এই দুমহলীয়া অট্টালিকাটো। স্থানীয়ভাৱে 'পেৰাচ্যুট বিল্ডিং' নামেৰে পৰিচিত এই ভৱনটোৰ সৈতে দ্বিতীয় বিশ্বযুদ্ধৰ স্মৃতি জড়িত হৈ আছে। সামৰিক বিমানৰ পৰা পেৰাচ্যুটেৰে সেনা অৱতৰণৰ সৈতে এই স্থানৰ সম্পৰ্ক থকাৰ বাবেই অট্টালিকাটোৰ নাম 'পেৰাচ্যুট বিল্ডিং' হোৱা বুলি ধাৰণা কৰা হয়। ডালিম চন্দ্ৰ পাঠকৰ 'দেৰগাঁৱৰ চমু পৰিচয়' গ্ৰন্থতো এই ঐতিহাসিক স্থানৰ বিষয়ে উল্লেখ পোৱা যায়। বৰ্তমান ভৱনটোৰ অৱস্থা অতি জৰাজীৰ্ণ। ওপৰৰ অংশ মুকলি হৈ থকাৰ লগতে সমগ্ৰ অট্টালিকাটো পৰিত্যক্ত অৱস্থাত পৰি আছে। ইয়াৰ ফলত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ দেৰগাঁৱৰ এক গুৰুত্বপূৰ্ণ ঐতিহাসিক স্মৃতি ক্ৰমাৎ হেৰাই যোৱাৰ আশংকা দেখা দিছে। স্থানীয় ৰাইজে ঐতিহাসিক ভৱনটো সংৰক্ষণৰ বাবে শীঘ্ৰে পদক্ষেপ গ্ৰহণৰ দাবী জনাইছে। মূল গাথনি অক্ষুণ্ণ ৰাখি ভৱনটো মেৰামতি, ৰং আৰু সৌন্দৰ্যবৰ্ধনৰ ব্যৱস্থা কৰাৰ লগতে পকী বেৰা দি সুৰক্ষিত কৰিব পাৰি। লগতে ভৱনটোৰ ইতিহাস আৰু গুৰুত্ব উল্লেখ কৰি এখন তথ্যফলক স্থাপন কৰিলে স্থানটো পৰ্যটকৰ বাবেও আকৰ্ষণীয় ঐতিহাসিক স্মাৰক হিচাপে গঢ়ি তুলিব পৰা যাব। দ্বিতীয় বিশ্বযুদ্ধৰ সৈতে জড়িত দেৰগাঁৱৰ এই ঐতিহাসিক সম্পদ সংৰক্ষণৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই শীঘ্ৰে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।

# কামৰূপ জিলা প্ৰশাসন আৰু জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত স্পেইনৰ দত্তক গ্ৰহণকাৰী পিতৃ-মাতৃলৈ শিশুৰ আনুষ্ঠানিক হস্তান্তৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ আগষ্ট ঃ** কামৰূপ জিলা প্ৰশাসন আৰু জিলা শিশু সুৰক্ষা গোট (DCPU), কামৰূপৰ উদ্যোগত তথা বিশেষীকৃত দত্তক গ্ৰহণ সংস্থা (SAA), বকোৰ সহযোগত সোমবাৰে আমিনগাঁৱৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আনুষ্ঠানিকভাৱে আন্তঃৰাষ্ট্ৰীয় দত্তক গ্ৰহণ হস্তান্তৰ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত স্পেইনৰ পৰা অহা দত্তক গ্ৰহণকাৰী পিতৃ-মাতৃৰ হাতত এটি শিশুক আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰা হয়। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত কামৰূপ জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব শ্বৰীফ উদ্দিন আহমেদ পাঠান, অতিৰিক্ত জিলা আয়ুক্ত (সমাজ কল্যাণ) গীতাশ্ৰী লাচিত আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক পুনম পেগু উপস্থিত থাকে। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই দত্তক গ্ৰহণ বিধি, ২০২২ অনুসৰি এই আইনী প্ৰক্ৰিয়া সফলতাৰে সম্পন্ন হোৱাটোৱে ভাৰত আৰু স্পেইনৰ মাজৰ বন্ধুত্বপূৰ্ণ তথা সাংস্কৃতিক সম্পৰ্ক অধিক শক্তিশালী কৰাত অৰিহণা যোগাব বুলি উল্লেখ কৰে। শিশুটিয়ে এক সুখী আৰু মৰমময় পৰিৱেশত ডাঙৰ-দীঘল হোৱাৰ আশা প্ৰকাশ কৰি তেওঁ ভৱিষ্যতে শিশুটিয়ে অসমলৈ পুনৰ অহাৰ সুযোগ লাভ কৰিব বুলি আশা ব্যক্ত কৰে। জিলা আয়ুক্তগৰাকীয়ে দত্তক গ্ৰহণ প্ৰক্ৰিয়াটো সুচাৰুৰূপে সম্পন্ন কৰাত সহযোগিতা আগবঢ়োৱা সকলো বিভাগ, সংস্থা আৰু অংশীদাৰক কৃতজ্ঞতা জ্ঞাপন কৰে। লগতে স্পেইনৰ অনুমোদিত বিদেশী দত্তক গ্ৰহণ সংস্থাৰ প্ৰতিনিধি তথা অনুবাদক দিলীপ কুমাৰে দত্তক গ্ৰহণকাৰী পিতৃ-মাতৃ আৰু কৰ্তৃপক্ষৰ মাজত যোগাযোগ স্থাপন কৰাত আগবঢ়োৱা সহযোগিতাৰ বাবেও তেওঁ ধন্যবাদ জ্ঞাপন কৰে। কামৰূপ জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিবে সফল দত্তক গ্ৰহণ প্ৰক্ৰিয়াৰ সাক্ষী হ'বলৈ পাই আনন্দ প্ৰকাশ কৰে। অন্যহাতে, দত্তক গ্ৰহণকাৰী পিতৃ-মাতৃয়ে সমগ্ৰ প্ৰক্ৰিয়াটোত জিলা প্ৰশাসন আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। এই দত্তক গ্ৰহণ প্ৰক্ৰিয়াটো কিশোৰ ন্যায় (শিশুৰ যত্ন আৰু সুৰক্ষা) আইন, ২০১৫ (২০২১ চনত সংশোধিত) আৰু দত্তক গ্ৰহণ বিধি, ২০২২ৰ অধীনত নিৰ্ধাৰিত বিস্তৃত আইনী প্ৰক্ৰিয়াৰে সম্পন্ন কৰা হয়। সমগ্ৰ প্ৰক্ৰিয়াটো কেন্দ্ৰীয় দত্তক গ্ৰহণ সম্পদ প্ৰাধিকৰণ (CARA), ৰাজ্যিক দত্তক গ্ৰহণ সম্পদ সংস্থা (SARA), জিলা শিশু সুৰক্ষা গোট (DCPU), কামৰূপ, বিশেষীকৃত দত্তক গ্ৰহণ সংস্থা (SAA), বকো আৰু স্পেইনৰ অনুমোদিত বিদেশী দত্তক গ্ৰহণ সংস্থাৰ মাজত সমন্বয়ৰ জৰিয়তে সম্পন্ন কৰা হয়। আইনী প্ৰক্ৰিয়াৰ অংশ হিচাপে কামৰূপৰ শিশু কল্যাণ সমিতিয়ে ৩১ অক্টোবৰ, ২০২৫ তাৰিখে শিশুটিক আইনগতভাৱে দত্তক গ্ৰহণৰ বাবে মুক্ত ঘোষণা কৰে। ইয়াৰ পিছত দত্তক গ্ৰহণকাৰী পিতৃ-মাতৃয়ে ২৭ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে শিশুটোৰ প্ৰফাইল সংৰক্ষণ কৰে আৰু ২৭ মাৰ্চ, ২০২৬ তাৰিখে CARA-ই বিধিসন্মত আপত্তিবিহীন প্ৰমাণপত্ৰ (No Objection Certificate) জাৰি কৰে। ইয়াৰ পিছত SAA, বকোৱে Power of Attorney-ৰ জৰিয়তে প্ৰতিনিধিত্ব কৰি থকাৰ সময়ত কামৰূপৰ জিলা দণ্ডাধীশে ৭ মে', ২০২৬ তাৰিখে আনুষ্ঠানিক দত্তক গ্ৰহণ আদেশ জাৰি কৰে। পৰৱৰ্তী সময়ত শিশুটোৰ জন্ম প্ৰমাণপত্ৰ আৰু পাছপ'ৰ্টকে ধৰি প্ৰয়োজনীয় আনুষ্ঠানিকতা সম্পূৰ্ণ কৰাৰ পিছত সোমবাৰে শিশুটিক দত্তক গ্ৰহণকাৰী পিতৃ-মাতৃৰ হাতত আনুষ্ঠানিকভাৱে হস্তান্তৰ কৰা হয়। অনুষ্ঠানত ৰাজ্যিক শিশু সুৰক্ষা সমিতি, অসমৰ কাৰ্যসূচী পৰিচালক আৰু কাৰ্যসূচী বিষয়া, কামৰূপৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, জিলা সমাজ কল্যাণ বিষয়া, শিশু কল্যাণ সমিতি, বিশেষীকৃত দত্তক গ্ৰহণ সংস্থা, শিশু হেল্পলাইনৰ বিষয়াসকলৰ লগতে শিশু সুৰক্ষা আৰু দত্তক গ্ৰহণ প্ৰক্ৰিয়াৰ সৈতে জড়িত অন্যান্য সংশ্লিষ্ট অংশীদাৰসকল উপস্থিত থাকে।

# এজাক বৰষুণত কৃত্ৰিম বান; হাহাকাৰ পৰিস্থিতিত ভুগিছে লিডু, বৰগোলাইবাসী

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২৫ আগষ্ট ঃ** আজি পুৱতি নিশাৰ ভাগত অহা এজাক মুষলধাৰ বৰষুণে পুনৰ কৃত্ৰিম বানৰ সৃষ্টি কৰিলে তিনিচুকীয়া জিলাৰ লিডু, বৰগোলাই, মাৰ্ঘেৰিটাত। এতিয়া এজাক মুষলধাৰ বৰষুণ দিলেই কৃত্ৰিম বানৰ কবলত পৰে জিলাখনৰ অন্তৰ্গত মাৰ্ঘেৰিটা সমজিলাৰ অধীনস্থ লিডু, বৰগোলাই, মাৰ্ঘেৰিটাৰ একাধিক অঞ্চল। এজাক মুষলধাৰ বৰষুণে লিডু, বৰগোলাই, মাৰ্ঘেৰিটাত কৃত্ৰিম বানৰ সৃষ্টি কৰি আজি পুৱতি নিশাৰে পৰাজন জীৱন বিপৰ্যস্ত কৰি তোলে। ৮৩ নং মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ অন্তৰ্গত বৰগোলাইৰ নেফা টি ফেক্টৰী, বৰগোলাই ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প, লিডু বজাৰ, ইটাখোলাকে ধৰি কেইবা ঠাইতো ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত একাঠু পৰ্যন্ত পানী হৈ গাড়ী চালক, যাত্ৰী, চাইকেল আৰোহী, পথচাৰী সকলোকে বিপাঙত পেলোৱা পৰিলক্ষিত হয়। আজিৰ প্ৰবল বৃষ্টিপাতে সৃষ্টি কৰা কৃত্ৰিম বানপানীৰ ফলত লিডুৰ মাটিখাদ, ইটাখোলা, আনন্দপাৰা, লিডু বজাৰ, লিডু মহাবিদ্যালয়, লিডু কনিষ্ঠ মহাবিদ্যালয় অৱস্থিত এলেকাকে আদি কৰি বৰগোলাইৰো বহু কেইটা অঞ্চল পানীত ডুব যায়। আজি পুৱতি নিশাৰ ভাগত অহা মুষলধাৰ বৰষুণ জাকে বিশেষকৈ লিডুৰ মাটিখাদ, ইটাখোলা, আনন্দপাৰা, লিডু বজাৰ, লিডু মহাবিদ্যালয়, লিডু কনিষ্ঠ মহাবিদ্যালয় অৱস্থিত এলেকাৰ বাসগৃহ, ব্যৱসায়িক প্ৰতিষ্ঠান সমূহৰ ভিতৰলৈকে পানী সোমাই বিস্তৰ ক্ষতিসাধন কৰে। অঞ্চল কেইটাত চাৰিওফালে জলমগ্ন হৈ ইয়াৰ বাসিন্দা ব্যৱসায়ী সকল জলবন্দী হৈ পৰে। আজি পুৱতি নিশা অহা মুষলধাৰ বৰষুণ জাকে অঞ্চলটোত বসবাস কৰি অহা পৰিয়াল সমূহৰ বিস্তৰ ক্ষতিসাধন কৰে। মুষলধাৰ বৰষুণ জাকে হঠাতে সৃষ্টি কৰা কৃত্ৰিম বানে বহু পৰিয়ালৰ আচবাব পত্ৰ বিনষ্ট কৰাৰ লগতে পোহনীয়া জীৱ-জন্তু পৰ্যন্ত উটুৱাই লৈ যায়। ইপিনে অঞ্চলটোৰ কিছু কিছু ঠাইত আজি ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনীৰ জোৱান সকল উদ্ধাৰ অভিযানত নামিব লগীয়া হয়। বৰষুণৰ পানী সঠিক ভাৱে নিষ্কাশনৰ ব্যৱস্থা নথকাৰ বাবেই লিডু, বৰগোলাই, মাৰ্ঘেৰিটাৰ ভিন্ন অঞ্চলত এজাক মুষলধাৰ বৰষুণৰ পিছতে এনে কৃত্ৰিম বানপানী প্ৰায়ে দৃষ্টিগোচৰ হৈ আহিছে। এজাক মুষলধাৰ বৰষুণৰ পিছত অঞ্চল কেইটাৰ বাবে এয়া এক চিনাকি দৃশ্যলৈ ৰূপান্তৰিত হ'ব ধৰিছে। এজাক মুষলধাৰ বৰষুণৰ পিছতে লিডু, বৰগোলাই, মাৰ্ঘেৰিটাত সঘনাই এনে দৃশ্যৰ পুনৰাবৃত্তি হৈ অহা সত্ত্বেও কোনো এটা পক্ষই ইয়াৰ সুদূৰপ্ৰসাৰী বা স্থায়ী সমাধানৰ ক্ষেত্ৰত আজি পৰ্যন্ত কোনো এটা বিহীত ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। কৃত্ৰিম বানপানীয়ে প্ৰায়ে লিডু, বৰগোলাইৰ ভিন্ন অংশৰ ৰাষ্ট্ৰীয় ঘাইপথত পানী জমা হৈ যান বাহন চলাচলত ব্যাঘাত জন্মাই আহিছে। লিডুৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লিডু আৰক্ষী চকীৰ সন্মুখ ভাগ, লিডু সাপ্তাহিক বজাৰ আৰু লিডু ৰেলৱে ষ্টেচনৰ সমীপৰ লগতে বৰগোলাইস্থিত ক্ৰীড়া প্ৰকল্পৰ খেলপথাৰৰ কাষত ও বৰগোলাই নেফা চাহ ফেক্টৰীৰ ওচৰত বিগত কেইবা বছৰ ধৰি এজাক বৰষুণ দিলেই পানী জমা হৈ জলমগ্ন কৰি তোলে। অথচ উক্ত ঠাইৰ জমা হোৱা পানী ওলাই যোৱাৰ বাবে আজি পৰ্যন্ত কোনো এটা পক্ষই সু-ব্যৱস্থা গ্ৰহণ নকৰিলে। ফলত মুষলধাৰে এজাক বৰষুণ দিলেই ৰাষ্ট্ৰীয় ঘাইপথৰ উক্ত এলেকা সমূহ দীৰ্ঘ সময় ধৰি জলমগ্ন হৈ যাতায়াতত ব্যাঘাত জন্মায়। ৰাষ্ট্ৰীয় ঘাইপথৰ এনেয়ে অৱস্থা তথৈবচ, তাতে আকৌ বৰষুণৰ পানী জমা হৈ কৃত্ৰিম বান। ফলত এনে সময়চোৱা ৰাষ্ট্ৰীয় ঘাইপথ চোৱাৰ এই অংশ সমূহেৰে যাতায়াত কৰোঁতে ছাত্ৰ ছাত্ৰী অভিভাৱক ৰোগী চাকৰিয়ালকে ধৰি জনসাধাৰণে চৰম সংকটৰ সন্মুখীন হ'ব লগা হৈ আহিছে। লিডুৰ পাহাৰ অঞ্চলত বিগত কেইবা বছৰ ধৰি চলি অহা অবৈধ কয়লা খনন, উত্তৰ পূৱ কয়লা ক্ষেত্ৰ ক'ল ইণ্ডিয়া লিমিটেড মাৰ্ঘেৰিটাই তেওঁলোকৰ কয়লা ক্ষেত্ৰ সমূহৰ পৰা অপ্ৰয়োজনীয় পানীসমূহ নিষ্কাশনৰ বাবে পৰিকল্পিত যাৱতীয় নলা নৰ্দমাৰ ব্যৱস্থা নকৰাৰ ফলতে লিডুত কৃত্ৰিম বানপানী হৈ অহা বুলি বাসিন্দা সকলে দাবী কৰি আহিছে। আৰু যিবোৰ নলা নৰ্দমাৰে উদ্যোগ খণ্ডটোৰ পানী সমূহ নিষ্কাশন হৈ আহিছে সেই সমূহ নলা নৰ্দমাক ভালকৈ চাফা কৰি নিদিয়াৰ অভিযোগ উত্থাপিত হৈ আহিছে উদ্যোগ খণ্ডটোৰ বিৰুদ্ধে। লিডু বৰগোলাইত সঘনাই সৃষ্টি হৈ অহা কৃত্ৰিম বানৰ ইও এটা অন্যতম কাৰক ৰূপে চিহ্নিত হৈ আহিছে। তদুপৰি উত্তৰ পূৱ কয়লা ক্ষেত্ৰ ক'ল ইণ্ডিয়া লিমিটেড মাৰ্ঘেৰিটাৰ অবিজ্ঞান সন্মত ডাম্পিং ব্যৱস্থাৰ বাবেও নামনিৰ ৰাইজে এজাক মুষলধাৰ বৰষুণৰ পাছতে কৃত্ৰিম বানৰ কবলত পৰি জিয়াতু ভুগিবলগীয়া হৈ আহিছে বুলিও এক গুৰুত্বৰ অভিযোগ উত্থাপিত হ'ব ধৰিছে অঞ্চল কেইটাত।

# জিলা স্বাস্থ্য সমিতি আৰু বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ মাজত গুৰুত্বপূৰ্ণ সমন্বয় সভা

**অসম বাৰ্তা, বৰপেটাসদৰ, ২৫ আগষ্ট ঃ** বৰপেটা জিলা স্বাস্থ্য সমিতি আৰু বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ মাজত এখন গুৰুত্বপূৰ্ণ সমন্বয় সভা আজি বৰপেটাৰ চাৰ্কিট হাউছৰ সন্মিলন কক্ষত অনুষ্ঠিত হয়। বৰপেটা জিলা আয়ুক্ত নৱদ্বীপ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত জিলাখনৰ স্বাস্থ্য সেৱা ব্যৱস্থা অধিক শক্তিশালী কৰা, বিভিন্ন স্বাস্থ্য সূচকৰ উন্নতি সাধন আৰু বৰপেটা চিকিৎসা মহাবিদ্যালয় তথা জিলাখনৰ অন্যান্য স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ মাজত অধিক সু-সমন্বয় গঢ়ি তোলাৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। সভাত বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক, বৰপেটা জিলা স্বাস্থ্য সমিতিৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, অতিৰিক্ত জিলা আয়ুক্ত (স্বাস্থ্য), বৰপেটা, অধীক্ষক, বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু চিকিসালয়, বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ আৰু জিলা স্বাস্থ্য সমিতিৰ MDR আৰু CDR নডেল বিষয়া, জিলা যক্ষ্মা বিষয়া, মহকুমা চিকিৎসা বিষয়া সকল, জিলা আঁচনি প্ৰবন্ধক আৰু খণ্ড আঁচনি প্ৰবন্ধক গোট সমূহৰ লগতে অন্যান্য সংশ্লিষ্ট বিষয়াসকলে অংশগ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে জিলাখনৰ সামগ্ৰিক স্বাস্থ্য সেৱাৰ বৰ্তমান পৰিস্থিতি আৰু বিভিন্ন স্বাস্থ্য কাৰ্যসূচীৰ অগ্ৰগতিৰ ওপৰত পৰ্যালোচনা কৰা হয়। বিশেষকৈ বৰপেটা চিকংসা মহাবিদ্যায় আৰু চিকিসালয়লৈ ৰেফাৰ কৰা ৰোগীৰ সেৱা, ৰেফাৰেল ব্যৱস্থাৰ উন্নতি, ৰোগীৰ সময়মতে চিকিৎসা নিশ্চিত কৰা আৰু বৰপেটা চিকিৎস মহাবিদ্যালয় তথা তৃণমূল পৰ্যায়ৰ স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ মাজত যোগাযোগ অধিক শক্তিশালী কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত মাতৃ আৰু শিশু স্বাস্থ্য সেৱা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰতো আলোচনা কৰা হয়। উচ্চ-বিপদজনক গৰ্ভৱতী মহিলা (HRPW) চিনাক্তকৰণ, নিয়মীয়া অনুসৰণ, প্ৰয়োজন অনুসৰি সময়মতে উচ্চতৰ স্বাস্থ্য প্ৰতিষ্ঠানলৈ ৰেফাৰেল আৰু প্ৰসূতি সেৱাৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ লগতে যক্ষ্মা নিৰ্মূলকৰণ কাৰ্যসূচীৰ অগ্ৰগতি, যক্ষ্মা ৰোগীৰ সময়মতে চিনাক্তকৰণ আৰু চিকিৎসা, ৰেফাৰেল আৰু চিকিৎসা অনুসৰণ ব্যৱস্থা শক্তিশালী কৰাৰ বিষয়েও আলোচনা কৰা হয়। গৰ্ভৱতী মাতৃৰ আৰু শিশুৰ মৃত্যুৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহতো অধিক সমন্বিতভাৱে কাম কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিয়া হয়। জিলাখনৰ বিভিন্ন স্বাস্থ্য সূচকৰ উন্নতিৰ বাবে মহকুমা চিকিৎসা বিষয়া, জিলা আঁচনি প্ৰবন্ধক আৰু খণ্ড আঁচনি প্ৰবন্ধক গোট সমূহে বৰপেটা চিকংসা মহাবিদ্যালয় ৰ সৈতে নিয়মীয়া সমন্বয় বজাই ৰাখি তথ্যৰ আদান-প্ৰদান, ৰেফাৰেল লিংকেজ আৰু স্বাস্থ্য সেৱাৰ মান উন্নত কৰাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যা আৰু প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰি সেই সমূহৰ সময়োপযোগী সমাধানৰ বাবে সংশ্লিষ্ট বিষয়াসকলক সমন্বিতভাৱে কাম কৰিবলৈ জিলা আয়ুক্তই আহ্বান জনাই। জিলাখনৰ জনসাধাৰণক উন্নতমানৰ, সহজলভ্য আৰু সময়োপযোগী স্বাস্থ্য সেৱা প্ৰদানৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয়, জিলা স্বাস্থ্য সমিতি আৰু তৃণমূল পৰ্যায়ৰ স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ মাজত অধিক শক্তিশালী সহযোগিতা আৰু সমন্বয় অব্যাহত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। জিলা আয়ুক্তই জিলাখনৰ স্বাস্থ্য ব্যৱস্থাৰ উন্নতিৰ বাবে সকলো সংশ্লিষ্ট বিভাগ আৰু স্বাস্থ্য প্ৰতিষ্ঠানক একত্ৰিতভাৱে কাম কৰি চৰকাৰী স্বাস্থ্য সেৱাসমূহৰ সুফল অধিক সংখ্যক লোকৰ ওচৰলৈ লৈ যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাৰ জৰিয়তে জিলাখনৰ স্বাস্থ্য সেৱা ব্যৱস্থাক অধিক সু-সংগঠিত, দায়বদ্ধ আৰু ফলপ্ৰসূ কৰি তোলাৰ ক্ষেত্ৰত এক নতুন গতি প্ৰদান কৰাৰ লক্ষ্য গ্ৰহণ কৰা হয়।

# কাজিৰঙাৰ ইক'-ছেনচিটিভ জ'নৰ পৰিসীমা

পৰিৱেশবিদ, বিশেষজ্ঞ আৰু স্থানীয় ৰাইজৰ সৈতে বিস্তৃত আলোচনা কৰি সিদ্ধান্ত ল'বলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিগত ১৭ আগষ্টত এক সংবাদমেলত এই সিদ্ধান্তৰ সম্পূৰ্ণ সমৰ্থন জনায় আৰু কয় যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাক সম্পূৰ্ণৰূপে অনুসৰণ কৰিয়েই চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। কিন্তু পৰিৱেশপ্ৰেমী মহলে উত্থাপন কৰা সন্দেহ অনুসৰি, বাফাৰ এলেকা ৯০ শতাংশলৈ সংকুচিত হ'লে হাতী, গঁড়, বাঘৰ দৰে বৃহৎ প্ৰজাতিৰ বন্যপ্ৰাণীৰ বিচৰণ ক্ষেত্ৰ সংকুচিত হৈ তেওঁলোকৰ জীৱন যাত্ৰা বিপন্ন হ'ব পাৰে। লগতে এই অঞ্চলৰ থলুৱা লোকসকলৰ কৃষি, পশুপালন আৰু অন্যান্য জীৱিকাৰ ওপৰতো গুৰুতৰ প্ৰভাৱ পৰিব বুলি তেওঁলোকে আশংকা প্ৰকাশ কৰে। ইফালে, ইক'-ছেনচিটিভ জ'নৰ গাইডলাইন সম্পৰ্কে ৰাইজৰ মাজত বিভ্ৰান্তিও বৃদ্ধি পাইছে। কিছুমানে ভাবে যে এই সিদ্ধান্তই উন্নয়নৰ বাট মুকলি কৰিব, আনহাতে আন কিছুমানে ইয়াক পৰিৱেশ ধ্বংসৰ কাৰণ হিচাপে চিনাক্ত কৰিছে। এই প্ৰেক্ষাপটতে আছু সভাপতি উৎপল শৰ্মাই সামাজিক মাধ্যম 'এক্স'ত এক পোষ্টযোগে চৰকাৰক তিনিটা স্পষ্ট দাবী আগবঢ়ায়। তেওঁ পোষ্টত প্ৰথমে কাজিৰঙাৰ এটা সুন্দৰ দৃশ্যৰ ভিডিঅ' শ্বেয়াৰ কৰি লিখে, "কিমান শান্তভু নিৰ্ভয়ে পাৰ হৈ গৈছে হাতীৰ জাক। কাজিৰঙাৰ বাটৰ এনেবোৰ দৃশ্যই মানুহ আৰু প্ৰকৃতিৰ সহাৱস্থানৰ কথা সোঁৱৰাই দিয়ে। আমাৰ প্ৰকৃতি, বনাঞ্চল আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে সজাগ ভূমিকা পালন কৰাটো এক সামূহিক দায়িত্ব।'' তাৰ পিছতে তেওঁ কয়, "উন্নয়নৰ নামত ধ্বংস নহওক প্ৰকৃতি। সুৰক্ষিত থাকক বনাঞ্চল, সুৰক্ষিত থাকক বন্যপ্ৰাণীৰ স্বাভাৱিক বিচৰণৰ পথ। শেহতীয়াকৈ ইক'-ছেনচিটিভ জ'নৰ প্ৰসংগই পুনৰ প্ৰশ্নৰ অৱতাৰণা কৰিছে, বিতৰ্কৰ সূচনা কৰিছে। ছাত্ৰ সন্থাৰ সৰল আৰু স্পষ্ট মত — কাজিৰঙাৰ সুৰক্ষাও সুনিশ্চিত হ'ব লাগিব, স্থানীয় ৰাইজৰ স্বাৰ্থও ৰক্ষা হ'ব লাগিব।'' উৎপল শৰ্মাই লগতে কয় যে ছাত্ৰ সন্থাই কেৱল বিৰোধিতাই নহয়, গঠনমূলক সমাধানৰ বাবেও কাম কৰিব বিচাৰে। তেওঁ সামাজিক মাধ্যমত ভাইৰেল হোৱা হাতীজাকৰ ভিডিঅ'টো শ্বেয়াৰ কৰি সৃষ্টিকৰ্তালৈ কৃতজ্ঞতা প্ৰকাশ কৰে আৰু কয় যে এনে দৃশ্যই মনত খুন্দিয়াই দিয়ে যে প্ৰকৃতি আৰু মানুহৰ মাজৰ সম্পৰ্ক অতি সূক্ষ্ম। আছু সভাপতি উৎপল শৰ্মাই সাংবাদিকক প্ৰতিক্ৰিয়া প্ৰদান কৰি কয়, "আমি চৰকাৰৰ সিদ্ধান্তৰ সম্পূৰ্ণ সমালোচনা নকৰো, কিন্তু পৰিৱেশৰ দীৰ্ঘম্যাদী স্বাৰ্থ আৰু স্থানীয় লোকৰ জীৱিকাৰ প্ৰতি থকা দায়িত্বৰ কথা মনত ৰাখি স্বচ্ছ আৰু অংশগতিবাচক প্ৰক্ৰিয়াৰ জৰিয়তে সিদ্ধান্ত লোৱা উচিত। গতিকে শ্বেতপত্ৰখন চৰকাৰে প্ৰকাশ কৰি সকলো তথ্য ৰাইজৰ সন্মুখত তুলি ধৰাটো অত্যন্ত জৰুৰী।"

# বানত ক্ষতিগ্ৰস্ত ক্ষুদ্ৰ চাহ বাগান; ক্ষতিপূৰণ দাবী ক্ষুদ্ৰ চাহ খেতিয়ক মহাসংঘৰ

**অসম বাৰ্তা, চেলেংহাট, ২৫ আগষ্ট ঃ** প্ৰলয়ংকাৰী বানপানীয়ে উজনি অসমৰ বহুসংখ্যক ক্ষুদ্ৰ চাহ খেতিয়কৰ বাগান ক্ষতিগ্ৰস্ত কৰাৰ পিছত ভাৰতীয় ক্ষুদ্ৰ চাহ খেতিয়ক মহাসংঘই (চিছটা) ক্ষতিগ্ৰস্ত খেতিয়কসকলক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ দাবী উত্থাপন কৰিছে। মহাসংঘৰ জেষ্ঠ উপ-সভাপতি অচ্যুতপ্ৰসাদ গগৈয়ে সংবাদ মাধ্যমক জনোৱা মতে, সেউজ বিপ্লৱৰ জৰিয়তে ৰাজ্যৰ আৰ্থ-সামাজিক ভেটি গঢ়ি তোলা প্ৰায় দুই লাখ ক্ষুদ্ৰ চাহ খেতিয়কৰ বহু হাজাৰ বিঘা বাগান বানৰ কবলত পৰি সম্পূৰ্ণৰূপে বিপৰ্যস্ত হৈ পৰিছে। বহু ঠাইত চাহ গছ সম্পূৰ্ণৰূপে নষ্ট হোৱাত খেতিয়কসকলৰ জীৱন-জীৱিকা অনিশ্চয়তাৰ মাজত পৰিছে। এই পৰিস্থিতিত মহাসংঘই চৰকাৰ, ভাৰতীয় চাহ বৰ্ড আৰু বটলিফ ফেক্টৰীসমূহৰ ওচৰত একাধিক দাবী উত্থাপন কৰিছে। চৰকাৰৰ ওচৰত ক্ষতিগ্ৰস্ত বাগানৰ জৰীপ কৰি শীঘ্ৰে উচিত ক্ষতিপূৰণ আৰু বিশেষ পেকেজ ঘোষণাৰ দাবী জনোৱাৰ উপৰিও, ভাৰতীয় চাহবৰ্ডক নতুনকৈ পুলি ৰোপণৰ বাবে বিশেষ অনুদান আগবঢ়াবলৈ অনুৰোধ জনোৱা হৈছে। ক্ষুদ্ৰ খেতিয়কৰ পাতৰ ওপৰত নিৰ্ভৰশীল বটলিফ ফেক্টৰীসমূহকো ক্ষতিপূৰণ প্ৰদানৰ দাবী জনোৱা হৈছে। মহাসংঘই ক্ষুদ্ৰ চাহ খেতিয়কৰ ওপৰত নিৰ্ভৰ কৰি ব্যৱসায় চলোৱা বহুজাতিক ঔষধ কোম্পানীসমূহকো সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনাইছে, বিশেষকৈ নতুন চাহপুলি ৰোপণ আৰু মাটি প্ৰস্তুতিৰ ক্ষেত্ৰত। দেশৰ মুঠ চাহ উৎপাদনৰ প্ৰায় ৫২ শতাংশ যোগান ধৰা ক্ষুদ্ৰ চাহ খেতিয়ক খণ্ডটোৰ ওপৰত প্ৰায় ২০ লাখ লোকে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জীৱিকা নিৰ্বাহ কৰি আছে। গগৈয়ে কয়, "ক্ষুদ্ৰ চাহ খেতিয়ক জীয়াই থাকিলেহে চাহ উদ্যোগ জীয়াই থাকিব।" তেওঁ সতৰ্ক কৰি দিয়ে যে বিপদগ্ৰস্ত খেতিয়কসকলক সহায় নকৰিলে ইয়াৰ বিৰূপ প্ৰভাৱ সমগ্ৰ চাহ উদ্যোগৰ ওপৰতে পৰিব।

# অসম ভাৰতৰ সভ্যতাৰ অবিচ্ছেদ্য অংশ,

আহিছে। অসম কেতিয়াও ভাৰতৰ পৰা বিচ্ছিন্ন নাছিল, বৰং ই ভাৰতৰ সভ্যতাগত যাত্ৰাৰ এক শক্তিশালী প্ৰহৰী আৰু অবিচ্ছেদ্য অংশ বুলি তেওঁ দৃঢ়তাৰে উল্লেখ কৰে। অসমৰ ইতিহাস, সাহস আৰু উত্তৰ-পূবৰ ৰূপান্তৰৰ কাহিনী সুন্দৰভাৱে তুলি ধৰা এই গ্ৰন্থখনৰ লেখক শ্ৰী অভিজিৎ জোগ আৰু প্ৰকাশক সুৰুচি প্ৰকাশনলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে গ্ৰন্থখনে উত্তৰ-পূব অঞ্চলৰ জনসাধাৰণৰ সংগ্ৰাম, আশা আৰু অহোপুৰুষাৰ্থৰ কাহিনী অতি স্পষ্টভাৱে দাঙি ধৰিছে। মুখ্যমন্ত্ৰীয়ে ভাষণত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কথাও স্মৰণ কৰে। তেওঁ কয় যে গুৰুজনাই ভাৰত ভ্ৰমণ কৰি তেতিয়াই উপলব্ধি কৰিছিল যে ভাৰতবৰ্ষত মানৱ জীৱন ধন্য হোৱাৰ সৌভাগ্য কেৱল বহু পুণ্যৰ ফলতহে অৰ্জন কৰিব পাৰি। প্ৰায় ১৫ শতিকাত শংকৰদেৱে কৰা 'ভাৰত বৰিষত জন্মি মানৱ জীৱন ধন্য হয়'-এই ভাৰত বন্দনাই আজিও আমাক ধন্য কৰি ৰাখিছে বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে গভীৰ শ্ৰদ্ধাৰে উল্লেখ কৰে। উত্তৰ-পূবৰ ইতিহাস আৰু ঐতিহ্যক গভীৰভাৱে বিশ্লেষণ কৰা এই গ্ৰন্থখন জাতীয় পৰ্যায়ত এক গুৰুত্বপূৰ্ণ দস্তাবেজ হিচাপে গণ্য কৰা হৈছে। গ্ৰন্থখন উন্মোচন অনুষ্ঠানত বহু বিশিষ্ট ব্যক্তি, ঐতিহাসিক, সাহিত্যিক আৰু বুদ্ধিজীৱী উপস্থিত থাকে। মুখ্যমন্ত্ৰী শৰ্মাই শেষত কয় যে অসম আৰু উত্তৰ-পূবৰ এই গৌৰৱময় অতীতৰ প্ৰতি যুৱপ্ৰজন্ম অধিক সচেতন হৈ উঠক, আৰু গ্ৰন্থখনে সেই লক্ষ্য পূৰণত সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে।

# বানপীড়িতক ৪৮ ঘণ্টাত ২৫

গড় দিয়াৰ সতৰ্কবাণী দিলে শিৱসাগৰ জিলাৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। মঙলবাৰে শিৱসাগৰৰ বৰ্ডিং খেলপথাৰত আয়োজিত এক বিশাল জনসভাত তেওঁ চৰকাৰক ৪৮ ঘণ্টাৰ সময়সীমা নিৰ্ধাৰণ কৰি কয় যে ২৭ আগষ্টৰ নিশা ৰচ বজাৰ ভিতৰত প্ৰতিজন বানপীড়িতৰ বেংক একাউণ্টত ২৫,০০০ টকা ((১৫,০০০, ১০,০০০) জমা দিবই লাগিব। যদি এনে নহয়, তেন্তে ২৮ আগষ্টৰ পুৰা জিলা আয়ুক্তৰ কাৰ্যালয়ত সমবেত হৈ প্ৰতিবাদ আৰম্ভ কৰা হ'ব। ৰাইজৰ দলৰ উদ্যোগত অনুষ্ঠিত এই জনসভাত জিলাখনৰ সহস্ৰাধিক বানাক্ৰান্ত ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অখিল গগৈয়ে চৰকাৰে ঘোষণা কৰা ১৫,০০০ টকাৰ তৎকালীন সাহায্য বহু লোকেই ৩৬ দিন পাৰ হ'লেও নোপোৱাৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয়, "বানপীড়িতক সাহায্য দিয়াৰ নামত চৰকাৰে প্ৰৱঞ্চনা কৰিছে। প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীকে ধৰি বিজেপিৰ শীৰ্ষ নেতাসকলে অসমৰ বান পৰিস্থিতি বুজিবলৈ একো খোজ নাপায়।'' অখিল গগৈয়ে ঘোষণা কৰে যে নিৰ্ধাৰিত সময়ৰ ভিতৰত ধনৰাশি জমা নহ'লে ২৮আগষ্টত জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত সমবেত হৈ প্ৰতিবাদ প্ৰদৰ্শন কৰা হ'ব। তাৰপাছতো চৰকাৰে সঁহাৰি নিদিলে ৩০ আগষ্টত গুৱাহাটীলৈ গৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ বাসগৃহৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। তেওঁ স্পষ্টকৈ কয়, "ক্ষতিগ্ৰস্ত সকলো একাউণ্টত ধন সোমোৱালৈকে এই আন্দোলন অব্যাহত থাকিব।'' ইফালে, একেই সভাত ৰাইজৰ দলৰ নেত্ৰী জ্ঞানশ্ৰী বৰাই প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আৰু বিজেপিৰ জ্যেষ্ঠ নেতৃবৃন্দই অসমলৈ নাহি বান পৰিস্থিতি প্ৰত্যক্ষভাৱে নিৰীক্ষণ নকৰাৰ বাবে তীব্ৰ সমালোচনা কৰে। তেওঁ অখিল গগৈৰ মতকে সমৰ্থন কৰি কয় যে বান সাহায্যৰ ক্ষেত্ৰত চৰকাৰী প্ৰশাসন যথেষ্ট গাফিলতি কৰিছে। লগতে তেওঁ অসমৰ বান সমস্যাক 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে ঘোষণা নকৰাৰ কাৰণ স্পষ্ট কৰিবলৈ মুখ্যমন্ত্ৰীক দাবী জনায়। জ্ঞানশ্ৰী বৰাই কয়, "উজনি অসমৰ লাখ লাখ লোক বানত আক্ৰান্ত হোৱাৰ পিছতো কেন্দ্ৰ চৰকাৰে ইয়াক ৰাষ্ট্ৰীয় দুৰ্যোগ বুলি ঘোষণা কৰা নাই। ইয়াৰ প্ৰত্যুত্তৰ মুখ্যমন্ত্ৰী গৰাকীয়ে কিয় নিদিয়ে? তেওঁ লগতে কয় যে চৰকাৰে যদি প্ৰকৃত অৰ্থে বানপীড়িতৰ পাশে থিয় দিব বিচাৰে, তেন্তে মাত্ৰ ঘোষণাই নহয়, কাৰ্যকৰী ব্যৱস্থাও ল'ব লাগিব। প্ৰসংগবশতঃ, বিধায়ক অখিল গগৈয়ে সাম্প্ৰতিক সময়ত বান সাহায্যক লৈ একাধিক প্ৰতিবাদী কাৰ্যসূচী চলাই আহিছে। ইয়াৰ পূৰ্বেও তেওঁ চৰকাৰৰ বিৰুদ্ধে কঠোৰ ভাষা ব্যৱহাৰ কৰি ৰাইজৰ দলৰ জৰিয়তে বানপীড়িতসকলৰ পক্ষত মাত মাতি আহিছে। ইফালে, ৰাইজৰ দলৰ এই প্ৰতিবাদী কাৰ্যসূচী আগন্তুক দিনকেইটাত ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত নতুন উত্তাপ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। অখিল গগৈয়ে সভাৰ শেষত ঘোষণা কৰে যে তেওঁলোক শান্তিপূৰ্ণভাৱে কিন্তু দৃঢ়তাৰে আন্দোলন আগুৱাই নিব আৰু চৰকাৰক তেওঁলোকৰ দাবী মানিবলৈ বাধ্য কৰাব।

# দুটা বিভাগৰ কাম-কাজ পৰ্যালোচনা

আঁচনি আৰু প্ৰকল্পসমূহৰ অগ্ৰগতি, লগতে সন্মুখীন হোৱা সমস্যা আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে বিস্তাৰিতভাৱে আলোচনা কৰা হয়। প্ৰথমতে, সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ সৈতে অনুষ্ঠিত বৈঠকত মন্ত্ৰীগৰাকীয়ে বিভাগটোৰ অধীনত চলি থকা বিভিন্ন কাম-কাজ আৰু আঁচনিৰ অগ্ৰগতি বিস্তৃতভাৱে পৰ্যালোচনা কৰে। বৈঠকত বিভাগটোৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ, চলিত প্ৰকল্পৰ অগ্ৰগতি আৰু সন্মুখীন হোৱা সমস্যা আৰু প্ৰত্যাহ্বানসমূহৰ বিষয়ে ফলপ্ৰসূ আলোচনা অনুষ্ঠিত হয়। এতিয়াও সম্পূৰ্ণ হ'বলৈ বাকী থকা কামসমূহ চিনাক্ত কৰি সেইসমূহ অতি সোনকালে সম্পূৰ্ণ কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ মন্ত্ৰীগৰাকীয়ে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। বিভাগীয় কাম-কাজত যাতে কোনো ধৰণৰ বিলম্ব নহয়, সেই বিষয়ত তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰে। ইয়াৰ পাছত, মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰে সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ (WMD) জ্যেষ্ঠ বিষয়াসকলৰ সৈতেও এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। এই বৈঠকত বিভাগটোৰ অধীনত ৰূপায়িত বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে বিভাগীয় কাম-কাজৰ সামগ্ৰিক স্থিতি পৰ্যালোচনা কৰা হয়। বিশেষকৈ সম্পূৰ্ণ হ'বলৈ বাকী থকা আঁচনি আৰু প্ৰকল্পসমূহৰ কামৰ গতি ত্বৰান্বিত কৰি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰাৰ ওপৰত মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। জনসাধাৰণৰ কল্যাণৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত কামসমূহত অগ্ৰাধিকাৰ প্ৰদান কৰি সময়োচিতভাৱে ফলাফল নিশ্চিত কৰিবলৈ তেওঁ বিষয়াসকলক নিৰ্দেশনা প্ৰদান কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে কয় যে বিভাগীয় কাম-কাজৰ গতি আৰু অধিক ত্বৰান্বিত কৰাৰ লগতে আঁচনি আৰু প্ৰকল্পসমূহৰ সুফল যাতে প্ৰকৃত হিতাধিকাৰীসকলৰ ওচৰলৈ সময়মতে আৰু ফলপ্ৰসূভাৱে আগবাঢ়ে, সেয়া নিশ্চিত কৰাটো চৰকাৰৰ অন্যতম গুৰুত্বপূৰ্ণ লক্ষ্য। বিভাগসমূহৰ কাম-কাজত অধিক দক্ষতা, সমন্বয় আৰু দায়বদ্ধতা নিশ্চিত কৰি জনসাধাৰণৰ স্বাৰ্থত সময়োচিত ফলাফল প্ৰদানৰ বাবে বিষয়াসকলক তেওঁ আহ্বান জনায়। আজিৰ দুয়োখন পৰ্যালোচনা বৈঠকত সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ আৰু সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। সম্পূৰ্ণ কাম-কাজসমূহ দ্ৰুতগতিত সমাপ্ত কৰি জনসাধাৰণৰ সেৱাত আৰু অধিক ফলপ্ৰসূতা আনিবলৈ মন্ত্ৰীগৰাকীয়ে আগন্তুক দিনবোৰত বিভাগীয় কাৰ্যনিৰ্বাহ জোৰদাৰ কৰাৰ আশা প্ৰকাশ কৰে।

# লোকসেৱা আয়োগৰ পৰীক্ষা

গান্ধী ময়দানৰ পৰা সমদল উলিয়ায়, কিন্তু আৰক্ষীয়ে তেওঁলোকক বাধা দিয়ে আৰু এইদৰে আৰম্ভ হয় তীব্ৰ সংঘৰ্ষ। প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীসকলে ৭০ সংখ্যক বিহাৰ লোকসেৱা আয়োগ (বিপিএছচি) পৰীক্ষা সম্পূৰ্ণৰূপে বাতিল কৰি পুনৰ আয়োজন কৰাৰ দাবী উত্থাপন কৰিছে। লগতে ১৫টাতকৈও অধিক ছাত্ৰ সংগঠনে আগবঢ়োৱা ১৩ দফীয়া দাবীৰ তালিকাত আছে — ১, ৭৯৯ ইন্সপেক্টৰ নিযুক্তি পৰীক্ষা বাতিল, একক শিক্ষক নিযুক্তি পৰীক্ষা, বিইটি পৰীক্ষা তৎক্ষণাত আৰম্ভ, লাইব্ৰেৰিয়ান নিযুক্তি, বয়সসীমা আৰু বাসস্থান নীতিৰ পুনৰীক্ষণ, আৰু প্ৰশ্নকাকত ফাদিলকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা আদি। সমদলৰ সময়ত গান্ধী ময়দানৰ পৰা ৰাজভৱনলৈ যোৱা পথত আৰক্ষীয়ে প্ৰতিবাদকাৰীক বাধা দিয়ে। ক্ষুব্ধ ছাত্ৰ-ছাত্ৰীসকলে বেৰিকেড ভাঙি পেলায়, শিল নিক্ষেপ কৰে, যাৰ ফলত ডিএছপি কামাখ্যা নাৰায়ণ আঘাতপ্ৰাপ্ত হয়। আৰক্ষীয়ে লাঠিচালনা আৰু পানী হিলৈ প্ৰয়োগ কৰে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ। এই সংঘৰ্ষত বহু শিক্ষাৰ্থী আটক হোৱাৰ লগতে মেট্ৰ' নিৰ্মাণৰ বেৰাসহ কেইবাখনো সামগ্ৰীৰ ক্ষতি হয়। । ছাত্ৰ সংগঠন আইএছএৰ ৰাজ্যিক উপ-সভাপতি ছাবা আফ্ৰিনে কয়, "আমি যোৱা ১০ দিন ধৰি পৰীক্ষাৰ নিয়ন্ত্ৰণ আৰু স্বচ্ছতাৰ দাবীত প্ৰতিবাদ কৰি আহিছো। চতুৰ্থ পৰ্যায়ৰ শিক্ষক নিযুক্তিৰ বাবে একক পৰীক্ষাৰ দাবীও আমি আগবঢ়াইছো। চৰকাৰৰ সৈতে আলোচনা হৈছে যদিও কোনো চুক্তি হোৱা নাই। '' তেওঁ লগতে কয় যে চৰকাৰে প্ৰশ্নকাকত, উত্তৰ বহী আৰু অ'এমআৰ শ্বীট পৰীক্ষাৰ পাছতে শিক্ষাৰ্থীক দিয়াৰ দাবীও গুৰুত্ব সহকাৰে ল'ব লাগে। ইপিনে, বিহাৰৰ শিক্ষামন্ত্ৰী মিথিলেশ তিৱাৰীয়ে সাংবাদিকক কয় যে ছাত্ৰ-ছাত্ৰীসকলে উত্থাপন কৰা সকলো সমস্যাৰ সমাধান কৰা হৈছে। তেওঁ কয়, "আমি তেওঁলোকৰ দাবীসমূহ গুৰুত্ব সহকাৰে লৈছো আৰু সময়োপযোগী সমাধান দিছো। '' তেওঁ বিৰোধী নেতা তেজস্বী যাদৱে এই আন্দোলনক সমৰ্থন জনোৱাৰ প্ৰতি কটাক্ষ কৰি কয়, "যিজনে দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষাও দিয়া নাই, তেওঁ পৰীক্ষা ব্যৱস্থাৰ ওপৰত পৰামৰ্শ দিয়াটো হাস্যকৰ। মই তেজস্বী জীক বিহাৰৰ চৰকাৰী বিদ্যালয়ত দশম শ্ৰেণীত নামভৰ্তি কৰি উত্তীৰ্ণ হ'বলৈ কৈছো, তাৰ পাছতহে তেওঁ আমাক পৰামৰ্শ দিয়ক। '' উল্লেখনীয় যে এই প্ৰতিবাদত কেৱল ছাত্ৰ-ছাত্ৰীয়েই নহয়, বিহাৰৰ বিভিন্ন নাৰ্ছিং কলেজ, ফাৰ্মাচী আৰু লেব টেকনিচিয়ান পাঠ্যক্ৰমৰ শিক্ষাৰ্থীসকলেও অংশ লয়। লগতে পাটলিপুত্ৰ উপগ্ৰহীয় চহৰ নিৰ্মাণৰ বিৰোধিতা কৰি হাজাৰ হাজাৰ কৃষকো এই সমদলত যোগদান কৰে। তেওঁলোকে কয় যে যি মাটিত বছৰি তিনিবিধ শস্য উৎপাদন কৰে, সেই মাটি চৰকাৰক বিক্ৰী নকৰে; কাৰণ সেই মাটিৰ দ্বাৰা তেওঁলোকে ছোৱালীৰ বিবাহ আৰু পুত্ৰৰ শিক্ষাৰ ব্যৱস্থা কৰে। ছাত্ৰ নেতা অমন যাদৱে অভিযোগ উত্থাপন কৰে যে গান্ধী ময়দানত এছএইচঅ'ৰ সদস্যই তেওঁক প্ৰহাৰ কৰিছে। তেওঁ দাবী কৰে যে ঘটনাটোৰ তদন্ত হোৱা উচিত আৰু দোষীসকলক নিলম্বন কৰিব লাগে। এদিনীয়া এই সহিংস প্ৰতিবাদৰ মাজতে পৰিস্থিতি কিছু শান্ত হ'লেও, আন্দোলনকাৰীসকলে স্পষ্ট কৰি দিয়ে যে তেওঁলোকৰ দাবী পূৰ্ণ নহ'লে অনশন আৰু প্ৰতিবাদ অব্যাহত থাকিব। ইতিমধ্যে ৰপ্তটাতকৈও অধিক সংগঠনৰ যৌথ সভাত সিদ্ধান্ত লোৱা হৈছে যে আগন্তুক দিনবোৰত অধিক তীব্ৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। বিহাৰ চৰকাৰে এতিয়ালৈ এই দাবীসমূহৰ সম্পূৰ্ণ ৰূপায়ণৰ কোনো নিৰ্দিষ্ট সময়সীমা ঘোষণা কৰা নাই। শিক্ষামন্ত্ৰীৰ মন্তব্যক আন্দোলনকাৰীসকলে 'তুচ্ছ' বুলি আখ্যা দি কৈছে যে তেওঁলোকে আলোচনাহে নহয়, কাৰ্যকৰী সিদ্ধান্ত বিচাৰে। অহা কেইদিনমানৰ পৰিস্থিতি বিহাৰৰ ৰাজনৈতিক আৰু শিক্ষা মহলত অত্যন্ত গুৰুত্বপূৰ্ণ হৈ থাকিব।

# এছিয়ান জুনিয়ৰ দবা চেম্পিয়নশ্বিপত

পৰা আৰু অধিক প্ৰতিভা ওলাই আহক আৰু বিশ্বৰ বৃহৎ মঞ্চত অসমৰ নাম উজলাই তোলক। মায়াংক চক্ৰৱৰ্তী আৰু প্ৰতীতি বৰদলৈৰ এই অসাধাৰণ কৃতিত্বই অসমৰ যুৱ খেলুৱৈসকলক আগন্তুক দিনবোৰত বৃহৎ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। অসমবাসীৰ হৈ তেওঁ দুগৰাকী খেলুৱৈলৈ শুভেচ্ছা আৰু অভিনন্দন জনাই পোষ্টৰ সামৰণি মাৰে। অসমৰ দবা খেলৰ ভৱিষ্যত সম্পৰ্কে মুখ্যমন্ত্ৰীগৰাকী অত্যন্ত আশাবাদী আৰু ৰাজ্য চৰকাৰে ক্ৰীড়া প্ৰতিভা বিকাশৰ বাবে প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াই যাব বুলিও তেওঁ পোষ্টত উল্লেখ কৰে।

# ২৭ আগষ্টত এইমছ গুৱাহাটীত

হৈছে ক্ৰীড়াৰ ক্ষেত্ৰত যুৱসমাজৰ অংশগ্ৰহণ বৃদ্ধি কৰা, ফিটনেছৰ প্ৰতি সজাগতা সৃষ্টি কৰা আৰু ৰাষ্ট্ৰ নিৰ্মাণত ক্ৰীড়াৰ গুৰুত্বপূৰ্ণ ভূমিকা উজলাই তোলা। এই কাৰ্যসূচীৰ অন্যতম আকৰ্ষণ হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৰ্চুৱেল ভাষণ, যি সমগ্ৰ দেশৰ যুৱ অংশগ্ৰহণকাৰীসকলক উদ্দেশ্যি প্ৰদান কৰা হ'ব। এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ মত-বিনিময়ে ভাৰতৰ বিভিন্ন প্ৰান্তৰ যুৱপ্ৰজন্মক এক উমৈহতীয়া মঞ্চত একত্ৰিত কৰাৰ লগতে ক্ৰীড়া আৰু বিকশিত ভাৰত সম্পৰ্কে প্ৰধানমন্ত্ৰীৰ দৃষ্টিভংগীৰ বুজ লোৱাৰ এক অনন্য সুযোগ প্ৰদান কৰিব। আজি (২৫ আগষ্ট) অনুষ্ঠিত এক সংবাদমেলত এইমছ গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক প্ৰফেচাৰ অশোক পুৰানিকে জানিবলৈ দিয়ে যে ভাৰতৰ যুৱসমাজ ৰাষ্ট্ৰ নিৰ্মাণৰ এক সুদৃঢ় শক্তি। তেওঁ ক্ৰীড়া, শাৰীৰিক ক্ৰিয়া-কলাপ, শৃংখলা, দলগত কাৰ্য আৰু সুস্থ জীৱনশৈলীৰ জৰিয়তে যুৱসকলক নিয়োজিত আৰু সবলীকৰণ কৰাৰ গুৰুত্বৰ ওপৰত গভীৰভাৱে আলোকপাত কৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰত্যক্ষ সম্প্ৰচাৰৰ লগতে 'মেৰা যুৱ ভাৰত'-ৰ স্বেচ্ছাসেৱক আৰু স্থানীয় ক্ৰীড়াবিদসকলৰ মাজত মত-বিনিময় কাৰ্যসূচীও অন্তৰ্ভুক্ত থাকিব। এই আলোচনাত ভাৰতৰ ক্ৰীড়া আন্তঃগাঁথনিৰ ৰূপান্তৰ আৰু বিগত ১২ বছৰত দেশৰ ক্ৰীড়া পৰিৱেশৰ বিকাশৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। কাৰ্যসূচীৰ সামৰণি পৰ্ব হ'ব 'যুৱ সংবাদ'-যি অংশগ্ৰহণকাৰী যুৱসকলক ভাৰতীয় ক্ৰীড়াৰ ভৱিষ্যৎ আৰু বিকশিত ভাৰতৰ বাবে তেওঁলোকৰ ধাৰণা, দৃষ্টিভংগী, পৰামৰ্শ আৰু আকাংক্ষা প্ৰকাশ কৰাৰ সুবিধা প্ৰদান কৰিব। অনুষ্ঠানত যুৱ প্ৰজন্ম, শিক্ষাৰ্থী, ক্ৰীড়াবিদ, শিক্ষক-শিক্ষয়িত্ৰী, জনপ্ৰতিনিধি আৰু অন্যান্য বিশিষ্ট অতিথি একত্ৰিত হ'ব বুলি আশা কৰা হৈছে। আয়োজকসকলে কয় যে এই আলোচনাৰ জৰিয়তে যুৱসমাজৰ মাজত সুস্থ, নিৰোগী, আত্মবিশ্বাসী আৰু সবলীকৃত জনসংখ্যাই দেশ গঠনৰ মূল ভেটি-এই বাৰ্তাক অধিক সুদৃঢ় কৰি তোলা সম্ভৱ হ'ব। আগন্তুক ২৭ আগষ্টত এইমছ গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচী ৰাজ্যৰ ক্ৰীড়া জগতৰ বাবে এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে।

# আগন্তুক পাঁচ বছৰত ১০০ নতুন

বিনিয়োগকাৰীসকলৰ মতামত গুৰুত্ব সহকাৰে লৈ নীতি প্ৰস্তুত কৰিব। উল্লেখ্য যে এই ব'ৰ্ডখন মাৰ্চেণ্ট শ্বিপিং আইন, ২০২৫-ৰ অধীনত গঠিত এক বিধিগত পৰামৰ্শদাতা সংস্থা, যিয়ে চৰকাৰক জাহাজ পৰিবহণ, নাৱিকৰ কল্যাণ আৰু বন্দৰ সম্পৰ্কীয় উন্নয়নৰ বিষয়ে পৰামৰ্শ আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে ১০ হাজাৰ কোটি টকাৰ 'কণ্টেইনাৰ উৎপাদন সহায়তা আঁচনি' (Container Manufacturing Assistance Scheme) ৰ সফলতাৰ কথাও উল্লেখ কৰে। তেওঁ কয় যে এই আঁচনিৰ অধীনতে বিশ্ববিখ্যাত জাহাজ পৰিবহণ কোম্পানী মেৰস্কে ভাৰতীয় ভূমিত নিৰ্মিত কণ্টেইনাৰ অৰ্ডাৰ দিছে, যি দেশৰ কণ্টেইনাৰ উৎপাদন খণ্ডত এক মাইলৰ খুঁটি। সামুদ্ৰিক খণ্ডক যুৱ কৰ্মশক্তিৰ বাবে এক প্ৰধান নিয়োগৰ উৎস হিচাপে গণ্য কৰি সোণোৱালে কয় যে ভাৰতক বিশ্বৰ আগশাৰীৰ দক্ষ নাৱিকৰ যোগানকাৰী হিচাপে স্থান দিয়া হৈছে। তেওঁ কয়, "আমি গুণগত প্ৰশিক্ষণ ক্ষমতা সম্প্ৰসাৰণ কৰিছো, উদ্যোগৰ নেতৃত্বাধীন দক্ষতা শক্তিশালী কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছো, বিস্তৃত নিয়োগৰ পথ সৃষ্টি কৰিছো, লিংগ বৈষম্য দূৰ কৰিছো, আৰু আমাৰ কৰ্মশক্তিক ক্ৰুজ জাহাজ আৰু উন্নত জাহাজ নিৰ্মাণৰ দৰে নতুন খণ্ডসমূহৰ বাবে দক্ষ কৰি তুলিছো। তেওঁ লগতে কয় যে 'মেৰিটাইম ইণ্ডিয়া ভিজন ২০৩০' ৰ লগতে 'মেৰিটাইম অমৃত কাল ভিজন 2047'-ৰ অধীনত ভাৰতৰ জাহাজ নিৰ্মাণ ক্ষমতা সম্প্ৰসাৰণৰ ক্ষেত্ৰত এনে দক্ষ আৰু ভৱিষ্যতমুখী কৰ্মশক্তিক প্ৰধান অগ্ৰাধিকাৰ দিয়া হ'ব। সাগৰ সংবাদ অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলে উল্লেখ কৰে যে বিদেশী পতাকাৰ জাহাজ চলোৱাৰ তুলনাত ভাৰতীয় পতাকাবাহী জাহাজ চলোৱা প্ৰায় ১৬ শতাংশৰ পৰা ২০ শতাংশ পৰ্যন্ত ব্যয়বহুল। ইয়াৰ মূল কাৰণ হিচাপে তেওঁলোকে জাহাজৰ আমদানি আৰু ৰক্ষণাবেক্ষণ সেৱাৰ ওপৰত ধাৰ্য কৰ, নাৱিকৰ মজুৰিৰ ওপৰত কৰ্তন, মালবাহীৰ ওপৰত কৰ, আৰু ঘৰুৱা মূলধনী ব্যয় বৃদ্ধিৰ বিষয়টো দাঙি ধৰে। এই ধৰণৰ ব্যয় বিদেশী প্ৰতিযোগীসকলে বহন কৰিবলগীয়া নহয় বুলিও তেওঁলোকে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে এনএছবিয়ে চৰকাৰক জাহাজ নীতি, নাৱিকৰ কল্যাণ আৰু বন্দৰ সংযুক্ত সামুদ্ৰিক উন্নয়নৰ বিষয়ত আইনগত ভিত্তিত পৰামৰ্শ আগবঢ়াই আহিছে। আগন্তুক সময়ত এই ব'ৰ্ডৰ পৰামৰ্শৰ ভিত্তিতেই জাহাজ খণ্ডৰ নীতিৰ পুনৰীক্ষণ সম্ভৱ হ'ব বুলি আশা কৰা হৈছে। মন্ত্ৰী সোণোৱালে শেষত কয় যে চৰকাৰে সামুদ্ৰিক খণ্ডত স্বনিৰ্ভৰশীলতা আৰু বিশ্ববাজাৰত প্ৰতিযোগিতামূলক স্থান সুনিশ্চিত কৰিবলৈ সকলো ধৰণৰ পদক্ষেপ লৈছে। অহা পাঁচ বছৰতে এই খণ্ডত এক উল্লেখযোগ্য পৰিৱৰ্তন আহিব বুলি তেওঁ দৃঢ়তা প্ৰকাশ কৰে।

# গোলাঘাটত চিকিৎসকৰ ভুল

বলি হৈ অকালতে মৃত্যুক আঁকোৱালি লোৱাৰ গুৰুতৰ অভিযোগত অভিযুক্ত চিকিৎসক ডাঃ ভাস্কৰ হাজৰিকাক যোৱা নিশা আৰক্ষীয়ে আটক কৰি সোধাপোচা অব্যাহত ৰাখিছে। ইফালে গোলাঘাটৰ সদৰ আৰক্ষী থানাৰ চৌহদত কালি নিশা গোলাঘাটৰ জাতীয় সংগঠনৰ নেতৃত্বই এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। গোলাঘাট আৰক্ষীয়ে আটক কৰি সোধা পোছা অব্যাহত ৰখা অভিযুক্ত চিকিৎসকক ৰক্ষণাবেক্ষণ দিবলৈ অহাৰ অভিযোগত একাংশক ঠেলা হেঁচা কৰি থানা চৌহদৰ পৰা বাহিৰ কৰি দিয়ে। ডাঃ ভাস্কৰ হাজৰিকাৰ পক্ষত থিয় দিয়াৰ অভিযোগত কেইবাজনো চিকিৎসা কৰ্মীক গতিয়াই বাহিৰ কৰি দিয়ে একাংশ দল সংগঠনৰ সদস্যই। ইফালে আজি গোলাঘাটৰ এইচ জি এম নাৰ্চিং হোম'ৰ সন্মুখত সংগঠনকেইটাৰ নেতৃত্বই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি নাৰ্চিং হোমখন চীল কৰি দিয়াৰ দাবী জনায়। প্ৰতিবাদস্থলীত এগৰাকী দণ্ডাধীশ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে জ্যেষ্ঠ চিকিৎসক ডাঃ ৰূপম দুৱৰাসহ এটি দলে সমগ্ৰ ঘটনাটোৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্ত অব্যাহত ৰাখিছে বুলি জানিবলৈ দিয়ে। এই তদন্ত প্ৰক্ৰিয়াৰ কথা জনাৰ পাছত সংগঠন কেইটাই সাময়িকভাৱে প্ৰতিবাদী কাৰ্যসূচী প্ৰত্যাহাৰ কৰে। উল্লেখ্য যে যোৱা ২৫ জুলাইত জ্যোস্মিতা বৰাক গোলাঘাটৰ এইচ জি এম (H.GM) নাৰ্চিংহোমত ডা: ভাস্কৰ হাজৰিকাৰ তত্বাৱধানত প্ৰেংকিয়াইটিছত ষ্টোন থকাৰ বাবে অস্ত্ৰোপচাৰ সম্পন্ন কৰে। অপাৰেচন কৰাৰ ৮ দিনৰ পাছত যুৱতী গৰাকীক ঘৰলৈ যাবলৈ দিয়া হয়। চিকিৎসালয়ৰ পৰা ঘৰলৈ যোৱাৰ পাছৰে পৰা ক'লা পায়খানা হৈছিল যুৱতীগৰাকীৰ। চিকিৎসকৰ পৰামৰ্শ অনুসৰি ডাঃ ভাস্কৰ হাজৰিকাৰ তেলগৰমতস্থিত ব্যক্তিগত চেম্বাৰলৈ ১০ আগষ্টত পৰিয়ালে নিয়মিত চেক আপৰ বাবে লৈ যায়। উক্ত দিনাই যুৱতী গৰাকীৰ স্বাস্থ্যৰ কিছু অৱনতি ঘটে। চিকিৎসক ডাঃ ভাস্কৰ হাজৰিকাৰ পৰামৰ্শমতে পুনৰ গোলাঘাটৰ এইচ জি এম নাৰ্চিং হোমত ভৰ্তি কৰোৱা হয়। ক্ৰমান্বয়ে ৰোগীৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটিব ধৰে। পেটৰ গৰিষ্ঠ সংখ্যক ফালি অস্ত্ৰোপচাৰ কৰা যুৱতী গৰাকীক পুনৰ ডাঃ ভাস্কৰ হাজৰিকাই অস্ত্ৰোপচাৰ কৰাৰ কথা পৰিয়ালক অৱগত কৰে। ইফালে ৰোগীৰ অৱস্থা ক্ৰমান্বয়ে বেয়াৰ ফালে গতি কৰাত এইবাৰ যোৰহাটলৈ স্থানান্তৰ কৰাৰ পৰামৰ্শ প্ৰদান কৰে। কিয়নো গোলাঘাটৰ এইচ জি এম নাৰ্চিং হোমত উক্ত ৰোগী গৰাকীক চিকিৎসা প্ৰদান কৰিবৰ বাবে পৰ্যাপ্ত সুবিধাৰ অভাৱ। উল্লেখ্য যে যোৰহাটৰ চিকিৎসকে ৰোগীৰ পেটৰ ফলা অংশৰ চিলাই দেখি হতভম্ব হৈ পৰে। আৰু ততাতয়াকৈ গুৱাহাটীলৈ নিবৰ বাবে পৰামৰ্শ দিয়ে। সেই অনুসৰি গুৱাহাটীলৈ নিয়া হয় যুৱতী গৰাকীক। গুৱাহাটীত ৯ দিন ধৰি চিকিৎসাধীন হৈ থকাৰ পাছত যোৱা ২০ আগষ্টত অকালতে মৃত্যুক সাৱটি ল'বলগীয়া হয় জ্যোস্মিতা বৰাই। ইয়াৰ পিছতেই ভুল চিকিৎসাৰ বলি হৈ মৃত্যু বৰণ কৰা দুৰ্ভগীয়া যুৱতীগৰাকীৰ পৰিয়ালৰ সদস্যৰ লগতে দল সংগঠন সদস্যসকল সৰৱ হৈ পৰে আৰু অভিযুক্ত চিকিৎসক গৰাকীক গ্ৰেপ্তাৰৰ দাবীত গোলাঘাট উত্তাল কৰি তোলে। ইফালে মৃত জ্যোস্মিতা বৰাৰ পৰিয়ালৰ লোকে অভিযুক্ত চিকিৎসক ডাঃ ভাস্কৰ হাজৰিকাৰ বিৰুদ্ধে গোলাঘাট সদৰ আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰে আৰু উক্ত এজাহাৰৰ ভিত্তিতেই কালি নিশাই চিকিৎসক গৰাকীক আটক কৰা হয়।

# লোকপিয়লত অ'বিচিৰ পৃথক

প্ৰশ্নাৱলীৰ গাঁথনি আৰু জাতি পঞ্জীয়নৰ পদ্ধতিৰ ওপৰত গভীৰ উদ্বেগ প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীক নতুনকৈ এটা ড্ৰপ-ডাউন তালিকা প্ৰস্তুত কৰাৰ লগতে বৰ্তমানৰ প্ৰশ্নাৱলী বাতিল কৰি বিস্তৃত আলোচনাৰ জৰিয়তে নতুন প্ৰশ্নাৱলী তৈয়াৰ কৰিবলৈ আহ্বান জনায়। বৰ্তমানৰ লোকপিয়লৰ প্ৰশ্নাৱলীত নাগৰিকসকলক বিভিন্ন বিষয়ৰ লগতে জাতিগত পৰিচয়ো সোধা হয়। কোনো ব্যক্তিয়ে যদি নিজকে হিন্দু বুলি উল্লেখ কৰে, তেন্তে তেওঁ সাধাৰণ শ্ৰেণীৰ নে অনুসূচিত জাতি (SC) বা অনুসূচিত জনজাতি (ST)-সেই সম্পৰ্কীয় বিকল্প দিয়া হৈছে। কিন্তু এই তালিকাত OBC (অন্যান্য পিছপৰা শ্ৰেণী)ৰ বাবে কোনো পৃথক বিকল্প বা শ্ৰেণীবিভাজন অন্তৰ্ভুক্ত কৰা হোৱা নাই, যাৰ ফলত এই শ্ৰেণীটো সম্পূৰ্ণৰূপে অগণিত হৈ পৰিবলৈ সম্ভাৱনা আছে। বিৰোধী নেতাসকলৰ মতে, লোকপিয়লত কোনো ড্ৰপ-ডাউন তালিকা ব্যৱহাৰ নকৰাকৈ যদি প্ৰত্যেকে নিজৰ জাতিৰ নাম যেনেকৈ ক'ব সেই একেই নামেৰে পঞ্জীয়ন কৰা হয়, তেন্তে অতি শীঘ্ৰে এক ডাঙৰ সমস্যাৰ সৃষ্টি হ'ব। ভাৰতবৰ্ষত একেটা জাতি বিভিন্ন অঞ্চল, ভাষা, উপ-জাতি আৰু সামাজিক পৰম্পৰাৰ ভিত্তিত ভিন্ন নামেৰে পৰিচিত। সেয়েহে ড্ৰপ-ডাউন তালিকা অবিহনে চলোৱা এই প্ৰক্ৰিয়াত একেটা জাতি হাজাৰ হাজাৰ ভিন্ন নামত বিভক্ত হৈ পৰিব, যাৰ ফলত দেশজুৰি সম্ভৱতঃ লাখ লাখ জাতিৰ নাম পঞ্জীয়ন হৈ পৰিব। অৱশ্যে, এই অৰাজক পৰিসংখ্যাৰ কোনো ব্যৱহাৰিক মূল্য নাথাকিব। পত্ৰখনত উল্লেখ কৰা মতে, এই অস্পষ্ট পদ্ধতিয়ে প্ৰকৃত পিছপৰা, অতি পিছপৰা আৰু বঞ্চিত শ্ৰেণীসমূহৰ সঠিক জনসংখ্যা নিৰ্ধাৰণ কৰাটো প্ৰায় অসম্ভৱ কৰি তুলিব। যিহেতু OBC শ্ৰেণীটোৰ কোনো সুকীয়া সংজ্ঞা বা পৃথক বিকল্প নাই, সেয়েহে এই শ্ৰেণীৰ জনসংখ্যা সম্পৰ্কে কোনো সঠিক তথ্য পাবলৈ নাথাকিব। ফলস্বৰূপে, সামাজিক ন্যায়, শিক্ষা, নিয়োগ আৰু চৰকাৰী কল্যাণমূলক আঁচনি ৰূপায়ণত গুৰুতৰ নেতিবাচক প্ৰভাৱ পৰিব। পিছপৰা শ্ৰেণীসমূহৰ বাবে প্ৰণীত নীতি আৰু আৰক্ষী ব্যৱস্থা সঠিকভাৱে কাৰ্যকৰী কৰাটো অনিশ্চিত হৈ পৰিব। এই সমস্যাৰ সমাধান স্বৰূপে, খাৰ্গে আৰু ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী মোডীক এখন সম্পূৰ্ণ আৰু বিশদ জাতি-ভিত্তিক ড্ৰপ-ডাউন তালিকা প্ৰস্তুত কৰাৰ পৰামৰ্শ আগবঢ়াইছে। অনুসূচিত জাতি (SC) আৰু অনুসূচিত জনজাতি (ST) ৰ গণনাৰ ক্ষেত্ৰত যিদৰে নিৰ্দিষ্ট তালিকা ব্যৱহাৰ কৰা হয়, ঠিক একেধৰণৰ ব্যৱস্থা খট্টুৰ আৰু আন সকলো জাতিৰ ক্ষেত্ৰতো গ্ৰহণ কৰিব পাৰি। সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্ৰেণীৰ চৰকাৰী তালিকা আৰু ভাৰতীয় জৰীপৰ তথ্যৰ ভিত্তিত এনে এখন তালিকা সহজেই প্ৰস্তুত কৰিব পাৰি বুলি পত্ৰত দাবী কৰিছে। ইফালে, তেলেংগানা আৰু বিহাৰ চৰকাৰে চলোৱা জাতি সমীক্ষাই এনে ড্ৰপ-ডাউন ব্যৱস্থাৰ সফল উদাহৰণ দাঙি ধৰিছে। তেলেংগানাত ২০২৪ চনত SC, ST, OBC আৰু অন্যান্য জাতিসমূহৰ বাবে সুকীয়া কোড আৰু ড্ৰপ-ডাউন তালিকা প্ৰস্তুত কৰি পৃথক পৃথকভাৱে তথ্য শ্ৰেণীবদ্ধ কৰা হৈছিল। আনহাতে, বিহাৰ চৰকাৰে সম্প্ৰতি চলোৱা জাতি সমীক্ষাত ২১৫টা জাতিৰ এখন কোড তালিকা তৈয়াৰ কৰিছিল, য'ত প্ৰতিটো জাতিৰ বাবে এটা নিৰ্দিষ্ট নম্বৰ বা কোড নিৰ্ধাৰণ কৰা হৈছিল, যাৰ ফলত তথ্য সংগ্ৰহ অধিক সঠিক আৰু সুসংহত হৈছিল। বিৰোধী নেতা দুগৰাকীয়ে শেষত প্ৰধানমন্ত্ৰীগৰাকীক বৰ্তমানৰ প্ৰশ্নাৱলী সম্পূৰ্ণৰূপে বাতিল কৰি সকলো ৰাজনৈতিক দল, পৰিসংখ্যাবিদ, বিশেষজ্ঞ আৰু জনসাধাৰণৰ সৈতে ব্যাপক আলোচনাৰ জৰিয়তে এখন নতুন, অধিক সঠিক আৰু স্বচ্ছ প্ৰশ্নাৱলী প্ৰস্তুত কৰিবলৈ অনুনয় জনাইছে। তেওঁলোকৰ মতে, এনে পদক্ষেপ গ্ৰহণ কৰিলেহে লোকপিয়লৰ তথ্য প্ৰকৃত অৰ্থত ব্যৱহাৰিক হ'ব আৰু দেশৰ সামাজিক আৰু অৰ্থনৈতিক নীতি নিৰ্ধাৰণত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰিব। এই প্ৰসংগত কংগ্ৰেছ দলৰ তৰফৰ পৰা অহা এই পত্ৰই কেন্দ্ৰীয় চৰকাৰৰ জাতি গণনা পদ্ধতিৰ বিৰুদ্ধে এখন গুৰুত্বপূৰ্ণ ৰাজনৈতিক মঞ্চ গঢ়ি তোলাৰ সম্ভাৱনা আছে।

# মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম

অভিজ্ঞতা, সমস্যা আৰু প্ৰগতিৰ বিষয়ে অৱগত হয়। সভাত মন্ত্ৰী হাজৰীকাই পৰম্পৰাগত ব্যৱসায়-বাণিজ্যৰ লগতে কুকুৰা পালন, গাহৰি পালন, মীন পালন, উদ্যান শস্য আৰু বহু-ফচল উৎপাদনৰ দৰে উৎপাদনমুখী খণ্ডসমূহত অধিক গুৰুত্ব দিবলৈ হিতাধিকাৰীসকলক আহ্বান জনায়। অসমক খাদ্য সামগ্ৰীৰ ক্ষেত্ৰত সম্পূৰ্ণ আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ স্থানীয় উৎপাদন বৃদ্ধি কৰাটো অতি জৰুৰী বুলি উল্লেখ কৰি তেওঁ কৃষি আৰু উৎপাদন খণ্ডত নিয়োজিত হিতাধিকাৰীসকলক বিশেষ অগ্ৰাধিকাৰ দিবলৈ উদ্যোগ বিভাগক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰীৰ এই অভিযানক এক 'যুগান্তকাৰী পদক্ষেপ' হিচাপে অভিহিত কৰে, যাৰ জৰিয়তে ৰাজ্যৰ যুৱপ্ৰজন্মৰ মাজত স্বাৱলম্বিতা আৰু বহনক্ষম উদ্যোগশীলতা গঢ়ি তোলা সম্ভৱ হৈছে। কিন্তু একেলগে তেওঁ কঠোৰ সতৰ্কবাণীও প্ৰেৰণ কৰে-প্ৰথম কিস্তিৰ ধন যদি কোনো হিতাধিকাৰীয়ে নিৰ্ধাৰিত উদ্দেশ্যত ব্যৱহাৰ নকৰে, তেন্তে তেওঁক পৰৱৰ্তী কিস্তিৰ ধন প্ৰদান কৰা নহ'ব। ৰাজহুৱা ধন কেৱল অৰ্থনৈতিক সবলীকৰণৰ বাবেহে ব্যৱহাৰ কৰিব লাগে, ইয়াত কোনো প্ৰকাৰৰ গাফিলতি গ্ৰহণযোগ্য নহয় বুলি তেওঁ স্পষ্ট কৰি দিয়ে। কৃষিভূমিসমূহ পেলাই নাৰাখি সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ যুৱচামক উৎসাহিত কৰি মন্ত্ৰী হাজৰীকাই আগন্তুক বছৰৰ পৰা ৰাজ্যৰ কৃষি বিভাগে নাৰিকল, তামোল, বিলাতী বগৰী, লিচু আদি বাণিজ্যিক ফল-মূলৰ পুলি ব্যাপকভাৱে বিতৰণ কৰিব বুলি ঘোষণা কৰে। লগতে মাখনা খেতিৰ জৰিয়তে কৃষকে দুগুণ উপাৰ্জন কৰিব পাৰে বুলি উল্লেখ কৰি আগ্ৰহী কৃষকসকলক কৃষি বিভাগৰ তৰফৰ পৰা প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলিও আশ্বাস দিয়ে। আনহাতে, 'কৃষি আন্তঃগাঁথনি পুঁজি' (AIF) ৰ অধীনত ঋণ গ্ৰহণ কৰি কৃষি-ভিত্তিক ব্যৱসায় প্ৰতিষ্ঠা কৰিব বিচৰা নতুন উদ্যোগীসকলক অধিক উৎসাহিত কৰিবলৈ মৰিগাঁও জিলা কৃষি বিষয়াক সমগ্ৰ জিলাখনতে ব্যাপক সচেতনতামূলক শিবিৰ অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়ে মন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে এই ধৰণৰ শিবিৰে কৃষক আৰু যুৱ উদ্যোগীসকলক উপলব্ধ সুবিধাসমূহৰ বিষয়ে অৱগত কৰি তোলাৰ লগতে চৰকাৰী আঁচনিৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰাত সহায়ক হ'ব। সভাখনত উপস্থিত হিতাধিকাৰীসকলে তেওঁলোকৰ বিভিন্ন সমস্যা আৰু প্ৰস্তাৱ মন্ত্ৰীৰ সন্মুখত দাঙি ধৰে, যাৰ প্ৰতি মন্ত্ৰী হাজৰীকাই গুৰুত্ব সহকাৰে শুনি উপযুক্ত সমাধানৰ আশ্বাস প্ৰদান কৰে।

# অসমৰ বাবে ৫,০০০ কোটি টকাৰ

৩.৮ লাখতকৈও অধিক নতুন গৃহ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰী শৰ্মাই জানিবলৈ দিয়ে যে এই অনুমোদনৰ অন্তৰ্গত বানপীড়িত অঞ্চলসমূহক বিশেষ অগ্ৰাধিকাৰ দিয়া হৈছে। বানত ক্ষতিগ্ৰস্ত ঘৰসমূহ পুনৰ নিৰ্মাণ কৰিবলৈ অতিৰিক্ত প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহৰ অনুমোদন প্ৰদান কৰা হৈছে। লগতে, অসমৰ চাহ বাগিচা অঞ্চলসমূহত গৃহ নিৰ্মাণৰ বাবেও কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা অতিৰিক্ত সহায় ঘোষণা কৰা হয়, যাৰ ফলত চাহ জনগোষ্ঠীৰ লোকসকল উপকৃত হ'ব। ইয়াৰ উপৰিও কৃষি খণ্ডৰ উন্নয়নৰ বাবে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (RKVY)ৰ অধীনত অসমক অতিৰিক্ত ১৩৯ কোটি টকা অনুমোদন দিয়া হয়। এই ধনৰাশি বহনক্ষম কৃষি, কৃষি বিনিয়োগ আৰু কৃষকসকলৰ আয় বৃদ্ধিৰ বাবে ব্যয় কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৈঠকৰ পাছত এক ফেচবুক পোষ্টযোগে মুখ্যমন্ত্ৰী শৰ্মাই এই সিদ্ধান্তসমূহক 'অসমৰ বাবে এক বৃহৎ উপলব্ধি' বুলি অভিহিত কৰে। তেওঁ কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানলৈ অসমবাসীৰ হৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে আৰু কয় যে অসমক সদায় অগ্ৰাধিকাৰ দি অহাৰ বাবে তেওঁ কেন্দ্ৰীয় চৰকাৰৰ বিশেষভাৱে ঋণী। উল্লেখযোগ্য যে এই বিনিয়োগ আৰু গৃহ নিৰ্মাণৰ পদক্ষেপে অসমৰ আবাসন সংকট, বানপীড়িত পুনৰ্বাসন আৰু কৃষি খণ্ডৰ আন্তঃগাঁথনি উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই লগতে কয় যে এই সিদ্ধান্তসমূহ ৰূপায়ণৰ বাবে প্ৰশাসনিক স্তৰত সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি থোৱা হৈছে।

# ৰাজ্যপাল ৰমেন ডেকাৰ

বাতিল কৰিবলৈ উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল, আৰু ন্যায়ালয়ে দুই পক্ষৰ সন্মতি সাপেক্ষে গোচৰটোৰ নিষ্পত্তি কৰে। উল্লেখ্য যে, যুৱক দুজনে ফেচবুকত ৰাজ্যপাল ৰমেন ডেকাৰ বিৰুদ্ধে কটূক্তিপূৰ্ণ আৰু আপত্তিজনক মন্তব্য পোষ্ট কৰিছিল, যাৰ পৰিপ্ৰেক্ষিতত ৰায়পুৰ আৰক্ষী থানাত তেওঁলোকৰ বিৰুদ্ধে আইনী গোচৰ ৰুজু কৰা হৈছিল। গোচৰখন উচ্চ ন্যায়ালয়লৈ যোৱাৰ পাছত ন্যায়াধীশে দুয়োজন যুৱকক তেওঁলোকৰ কাৰ্য্যৰ বাবে দায়িত্ব লৈ ক্ষমা বিচাৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি, যুৱক দুজনে আদালতৰ সন্মুখত চৰ্তবিহীনভাৱে লিখিতভাৱে ক্ষমা বিচাৰে। লগতে, ন্যায়ালয়ে তেওঁলোকক ফেচবুকত মূল পোষ্টটো যিদৰে প্ৰকাশ কৰিছিল, ঠিক একেধৰণে পাব্লিকলৈ ক্ষমা বিচাৰি এটা পোষ্ট কৰিবলৈও নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও অসমৰ মুখ্য বাতৰি কাকতসমূহত তেওঁলোকে ক্ষমা প্ৰাৰ্থনাৰ বিজ্ঞাপন প্ৰকাশ কৰিব লাগিব বুলিও আদালতে স্পষ্টকৈ উল্লেখ কৰে। উচ্চ ন্যায়ালয়ে এই চৰ্তসমূহ পূৰ্ণ কৰাৰ পাছতেহে যুৱক দুজনক চৰ্ত সাপেক্ষে ৰেহাই প্ৰদান কৰে। আদালতৰ ৰায়ত উল্লেখ থাকে যে সামাজিক মাধ্যমত কোনো ব্যক্তি, বিশেষকৈ ৰাজ্যিক বা ৰাষ্ট্ৰীয় পদস্থ ব্যক্তিৰ বিষয়ে অমাৰ্জিত মন্তব্য কৰাটো আইনী দৃষ্টিত অসহনীয়, কিন্তু যিহেতু যুৱক দুজনে নিষ্পাপ মনোভাৱে নিজৰ ভুল স্বীকাৰ কৰি ক্ষমা বিচাৰিছে, সেয়েহে তেওঁলোকক দ্বিতীয় সুযোগ প্ৰদান কৰা হৈছে। ইফালে, ৰাজ্যপাল ৰমেন ডেকাৰ কাৰ্যালয় বা ব্যক্তিগতভাৱে তেওঁ এই ৰায় সম্পৰ্কে কোনো আনুষ্ঠানিক মন্তব্য প্ৰদান কৰা নাই। কিন্তু ঘটনাটোৱে অসম-ছত্তীশগড়ৰ ৰাজনৈতিক আৰু সামাজিক মহলত কিছু চৰ্চা লাভ কৰিছে, কাৰণ ৰমেন ডেকা অসমৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী আৰু বৰ্তমান ছত্তীশগড়ৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। দুই যুৱকৰ তৰফৰ পৰা আগবঢ়োৱা এই ক্ষমা প্ৰাৰ্থনাক অনেকে সঠিক আইনী পথ বুলি অভিহিত কৰিছে। অৱশ্যে, তেওঁলোকে আদালতৰ নিৰ্দেশ মতে অহা কেইদিনমানৰ ভিতৰতে ফেচবুকত ক্ষমা প্ৰাৰ্থনাৰ পোষ্ট আৰু কাকতত বিজ্ঞাপন প্ৰকাশ কৰিব বুলি আশা কৰা হৈছে। সমগ্ৰ ঘটনাটোৱে সামাজিক মাধ্যমৰ অপব্যৱহাৰ আৰু তাৰ আইনী পৰিণতি সম্পৰ্কে এখন গুৰুত্বপূৰ্ণ সতৰ্কবাণী হিচাপে বিবেচিত হৈছে। ছত্তীশগড় উচ্চ ন্যায়ালয়ৰ এই ৰায়ে ভৱিষ্যতে সামাজিক মাধ্যমত সচেতনতা আৰু দায়বদ্ধতা বৃদ্ধি কৰাত সহায় কৰিব বুলি অনুমান কৰা হৈছে।

# ভুল চিকিৎসকৰ বাবে প্ৰাণ

Magistrate) পযায়ে তদন্ত ঘোষণা কৰিছে। তদন্তৰ অংশ হিচাপে কাইলৈ (২৬ আগষ্ট) ৰাজহুৱা শুনানি অনুষ্ঠিত কৰিবলৈ গুৰুত্বপূৰ্ণ জাননী জাৰি কৰা হৈছে। এই শুনানি কাৰ্যবাহী দণ্ডাধীশৰ কাৰ্যালয়ত পুৱা ৰব বজাৰ পৰা বিয়লি ২ বজালৈ অনুষ্ঠিত হ'ব। শুনানিত জ্যোস্মিতা বৰাৰ মৃত্যুৰ পৰিস্থিতি, অস্ত্ৰোপচাৰৰ সময়ত হোৱা সম্ভাব্য ভুল, নাৰ্ছিংহোমৰ চিকিৎসা প্ৰক্ৰিয়া আৰু পৰৱৰ্তী চিকিৎসাৰ বিষয়ে বিস্তাৰিতভাৱে সোধা-পোছা কৰা হ'ব। দণ্ডাধীশৰ কাৰ্যালয়ে ইতিমধ্যে ঘটনাৰ লগত জড়িত চিকিৎসক, নাৰ্ছ আৰু পৰিয়ালৰ সদস্যসকলক শুনানিত উপস্থিত থাকিবলৈ নিৰ্দেশ দিছে। ইতিমধ্যে, জ্যোস্মিতা বৰাৰ মৃত্যুক লৈ গোলাঘাটত প্ৰতিবাদী সভা আৰু শোভাযাত্ৰাৰ আয়োজন কৰা হৈছে। ৰাইজে চিকিৎসকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা আৰু ন্যায্য বিচাৰ দাবী কৰি উঠিছে। ঘটনাটোৰ সঠিক তদন্ত নহ'লে পৰিস্থিতি অধিক সংকটজনক হৈ পৰিব বুলি স্থানীয় মহলে আশংকা প্ৰকাশ কৰিছে। জ্যোস্মিতা বৰাৰ মৃত্যুৰ ঘটনাই অসমৰ স্বাস্থ্য সেৱা ব্যৱস্থাৰ ওপৰত পুনৰ প্ৰশ্ন চিহ্ন তুলিছে। চিকিৎসক আৰু চিকিৎসালয়সমূহৰ দায়বদ্ধতা সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি পাইছে। ৰাজ্য চৰকাৰ আৰু স্বাস্থ্য বিভাগে এই ঘটনাৰ প্ৰতি গুৰুত্ব দি সঠিক বিচাৰৰ প্ৰতিশ্ৰুতি দিছে। আগন্তুক ৰাজহুৱা শুনানিত কি সিদ্ধান্ত ওলায়, তাৰ ওপৰতে জ্যোস্মিতা বৰাৰ পৰিয়াল আৰু স্থানীয় ৰাইজৰ ভৱিষ্যত পদক্ষেপ নিৰ্ভৰ কৰিব বুলি অনুমান কৰা হৈছে।

# শোভাযাত্ৰাৰে শিমলুগুৰিলৈ

ৰাজপথত নামি আহি মানসজ্যোতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইফালে, ঘটনাৰ তীব্ৰ নিন্দা জনাই বীৰ লাচিত সেনাই ২৪ ঘণ্টাৰ ভিতৰত দোষীক কৰায়ত্ত কৰাৰ দাবী জনাইছে। দোষীক গ্ৰেপ্তাৰ নকৰিলে পৰিস্থিতি অধিক ভয়াৱহ কৰি তোলাৰো হুংকাৰ দিছে সংগঠনটোৱে। ইফালে, বীৰ লাচিত সেনাৰ সদস্যসকলে ঘটনাস্থলীত আৰক্ষীৰ সৈতে সংঘৰ্ষত লিপ্ত হয়। আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা চলোৱাৰ সময়তে সংগঠনটোৰ কৰ্মীসকলে তীব্ৰ বিৰোধিতা কৰে আৰু আৰক্ষীৰ সৈতে হতাহতিও হয়। সংগঠনটোৰ নেতা শৃংখল চলিহাই কয়, "আমি ২৪ ঘণ্টাৰ ভিতৰত দোষীক কৰায়ত্ত কৰাৰ দাবী জনাইছো। যদি চৰকাৰে দোষীক গ্ৰেপ্তাৰ নকৰে, তেন্তে আমি পৰিস্থিতি অধিক ভয়াৱহ কৰি তুলিবলৈ বাধ্য হ'ম। " উল্লেখ্য যে, মানসজ্যোতি চেতিয়াৰ মৃত্যুৰ ঘটনাই ইতিমধ্যে শিমলুগুৰি আৰু অসমৰ বিভিন্ন প্ৰান্তত ব্যাপক ক্ষোভৰ সৃষ্টি কৰিছে। স্থানীয় ৰাইজ, ছাত্ৰ-যুৱ সংগঠন আৰু বিভিন্ন সামাজিক অনুষ্ঠানে ঘটনাটোৰ তীব্ৰ নিন্দা জনাই দোষীৰ সঠিক বিচাৰ দাবী কৰি আহিছে। শিমলুগুৰিৰ পৰিস্থিতি এতিয়াও উত্তাল বুলি জানিবলৈ দি আৰক্ষী সূত্ৰে কয় যে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা হৈছে। ঘটনাৰ তদন্ত চলি আছে আৰু দোষীক সোনকালে গ্ৰেপ্তাৰ কৰাৰ পদক্ষেপ লোৱা হ'ব বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

# গোৱালপাৰা-বিশ্বনাথত গৰু সৰবৰাহ

কাৰ্য সম্পন্ন কৰে। তেওঁ স্পষ্ট কৰি দিয়ে যে গৰু সৰবৰাহৰ পথ যিয়েই নহওক কিয়, আইনৰ হাতৰ পৰা কোনেও ৰক্ষা পাব নোৱাৰে। গৰু সুৰক্ষা চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰ আৰু সৰবৰাহকাৰী চক্ৰৰ বিৰুদ্ধে এই অভিযান অহৰহ চলি থাকিব বুলি তেওঁ দৃঢ়ভাৱে কয়। বিশ্বনাথ জিলাৰ অভিযান সম্পৰ্কে মুখ্যমন্ত্ৰীয়ে পোষ্টত উল্লেখ কৰে, "@BiswanathPol-এ এক বৃহৎ অভিযান চলাই অমানৱীয় পৰিস্থিতিত ৰজ্জুখন বাহনেৰে সৰবৰাহ কৰি থকা ১০৬টা পশু সুৰক্ষিতভাৱে উদ্ধাৰ কৰাৰ লগতে ৩৬জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে।'' তেওঁ এই পদক্ষেপক অসম চৰকাৰৰ গৰু সুৰক্ষাৰ প্ৰতি থকা দৃঢ় সংকল্প আৰু কৃষকৰ স্বাৰ্থ ৰক্ষাৰ প্ৰচেষ্টাৰ এক উজ্জ্বল নিদৰ্শন বুলি অভিহিত কৰে। বিশ্বনাথ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আশিফ আহমেদে জনোৱা মতে, গৰু সৰবৰাহৰ অভিযোগৰ ভিত্তিত দেওবাৰে সন্ধিয়া অভিযানটো চলোৱা হয়। এচএছপি আহমেদে কয় যে গ্ৰেপ্তাৰ হোৱা ৩৬জন অভিযুক্তৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁলোকক জেৰা কৰি সৰবৰাহ চক্ৰটোৰ সংযোগ আৰু আন্তঃৰাজ্যিক নেটৱৰ্ক সম্পৰ্কে অধিক তথ্য সংগ্ৰহৰ চেষ্টা চলাই থকা হৈছে। প্ৰাথমিক তদন্তত পোহৰত অহা মতে, উদ্ধাৰ কৰা গৰুসমূহৰ কিছু লখিমপুৰ, মাজুলী, অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী অঞ্চল আৰু বিশ্বনাথ জিলাৰ বিভিন্ন স্থানৰ পৰা কোনো বৈধ নথি অবিহনে সংগ্ৰহ কৰি অনা হৈছিল। সেই গৰুবোৰ পিছত নগাঁও, তেজপুৰ আৰু চুবুৰীয়া ৰাজ্য মেঘালয়লৈ সৰবৰাহ কৰাৰ উদ্দেশ্য নিয়া হৈছিল।

# আইন হাতত তুলি লোৱা কাৰ্যক

সম্পাদকজনকো আটক কৰা হয়। এই প্ৰেক্ষাপটত মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই স্পষ্ট বাৰ্তা দি কয় যে আইন নিজৰ হাতত লোৱা কাৰ্য কোনো অৱস্থাতে সহ্য নকৰা হ'ব আৰু দোষীসকলক কোনো ৰেহাই দিয়া নহয়। আৰক্ষী সূত্ৰৰ মতে, ইষ্ট খাচী হিলছ জিলাৰ আৰক্ষী অধীক্ষক বিবেক ছিয়েমে জনোৱা যে সহকাৰী সাংগঠনিক সম্পাদক জেৰমিয়া পথমীক দেওবাৰে নিশা নংমেনছং অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। সোমবাৰে তেওঁক আদালতত হাজিৰ কৰোৱা হয় আৰু আদালতে তিনিদিনীয়া আৰক্ষী জিম্মাত ৰখাৰ নিৰ্দেশ দিয়ে। ইয়াৰ পূৰ্বে আৰক্ষীয়ে কে এছ ইউৰ সভাপতি ৰেমণ্ড খাৰ্জানা, উপ-সভাপতি পিংকমেনলাং সংমীত আৰু সাধাৰণ সম্পাদক ৰুবেন নাজিয়াৰকো একেটা ঘটনাৰে জড়িত সন্দেহত আটক কৰিছিল। শ্বিলঙৰ হিংসাত্মক ঘটনাই অসম আৰু মেঘালয়ৰ মাজত চৰম উত্তেজনাৰ সৃষ্টি কৰিছিল। দেওবাৰে আবেলি মুখ্যমন্ত্ৰী চাংমাই এই পৰিস্থিতিক 'অতি দুৰ্ভাগ্যজনক' বুলি অভিহিত কৰি কয় যে চৰকাৰে সমাজত ভয় আৰু অস্থিৰতা বিয়পাবলৈ চেষ্টা কৰা সকলো লোকৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিব। তেওঁ লগতে কয়, "নিৰীহ লোকক মাৰপিট কৰা আৰু ক্ষতি কৰাটো কোনো ভাবেই গ্ৰহণযোগ্য নহয়। এটা শক্তিশালী বাৰ্তা আমাৰ সকলোৰে পৰা যাব লাগিব — আইন নিজে হাতত লৈ কোনো কাম কৰিব নোৱাৰি।" মুখ্যমন্ত্ৰী গৰাকীয়ে স্পষ্টকৈ উল্লেখ কৰে যে তেওঁৰ চৰকাৰ আলোচনাৰ বাবে সদায় মুকলি, কিন্তু ইয়াৰো এটা সীমা আছে। "সীমা অতিক্ৰম কৰিলে আইন অনুসৰি কঠোৰ ব্যৱস্থা লোৱা হ'ব। কোনো কাৰণতে আতংকিত নহ'বলৈ আৰু সমাজক শান্ত হৈ থাকিবলৈ মই নাগৰিকসকলক আহ্বান জনাইছো, "— তেওঁ কয়। ইপিনে, গ্ৰেপ্তাৰ হোৱা নেতাসকলে ঘটনাৰ লগত জড়িত নথকাৰ দাবী কৰিছে যদিও আৰক্ষীয়ে প্ৰমাণৰ ভিত্তিত কাৰ্য্য চলাই আছে। মেঘালয় চৰকাৰে জিলা প্ৰশাসন আৰু আৰক্ষী বাহিনীক নিৰ্দেশ দিছে যাতে যিকোনো অশান্তিকৰ কাৰ্যক তৎকালে দমন কৰা হয়। দীৰ্ঘদিনীয়া সীমান্ত সমস্যা আৰু ভাষাগত-সাংস্কৃতিক সম্পৰ্ক থকা অসম-মেঘালয়ে ইতিমধ্যে বহু সন্ধি আৰু বুজাবুজিৰ মাজেৰে সম্পৰ্ক সুদৃঢ় কৰি আহিছে। এই ঘটনাই কিছু অসুবিধা সৃষ্টি কৰিলেও মুখ্যমন্ত্ৰী চাংমাৰ প্ৰত্যক্ষ হস্তক্ষেপ আৰু আলোচনাৰ জৰিয়তে পুনৰ শান্তি বিৰাজ কৰিব বুলি আশা কৰা হৈছে। এই প্ৰেক্ষাপটত অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাইও শান্তি বৰ্তাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয় যে দুয়োখন ৰাজ্যৰ জনসাধাৰণে উস্কানিমূলক কথা-বতৰা বা কাৰ্যৰ পৰা আঁতৰি থাকিব লাগে। তেওঁ লগতে কয় যে অসম চৰকাৰে প্ৰয়োজনীয় সকলো ধৰণৰ সহযোগিতা আগবঢ়াই নিব। শ্বিলঙৰ হিংসাত্মক ঘটনাৰ সঠিক কাৰণ এতিয়াও তদন্তাধীন বুলি আৰক্ষী সূত্ৰে জনাইছে। গ্ৰেপ্তাৰী অভিযান অব্যাহত আছে আৰু প্ৰয়োজন সাপেক্ষে অধিক লোককো আটক কৰা হ'ব বুলি প্ৰশাসনীয় সূত্ৰই নিশ্চিত কৰিছে। সংবাদ সংস্থাক দিয়া ভাষণত মুখ্যমন্ত্ৰী চাংমাই কয়, "আমি শান্তিৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ, কিন্তু কোনো পক্ষই যদি আইনৰ সীমা অতিক্ৰম কৰে তেন্তে বিচাৰ হ'ব। সকলোৱে নিজ নিজ কামত সচেতন হৈ আগবাঢ়ি আহিব লাগে।" প্ৰশাসনে আশা প্ৰকাশ কৰিছে যে বৈঠক আৰু আলোচনাৰ ধাৰাবাহিকতাই অসম-মেঘালয়ৰ মাজৰ সম্পৰ্কক অধিক মজবুত কৰি তুলিব আৰু ভৱিষ্যতে এনে ঘটনা পুনৰ ঘটাত বাধা দিব।

# শিৱসাগৰৰ জিলা আয়ুক্তৰ সৈতে বিধায়ক অখিল গগৈৰ আচৰণক লৈ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, অভয়াপুৰী, ২৫ আগষ্ট ঃ** বিধায়ক অখিল গগৈৰ শিৱসাগৰৰ জিলা আয়ুক্তৰ সৈতে হোৱা আচৰণক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে। সোমবাৰে বঙাইগাঁও জিলাৰ অভয়াপুৰীত উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত অধ্যক্ষগৰাকীয়ে কয় যে একাংশ জনপ্ৰতিনিধিয়ে নিজকে ৰজা বুলি ভবা মানসিকতা পৰিহাৰ কৰিব লাগে। ৰঞ্জিত কুমাৰ দাসে কয়, চৰকাৰী বিষয়াসকলৰ সহযোগিতা অবিহনে মন্ত্ৰী-বিধায়কসকলৰ ক্ষমতা কাৰ্যতঃ শূন্য। চৰকাৰ পৰিচালনাৰ ক্ষেত্ৰত মন্ত্ৰী-বিধায়কসকলে নীতি-নিৰ্দেশনা আৰু দিহা-পৰামৰ্শ দিয়াৰ লগতে প্ৰশাসনৰ বিষয়াসকলৰ সৈতে সমন্বয়ৰে কাম কৰিব লাগিব বুলি তেওঁ মন্তব্য কৰে। অধ্যক্ষগৰাকীৰ মতে, চৰকাৰী বিষয়া-আমোলাসকল চৰকাৰৰ প্ৰশাসনিক ব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ অংশ। মন্ত্ৰী-বিধায়কসকলে বিষয়াসকলক কেৱল নিজৰ অধীনস্থ কৰ্মচাৰী হিচাপে গণ্য কৰি তেওঁলোকৰ সৈতে অসন্মানজনক আচৰণ কৰিলে প্ৰশাসনিক কাম-কাজত নেতিবাচক প্ৰভাৱ পৰিব পাৰে। তেওঁ কয়, "মন্ত্ৰী-বিধায়কসকলে যদি ভাবে যে বিষয়া সকল আমাৰ তলত কাম কৰে, তেন্তে সেইসকলৰ নিচিনা মুৰ্খ পৃথিৱীত কোনো নাই। আমি বিষয়া সকলৰ লগত থাকি কাম কৰিব লাগিব।" অখিল গগৈৰ আচৰণে শিৱসাগৰ জিলাৰ স্বাৰ্থত নেতিবাচক প্ৰভাৱ পেলাব পাৰে বুলিও আশংকা প্ৰকাশ কৰে বিধানসভাৰ অধ্যক্ষগৰাকীয়ে। সেয়ে জনপ্ৰতিনিধিসকলে এনে আচৰণৰ পৰা আঁতৰি থাকি




বিষয়া-প্ৰশাসনৰ সৈতে সহযোগিতামূলক সম্পৰ্ক বজাই ৰাখি কাম কৰা উচিত বুলি তেওঁ মত প্ৰকাশ কৰে। ইফালে, সোমবাৰে বঙাইগাঁও জিলাৰ অভয়াপুৰীত উপস্থিত হয় অসম বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাস। অভয়াপুৰীৰ বৰঘোলাস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী ৰঘুনাথ বিগ্ৰহ মন্দিৰ সত্ৰ পৰিভ্ৰমণ কৰি তেওঁ সত্ৰখনৰ পৰিৱেশ আৰু ধৰ্মীয়-সাংস্কৃতিক দিশসমূহৰ বুজ লয়। অধ্যক্ষগৰাকীৰ অভয়াপুৰী ভ্ৰমণক কেন্দ্ৰ কৰি স্থানীয় লোকসকলৰ মাজতো উৎসাহ পৰিলক্ষিত হয়। সত্ৰ পৰিভ্ৰমণৰ পাছতে সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰি তেওঁ ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থা, জনপ্ৰতিনিধি আৰু চৰকাৰী বিষয়াসকলৰ মাজত সু-সমন্বয়ৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জনপ্ৰতিনিধি আৰু প্ৰশাসনৰ মাজত সুস্থ সম্পৰ্কইহে চৰকাৰী কাম-কাজ অধিক ফলপ্ৰসূ কৰি তুলিব পাৰে বুলি মন্তব্য কৰি অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে সকলো পক্ষকে দায়িত্বশীল আৰু সংযত আচৰণেৰে জনসেৱাত আগবাঢ়ি আহিবলৈ আহ্বান জনায়।

# বৃহত্তৰ ডুমডুমা অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ ২ ঘণ্টীয়া অৱস্থাত ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ: স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৫ আগষ্ট ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা সম-জিলাৰ অন্তৰ্গত অঞ্চলসমূহৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত আজি ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাই ডুমডুমা চহৰৰ মাজমজিয়াত অৱস্থিত গান্ধীমূৰ্তিৰ সমীপত ২ ঘণ্টীয়া অৱস্থাত ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। জিলাৰ চাহ নগৰীৰূপে খ্যাত তথা বিভিন্ন ভাষা-ভাষী আৰু জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ বৃহত্তৰ ডুমডুমা অঞ্চলৰ শৈক্ষিক, সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰখনৰ বিভিন্ন সমস্যা চৰকাৰ তথা জিলা প্ৰশাসনক দৃষ্টিগোচৰ কৰাৰ উদ্দেশ্যে ৰূপায়ণ কৰা এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা প্ৰতিবাদকাৰীসকলে চৰকাৰ বিৰোধী বিভিন্ন শ্লোগান দিয়ে। এই অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ অন্তত ডুমডুমা সম-জিলাৰ জৰিয়তে তিনিচুকীয়া জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। এই স্মাৰক পত্ৰখন গ্ৰহণ কৰে ডুমডুমা সম-জিলাৰ সহকাৰী আয়ুক্ত সুদীপ গগৈয়ে। ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাই প্ৰদান কৰা স্মাৰক পত্ৰত উল্লেখ কৰা দাবী সমূহ হ'ল ক্ৰমে-বৃহত্তৰ ডুমডুমা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ কৰা, বৃহত্তৰ ডুমডুমা অঞ্চলৰ জনসাধাৰণৰ চিকিৎসাৰ একমাত্ৰ ভৰসা ডুমডুমা এফ আৰ ইউ হস্পিতালখনত সীমিত সা-সুবিধা থকাৰ বাবে বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। সেয়ে উক্ত এফ আৰ ইউ'খন সমজিলা চিকিৎসালয়লৈ উন্নীতকৰণ কৰা, বৃহত্তৰ ডুমডুমা অঞ্চলত বৰ্তমান সময়ত অতি উদ্বেগজনকভাৱে নিচাযুক্ত দ্ৰব্য, বিশেষকৈ ড্ৰাগছৰ প্ৰচলনে নৱ-প্ৰজন্মক একপ্ৰকাৰ মৃত্যুৰ মুখলৈ লৈ যোৱাৰ লগতে অঞ্চলটোত অপৰাধমূলক কাৰ্যকলাপ বৃদ্ধি পাইছে। সেয়ে এনে নিচাযুক্ত সামগ্ৰীৰ প্ৰচলন আৰু সেৱন কৰা লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা, চাহ নগৰী হিচাপে খ্যাত ডুমডুমাত এটি চাহ গৱেষণা কেন্দ্ৰ প্ৰতিষ্ঠা কৰা, ডুমডুমা চহৰত যান-জঁটৰ সমস্যা সমাধানৰ বাবে এটি বহুতৰপীয়া পাৰ্কিং গৃহ নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা, বৃহত্তৰ ডুমডুমা অঞ্চলৰ ৰূপাই চাইডিং স্থিত ডুমডুমা মহাবিদ্যালয়কে ধৰি উক্ত ঠাইত থকা অন্যান্য বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ



সুবিধাৰ বাবে ডুমডুমা মহাবিদ্যালয়ৰ সন্মুখত আৰু ডনবস্ক' স্কুল তিনিআলিত দুখন ফুটব্ৰীজ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা আৰু ডুমডুমা তথা ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত সঘনাই বৃদ্ধি পোৱা পথ দুৰ্ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত জিলা প্ৰশাসন আৰু জিলা পৰিবহণ বিভাগক বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী উত্থাপন কৰে। উল্লেখযোগ্য যে, এই স্মাৰক পত্ৰখনৰ প্ৰতিলিপি অসম চৰকাৰৰ মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, স্বাস্থ্যমন্ত্ৰী আৰু ডুমডুমা সমষ্টিৰ বিধায়কলৈ প্ৰেৰণ কৰি অতিশীঘ্ৰে দাবীসমূহ পূৰণ কৰাৰ আহ্বান জনায়। লগতে দাবীসমূহ শীঘ্ৰে সমাধান নকৰিলে ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাই ধাৰাবাহিকভাৱে তীব্ৰ গণতান্ত্ৰিক আন্দোলন অব্যাহত ৰাখিব বুলি হুংকাৰ প্ৰদান কৰে। আজিৰ এই কাৰ্যসূচীত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক পাপু মৰাণ, সাংগঠনিক সম্পাদকদ্বয় মনোজ মৰাণ আৰু অমৃত পাল সিং, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বিৰাজ গোঁহাই, সাধাৰণ সম্পাদক সমুজ্জ্বল বড়া সোণোৱালকে প্ৰমুখ্য কৰি আঞ্চলিকৰ আৰু শাখা সমূহৰ বিষয়ববীয়া, সদস্যা-সদস্যাসকল উপস্থিত থাকে।

# বাক্সাৰ গোৱৰ্দ্ধনাত ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন বিধায়ক থানেশ্বৰ বসুমতাৰীৰ

**অসম বাৰ্তা, শালবাৰী, ২৫ আগষ্ট ঃ** কৃষকসকলৰ উৎপাদিত ধানৰ ন্যায্য মূল্য নিশ্চিত কৰাৰ লগতে ধান বিক্ৰীৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ সমাধানৰ লক্ষ্যৰে বাক্সা জিলাৰ গোৱৰ্দ্ধনাত আনুষ্ঠানিকভাৱে এটি ধান ক্ৰয় কেন্দ্ৰৰ শুভ উদ্বোধন কৰা হয়। এই ধান ক্ৰয় কেন্দ্ৰটোৰ শুভ উদ্বোধন কৰে ৪১ নং মানাহ বিধান সভাৰ বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে। বিধায়ক থানেশ্বৰ বসুমতাৰীৰ সভাপতিত্বত আয়োজিত অনুষ্ঠানত কৃষকসকল, স্থানীয় কৃষক ৰাইজ, কৃষি বিভাগৰ বিষয়া আৰু বিভিন্ন বিভাগৰ প্ৰতিনিধিসকলৰ উপস্থিতি পৰিলক্ষিত হয়। অনুষ্ঠানত বক্তব্য ৰাখি বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে কয় যে, কৃষক হৈছে দেশৰ অৰ্থনীতিৰ মূল ভেটি, আৰু কৃষকৰ উৎপাদিত ধানৰ উচিত মূল্য নিশ্চিত কৰাটো চৰকাৰৰ অন্যতম প্ৰধান দায়িত্ব। তেওঁ উল্লেখ কৰে যে চৰকাৰী ধান ক্ৰয় ব্যৱস্থা অধিক শক্তিশালী হ'লে কৃষকসকলে মধ্যভোগীৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া নহয় আৰু উৎপাদিত ধানৰ ন্যায্য মূল্য লাভ কৰিবলৈ সক্ষম হ'ব। বিধায়কে লগতে কয় যে ধান ক্ৰয় কেন্দ্ৰ স্থাপনৰ ফলত অঞ্চলটোৰ কৃষকসকলে সহজে আৰু স্বচ্ছ পদ্ধতিত নিজৰ ধান বিক্ৰী কৰিব পাৰিব। ইয়াৰ জৰিয়তে কৃষকৰ আৰ্থ-সামাজিক উন্নয়ন ঘটাৰ লগতে কৃষি খণ্ড অধিক শক্তিশালী হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। অনুষ্ঠানত বক্তব্য ৰাখি বাক্সা জিলা কৃষি বিষয়া কৈলাস তালুকদাৰে কৃষকসকলৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে কৃষকসকলৰ অভিযোগ আৰু সমস্যাসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰি বিভাগে স্থায়ী সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব। বিশেষকৈ সাৰ আৰু উন্নত মানৰ বীজ সময়মতে যোগান, কৃষক আইডি প্ৰস্তুত কৰাত হোৱা বিসংগতি আৰু অন্যান্য প্ৰশাসনিক সমস্যাসমূহ অতি সোনকালে সমাধান কৰা হ'ব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে, বা'ৰ জালাহ ৰাজহ চক্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ কৃষকসকলে দীৰ্ঘদিন ধৰি সাৰ-বীজৰ সময়মতে যোগান নোপোৱা, কৃষক আইডি প্ৰস্তুত কৰাত জটিলতা আৰু কৃষি আঁচনিৰ সুবিধা লাভ কৰাত সমস্যাৰ সন্মুখীন হৈ আহিছিল। এই সমস্যাসমূহ অনুষ্ঠানত উপস্থিত কৃষক আৰু ৰাইজৰ ফালৰ পৰা উত্থাপন কৰা হয়। জিলা কৃষি বিষয়া কৈলাস তালুকদাৰে এই বিসংগতিসমূহ দূৰ কৰাৰ বাবে বিভাগীয়ভাৱে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। উক্ত অনুষ্ঠানত অতিৰিক্ত আয়ুক্ত ৰিতুপৰ্ণা দাস, শালবাৰী মহকুমাৰ মহকুমাধিপতি মানস জ্যোতি মালাকাৰ, এডিঅ' ধীৰেন দাস, বৰপেটাৰোড বিদ্যুৎ সংমণ্ডলৰ চক্ৰ বিষয়া আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকে। গোৱৰ্দ্ধনাত ধান ক্ৰয় কেন্দ্ৰ স্থাপনৰ এই পদক্ষেপে অঞ্চলটোৰ কৃষকসকলৰ মাজত আশাৰ সঞ্চাৰ কৰিছে। কৃষকসকলে আশা প্ৰকাশ কৰিছে যে চৰকাৰী এই ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ উৎপাদিত ধানৰ ন্যায্য মূল্য নিশ্চিত হোৱাৰ লগতে কৃষি ক্ষেত্ৰত নতুন সম্ভাৱনাৰ দ্বাৰ মুকলি হ'ব।

## আক্ৰান্তসকলক উন্নত চিকিৎসাৰ বাবে আৰ্থিক সাহায্য প্ৰদানৰ দাবী বজালী জিলা আমছুৰ

# স্বাধীনতা দিৱসত বুট খাই অসুস্থ পল্লাৰপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১২৫ ছাত্ৰ-ছাত্ৰী

**অসম বাৰ্তা, কুমুল্লী পাৰা, ২৫ আগষ্ট ঃ** স্বাধীনতা দিৱস উপলক্ষে বিদ্যালয়ত বিতৰণ কৰা বুট খোৱাৰ পিছত অসুস্থ হৈ পৰা পল্লাৰপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰায় ১২৫ গৰাকী ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্যক লৈ উদ্বেগ অব্যাহত আছে। অসুস্থ ছাত্ৰ-ছাত্ৰীসকলৰ একাংশ বৰ্তমানেও সম্পূৰ্ণৰূপে সংকটমুক্ত হোৱা নাই বুলি দাবী কৰিছে বজালী জিলা আমছুৱে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত আক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলক উন্নত চিকিৎসা প্ৰদানৰ লগতে চিকিৎসাৰ বাবে চৰকাৰীভাৱে আৰ্থিক সাহায্য আগবঢ়োৱাৰ দাবীত শুকমানাস্থিত পল্লাৰপাৰ বজাৰত বজালী জিলা আমছুৱে এখন সংবাদ মেল অনুষ্ঠিত কৰে। সংবাদ মেলত আমছুৰ নেতৃবৃন্দই অভিযোগ কৰে যে স্বাধীনতা দিৱসৰ দিনা বিদ্যালয়ত বুট বিতৰণ কৰাৰ পিছতে বহু ছাত্ৰ-ছাত্ৰী অসুস্থ হৈ পৰে। অসুস্থসকলৰ চিকিৎসাৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ অৱহেলা নহয়, তাৰ বাবে প্ৰশাসন আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংগঠনটোৱে আহ্বান জনায়। সংবাদ মেলত বজালী জিলা আমছুৰ সভাপতি জাহিদুল ইছলাম, সাধাৰণ সম্পাদকদ্বয় আজাহাৰ আলী আহমেদ আৰু আবু বাক্কাৰ ছিদ্দিকৰ লগতে সংগঠনটোৰ কেইবাগৰাকীও বিষয়ববীয়া আৰু কাৰ্যকৰ্তা উপস্থিত থাকে। আমছুৰ নেতৃবৃন্দই আক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্যৰ পৰিস্থিতি নিয়মীয়াকৈ পৰ্যবেক্ষণ কৰা, প্ৰয়োজন অনুসৰি উন্নত চিকিৎসাৰ ব্যৱস্থা কৰা আৰু চিকিৎসাৰ সমগ্ৰ ব্যয় বহন কৰিবলৈ চৰকাৰ তথা জিলা প্ৰশাসনৰ ওচৰত দাবী জনায়। ইফালে, ঘটনাটোৰ প্ৰকৃত কাৰণ নিৰ্ণয়ৰ বাবে খাদ্যৰ নমুনা পৰীক্ষা, স্বাস্থ্য বিভাগৰ তদন্ত আৰু দায়িত্বশীল পক্ষৰ বিৰুদ্ধে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰো দাবী উত্থাপন কৰে আমছুৱে। ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্যৰ সৈতে জড়িত এনে ঘটনাক গুৰুত্বসহকাৰে লৈ ভৱিষ্যতে বিদ্যালয়সমূহত খাদ্য বিতৰণৰ ক্ষেত্ৰত অধিক সতৰ্কতা অৱলম্বন কৰাৰ বাবেও সংগঠনটোৱে আহ্বান জনায়।

## যিকোনো মুহূৰ্তত ভয়ংকৰ দুৰ্ঘটনাৰ আশংকা

# নামতিৰ খৰিকটীয়া আলিৰ পকী দলং বিপদ সংকুল

**অসম বাৰ্তা, গেলেকী, ২৫ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ নামতি ধাদুমীয়া গাঁও সমীপৰ খৰিকটীয়া আলিৰ ওপৰত থকা পকী দলংখন সম্প্ৰতি অত্যন্ত বিপদসংকুল অৱস্থালৈ গতি কৰিছে। বিভাগীয় কৰ্তৃপক্ষৰ চৰম অৱহেলাৰ বাবে উক্ত পথটোৰে চলাচল কৰা সৰ্বসাধাৰণ ৰাইজ আৰু যানবাহনৰ বাবে ই এতিয়া এক মৰণফান্দলৈ ৰূপান্তৰিত হৈছে। উল্লেখ্য যে, যোৱা ১৯ জুলাইত অহা প্ৰলয়ংকাৰী বানৰ প্ৰবল সোঁতে দলংখনৰ দুয়োটা মূৰৰে তলৰ মাটি খহাই নিয়াত বৃহৎ গাতৰ সৃষ্টি হৈছে। উন্মুক্ত অৱস্থাত থকা এই প্ৰকাণ্ড গাতসমূহে নিশাৰ সময়ত বা প্ৰতিকূল বতৰত যিকোনো মুহূৰ্ততে ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত কৰাৰ সম্পূৰ্ণ সম্ভাৱনা আছে। অৱস্থা অধিক জটিল কৰি তুলিছে পথটোৰে চলি থকা অনিয়ন্ত্ৰিত গধুৰ যান-বাহনে। সম্প্ৰতি এই বিপন্ন দলংখনৰ ওপৰেৰে অ'এনজিচি (ONGC)-ৰ গধুৰ যানবাহনৰ লগতে ব্যৱসায়িক ডাম্পাৰসমূহ অবাধে চলাচল কৰিবলৈ লৈছে। বানত মাটি খহি দুৰ্বল হৈ পৰা দলংখনে এই গধুৰ ওজন সহ্য কৰিব নোৱাৰি সম্পূৰ্ণ খহি পৰাৰ পথত উপনীত হৈছে। স্থানীয় ৰাইজে অভিযোগ কৰা অনুসৰি, বানপানী সম্প্ৰসাৰিত হোৱাৰ একমাহ উকলি যোৱাৰ পিছতো লোকনিৰ্মাণ বিভাগ বা সংশ্লিষ্ট কৰ্তৃপক্ষই অঞ্চলটোত উপস্থিত হৈ কোনো ধৰণৰ মেৰামতি বা সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা নাই। বিভাগীয় কৰ্তৃপক্ষৰ এনে উদাসীনতাই স্থানীয় বাসিন্দা আৰু যাত্ৰীসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। ৰাইজে লোকনিৰ্মাণ বিভাগক অতি শীঘ্ৰেই দলংখনৰ দুয়োটা মূৰৰ মেৰামতি কৰাৰ লগতে তাৎক্ষণিকভাৱে সুৰক্ষামূলক ছাইনব'ৰ্ড স্থাপন কৰিবলৈ দাবী জনাইছে। অনাগত দিনত কৰ্তৃপক্ষই জৰুৰী পদক্ষেপ নল'লৈ কোনো ডাঙৰ দুৰ্ঘটনা সংঘটিত হ'লে তাৰ বাবে বিভাগ নিজেই দায়ী হব বুলি ৰাইজে সকীয়াই দিছে।

# মাজুলীৰ দুৰ্গম আঁহতগুৰিত ঐতিহাসিক উন্মেষ; স্বাধীনতাৰ সুদীৰ্ঘ ৮০ বছৰৰ পিছত পোহৰৰ মুখ দেখিব ৭ হাজাৰ পৰিয়ালে

## বিধায়ক ভুৱন গাম আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশেষ তৎপৰতাত আৰম্ভ আৰডিএছএছ (RDSS) আঁচনিৰ কাম

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ আগষ্ট ঃ** ২০২৬ চনৰ ২৫ আগষ্টৰ দিনটো আহতগুৰি বাসীৰ বাবে এক উল্লেখ যোগ্য দিন। স্বাধীনতাই ৮০ বছৰ অতিক্ৰম কৰাৰ পিছতো বিদ্যুৎ সেৱাৰ নামত কেৱল অন্ধকাৰ আৰু নিৰাশা দেখি অহা মাজুলীৰ অতি দুৰ্গম আঁহতগুৰিবাসীৰ বাবে অৱশেষত আহি পৰিল এক ঐতিহাসিক সুখবৰ। সুদীৰ্ঘ দিনৰ অন্ধকাৰ নেওচি পোহৰৰ দিশে ধাৱমান হৈছে অঞ্চলটোৰ প্ৰায় ৭ হাজাৰ পৰিয়াল। স্থানীয় বিধায়ক ভুৱন গামৰ সৰল প্ৰচেষ্টা আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ জনকল্যাণমুখী পদক্ষেপৰ ফলশ্ৰুতিত আঁহতগুৰি অঞ্চলত বৃহৎ পৰিসৰৰ বিদ্যুতায়ন প্ৰক্ৰিয়া ক্ষিপ্ৰতাৰে আৰম্ভ হৈছে। উল্লেখযোগ্য যে, '২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে আঁহতগুৰিৰ ৰাইজে নদীদ্বীপ মাজুলীৰ বিধায়ক ভুৱন গামক সাক্ষাৎ কৰি এখন লিখিত আবেদন দাখিল কৰিছিল। সুদীৰ্ঘ দিন ধৰি মৌলিক সুবিধাৰ পৰা বঞ্চিত আঁহতগুৰিবাসীয়ে অঞ্চলটোত বিদ্যুৎ সেৱা উপলব্ধ কৰিবলৈ চৰকাৰক দাবী জনাইছিল। বিধায়ক ভুৱন গামে ৰাইজৰ এই সমস্যাক অত্যন্ত গুৰুত্বসহকাৰে গ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ কৰে। মুখ্যমন্ত্ৰীৰ সঁহাৰি আৰু বিধায়কগৰাকীৰ প্ৰত্যক্ষ হস্তক্ষেপত ৰাইজৰ সপোন আজি বাস্তৱত পৰিণত হ'বলৈ ধৰিছে। আৰডিএছএছ (RDSS) আঁচনিৰ জৰিয়তে ব্যাপক সংযোগ ভাৰত চৰকাৰৰ বিদ্যুৎ মন্ত্ৰালয় আৰু অসম চৰকাৰৰ শক্তি বিভাগৰ যুটীয়া উদ্যোগত সম্প্ৰতি কাৰ্যকৰী কৰা সংশোধিত সংস্কাৰভিত্তিক আৰু ফলাফল সংযুক্ত বিতৰণ খণ্ড (RDSS) আঁচনিৰ অধীনত আঁহতগুৰিৰ বিদ্যুতায়নৰ কাম-কাজ পূৰ্ণগতিত আৰম্ভ হৈছে। এই অভিলাষী প্ৰকল্পৰ দ্বাৰা অঞ্চলটোৰ বিদ্যুৎ সংযোগ নথকা প্ৰায় ৭ হাজাৰ ঘৰলৈ পোনপটীয়াকৈ বিদ্যুৎ যোগান ধৰা হ'ব। ধুমুহা-বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ মাজতো দুৰ্গম এলেকাত বিদ্যুতৰ খুঁটা আৰু তাৰ টানি কাম সম্পূৰ্ণ কৰাৰ বাবে শক্তি বিভাগে যুদ্ধকালীন তৎপৰতা চলাইছে। আঁহতগুৰিবাসীৰ উচ্ছ্বসিত ধন্যবাদ আৰু কৃতজ্ঞতা স্বাধীন ভাৰতত সুদীৰ্ঘ আঠটা দশক ধৰি পোহৰৰ অভাৱত শৈক্ষিক, অৰ্থনৈতিক আৰু সামাজিকভাৱে পিছপৰি থকা আঁহতগুৰিবাসীয়ে এই পদক্ষেপক এক 'ঐতিহাসিক পৰিৱৰ্তন' বুলি আখ্যা দিছে। চৰকাৰৰ এনে যুগান্তকাৰী সিদ্ধান্তৰ বাবে অঞ্চলটোৰ ৰাইজে স্থানীয় বিধায়ক ভুৱন গাম আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অন্তৰৰ পৰা আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা প্ৰকাশ কৰিছে। উন্নয়নৰ নতুন দিগন্তস্থানীয় সচেতন ৰাইজৰ মতে, আঁহতগুৰিত বিদ্যুৎ সেৱা সুচল হৈ উঠিলে কেৱল ঘৰসমূহেই পোহৰাই নোতুলিব, বৰঞ্চ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন, সৰু-বৰ ব্যৱসায়-বাণিজ্য আৰু যোগাযোগ ব্যৱস্থালৈ এক নতুন জোৱাৰ আনিব। সুদীৰ্ঘ দিনৰ যাতনা অন্ত পেলাই আঁহতগুৰিৰ ৭ হাজাৰ পৰিয়াল এতিয়া নতুন আশাবাদেৰে উজলি উঠিবলৈ সাজু হৈছে।

# ১০ ছেপ্টেম্বৰত বিশাল গণ প্ৰতিবাদ আৰু উজনি অসম বন্ধৰ হুংকাৰ আটাছুৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, শিৱসাগৰ, ২৫ আগষ্ট ঃ** শিৱসাগৰ আৰু চৰাইদেউ জিলাত হোৱা মহাপ্ৰলয়ৰ দ্বাৰা বিধস্ত হোৱা পৰিয়াল সমূহক উপযুক্ত ক্ষতিপূৰণ আৰু পুনৰসংস্থাপন দাবীত আজি তাই আহোম ছাত্ৰ সন্থাই শিৱসাগৰত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। ঐতিহাসিক শিৱদৌলৰ পৰা বৃহৎ প্ৰতিবাদী শোভাযাত্ৰাৰে শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ, সন্মুখত উপস্থিত হোৱাৰ পাছত প্ৰতিবাদী জনতাক উদ্দেশ্যি আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈয়ে কয় যে, শিল কয়লা খনন আৰু অবাধ বন ধ্বংসৰ ফলত নগালেণ্ডৰ পৰা অহা প্ৰলয়ংকাৰী বানপানীয়ে ঐতিহাসিক শিৱসাগৰ আৰু চৰাইদেউ জিলাখন ধ্বংসস্তূপত পৰিণত কৰিলে। এই মহাতাণ্ডৱৰ পাছত এতিয়াও ৩০০ ৰো অধিক লোকৰ মৃতদেহ পলস আৰু বোকাৰ মাজত সোমাই থকাৰ আশংকা কৰা হৈছে। এই জিলাদুখনৰ জনসাধাৰণ আৰ্থিক ভাৱে ২০ বছৰ পিছুৱাই গ'ল যদিও চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। আটাছুৰ তৰফৰ পৰা আমি এই বিধস্ত জিলা দুখনৰ জনসাধাৰণৰ পুনৰসংস্থাপন আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে ১০ হেজাৰ কোটি টকাৰ কেন্দ্ৰীয় সাহায্যৰ দাবী জনাইছোঁ। চৰকাৰে যদি আটাছুৰ এই দাবীৰ প্ৰতি সঁহাৰি নিদিয়ে তেন্তে অহা ১০ ছেপ্টেম্বৰত আটাছুৱে শিৱসাগৰত বৃহৎ গণ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব। তাৰপিছতো যদি চৰকাৰে খিলঞ্জীয়া বানাক্ৰান্ত সকলক গুৰুত্ব নিদিয়ে তেন্তে আটাছুৱে উজনি অসম বন্ধৰ দৰে কঠোৰ গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব। আই আই টিৰ বিশেষজ্ঞৰ দ্বাৰা দিখৌ নদীৰ বক্ষ খনন নকৰাৰ লগতে ১৯৬০ চনতেই নিৰ্মিত ভগ্ন আৰু দুৰ্বল মঠাউৰি সমূহ পুনৰ নিৰ্মাণ নকৰাৰ ফলতেই শিৱসাগৰত হোৱা বিধ্বংসী বানে শ শ লোকৰ প্ৰাণ কাঢ়ি নিলে। এই বিপদৰ সময়ত ৰাজনীতিৰ ভেদাভেদ পাহৰি অখিল গগৈ, সুশান্ত বৰগোহাঁই, ময়ূৰ বৰগোহাঁই, ধৰ্মশ্বৰ কোঁৱৰৰ দৰে জনপ্ৰতিনিধিয়ে মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা ১০ হেজাৰ কোটি টকাৰ বান সাহায্য আজুৰি আনিবলৈ বুলি বসন্ত গগৈয়ে দাবী জনায়। এই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াই কয় যে, বৰ্তমানেও শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানাক্ৰান্ত ৰাইজে চৰকাৰৰ পৰা পাবলগীয়া ১৫ হেজাৰ টকাৰ বাবে আয়ুক্ত কাৰ্যালয়লৈ তাতবাতি কৰিবলগীয়া হৈছে। চৰকাৰে অসমীয়া দুৰ্ভগীয়া লোকসকলক ভিক্ষাৰীৰ দৰে ব্যৱহাৰ কৰিছে। সেয়ে জনতাৰ মাজত প্ৰবল ক্ষোভ প্ৰকাশ পাইছে। সেয়ে আটাছুৱে কৰা দাবী অনুসৰি কেন্দ্ৰীয় চৰকাৰে উজনি অসমৰ বানাবিধস্ত ৰাইজৰ বাবে অতি সোনকালেই ১০ হেজাৰ কোটি টকা মুকলাই দিয়া উচিত বুলি মনিৰুল ইছলাম বড়াই মন্তব্য কৰে। ইয়াৰ পিছতেই আটাছুৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি অখিল আহোম, কাৰ্যকৰী সভাপতি মাধুৰ্য চেতিয়া, যুটীয়া সম্পাদক পাৰ্থ গগৈ আৰু দেৱজিৎ চাংমাইয়ে ১০ হেজাৰ কোটি টকাৰ কেন্দ্ৰীয় বান সাহায্যকে ধৰি ১০ দফীয়া দাবী সম্বলিত এখন স্মাৰক পত্ৰ শিৱসাগৰ জিলা আয়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে।

# শিৱসাগৰৰ বানপীড়িত ছাত্ৰ-ছাত্ৰীলৈ সাহায্য প্ৰদান তিনিচুকীয়াৰ চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ

**অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ২৫ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ নাজিৰা অঞ্চলৰ বান বিধ্বস্ত কেইবাখনো বিদ্যালয়ত তিনিচুকীয়া জিলাৰ "চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাক্তন ছাত্ৰ সন্মিলনী"ৰ তৰফৰ পৰা বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ বাবে ৫০০ স্কুল কিট প্ৰদান কৰে। জয়খাজাম মলাগাঁও মধ্য ইংৰাজী বিদ্যালয়, মাদুৰি ছিনিয়ৰ বেছিক স্কুল, জয়মতী হাইস্কুল, নৱজ্যোতি নামডাং হাইস্কুল, খটখটি মধ্য ইংৰাজী বিদ্যালয়, বৰাখোৱা প্ৰাথমিক বিদ্যালয়, বৰাখোৱা মধ্য ইংৰাজী বিদ্যালয়, ৩৪১ নং লখিমীপুখুৰী প্ৰাথমিক বিদ্যালয়, নামতি চুণপুৰা প্ৰাথমিক বিদ্যালয় আদি কেইবাখনো বিদ্যালয়ত প্ৰদান কৰা এই স্কুল কিটটোত আছে এটা স্কুল বেগ, ২খন বহী, ১খন আৰ্ট কৰা বহী, ৰং পেঞ্চিল, কলম, পেঞ্চিল, ৰবৰ, শ্বাৰ্পনাৰ টেবুল ইত্যাদি। এই কাৰ্য্যত শিৱসাগৰ জিলাৰ শিক্ষা বিভাগৰ শ্ৰীমতী সংগীতা গগৈ, মৌচুমী সভাপণ্ডিত আৰু মীনাক্ষী চেতিয়াই সহায় কৰে। চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সমন্বয়ক প্ৰাঞ্জল প্ৰতীম দত্তই সাহায্য প্ৰদান কৰি বানপীড়িত ৰাইজৰ কাষত থিয় হৈ কিঞ্চিতমান হ'লেওঁ সহায়ৰ হাত আগবঢ়াবলৈ আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সাহায্য প্ৰদানৰ সময়ত চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সভাপতি সঞ্জীৱ বৰাৰ লগতে বহুকেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

উজনি অসমৰ বান বিভীষিকাৰ স্থায়ী সমাধানৰ দাবীত ৮ দফীয়া ঐতিহাসিক প্ৰস্তাৱ গ্ৰহণ

# নাজিৰাত সকলো দল-সংগঠনক সামৰি বৃহৎ নাগৰিক সভা

## অচিৰেই অনুষ্ঠিত হ'ব বৃহৎ গণ সমাৰেশ

**অসম বাৰ্তা, নামতি, ২৫ আগষ্ট ঃ** উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, যোৰহাটকে ধৰি সমগ্ৰ অঞ্চলটোত শেহতীয়াকৈ সৃষ্টি হোৱা অভূতপূৰ্ব প্ৰলয়ংকাৰী বানপানীৰ স্থায়ী সমাধান আৰু এক বিজ্ঞানসন্মত ভৱিষ্যদৰ্শন যুগুত কৰাৰ লক্ষ্যৰে আজি নাজিৰাৰ এম চি ক্লাৱত এখন বৃহৎ নাগৰিক সভা অনুষ্ঠিত হৈ যায়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰৰ সঞ্চালনাত অনুষ্ঠিত এই সভাত ৰাজ্যৰ বিশিষ্ট বুদ্ধিজীৱী, সমাজবিজ্ঞানী, শিক্ষাবিদ, ছাত্ৰ-যুৱ প্ৰতিনিধি আৰু কেইবাটাও ৰাজনৈতিক দল তথা জাতীয় সংগঠনৰ শীৰ্ষ নেতৃত্বই অংশগ্ৰহণ কৰে। আহ্বায়ক দেবাংগ সৌৰভ গগৈৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা সভাখনত বক্তাসকলে একমুখে স্বীকাৰ কৰে যে কেৱল সাময়িক সকাহ বা সাহায্য প্ৰদানেই এই সমস্যাৰ স্থায়ী সমাধান হ'ব নোৱাৰে; ইয়াৰ বাবে বানৰ প্ৰকৃত কাৰণসমূহ উদঘাটন কৰা আৰু বিজ্ঞানসন্মত প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী। এই সন্দৰ্ভত দীৰ্ঘম্যাদী পৰিকল্পনাৰে এক ৮ দফীয়া গুৰুত্বপূৰ্ণ প্ৰস্তাৱো সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। সভাখনত উপস্থিত থাকি বান সমস্যাৰ বিভিন্ন দিশ সামৰি ক্ৰমে— অসম বিধান সভাৰ প্ৰাক্তন বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ সাধাৰণ সম্পাদক ধৈৰ্য্য কোঁৱৰ, চি পি আই এম এল দলৰ ৰাজ্যিক সম্পাদক বিবেক দাস, বিশিষ্ট সমাজ বিজ্ঞানী বনজিত হুছেইন, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক কৌস্তুভ ডেকা, দেৱীচৰণ বৰুৱা মহাবিদ্যালয়ৰ প্ৰৱক্তা জুৰি বৰুৱা, গৱেষক ছাত্ৰ ত্ৰিদীব ভাগৱতী, বিশিষ্ট গৱেষিকা ৰঞ্জিতা বণিয়া আৰু যোৰহাটৰ বিশিষ্ট অধিবক্তা হেমেন বৰাই সাৰগৰ্ভ আৰু দিক্‌দৰ্শক ভাষণ প্ৰদান কৰে। সভাৰ শেষত অন্যতম আহ্বায়ক কনক গগৈয়ে এক সামৰণি ভাষণ আগবঢ়ায়। উক্ত গুৰুত্বপূৰ্ণ সভাত উপস্থিত থাকি সক্ৰিয় সমৰ্থন তথা সহযোগিতা আগবঢ়ায় ক্ৰমে— গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিশিষ্ট অধিবক্তা কৃষ্ণ গগৈ, চি পি আই (CPI) দলৰ মণি বুঢ়াগোহাঁই, চি পি আই এম এল-ৰ পৰেশ দাস, বলীন্দ্ৰ শইকীয়া, সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (AASA)-ৰ শিৱসাগৰ জিলাৰ সভাপতি অমিত চিলুৱাৰ, যোৰহাট নাগৰিক সমাজৰ প্ৰতিনিধি প্ৰদীপ সৰকাৰ, সন্মিলিত নাগৰিক সমাজৰ দিপ্তী কলিতা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ (AJYCP), বীৰ লাচিত সেনা আৰু বিভিন্ন সংগঠনৰ জিলা প্ৰতিনিধিবৰ্গও সভাখনত উপস্থিত থাকে। সভাত গৃহীত মূল ৮ দফীয়া প্ৰস্তাৱসমূহ: স্বতন্ত্ৰ গৱেষণা আৰু ৰাজহুৱা অংশগ্ৰহণ: বানপানীৰ জলবিজ্ঞান সম্পৰ্কীয়, আন্তঃগাঁথনিগত আৰু আৰ্থ-সামাজিক কাৰকসমূহৰ নিৰপেক্ষ অধ্যয়নৰ বাবে চৰকাৰে কোনো ৰাজনৈতিক হস্তক্ষেপ নোহোৱাকৈ স্বতন্ত্ৰ গৱেষক, অৰ্থনীতিবিদ আৰু নাগৰিকক নিয়োজিত কৰিব লাগিব। দ্বিতীয়তে ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণা: উজনী অসমৰ বানপানীৰ ব্যাপকতালৈ চাই ইয়াক অতি সোনকালে "ৰাষ্ট্ৰীয় দুৰ্যোগ" হিচাপে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক জোৰদাৰ দাবী জনোৱা হয়। তৃতীয়তে অসম-নাগালেণ্ড আন্তঃৰাজ্যিক সমন্বয়: যুটীয়া জল ব্যৱস্থাপনা (watershed management) আৰু বান নিয়ন্ত্ৰণৰ বাবে অসম আৰু নাগালেণ্ড চৰকাৰৰ মাজত উচ্চ-স্তৰীয় সমন্বয়ৰ ব্যৱস্থা গঢ়ি তোলা। চতুৰ্থতে সমন্বয়ৰক্ষী সমিতি গঠন: দীৰ্ঘম্যাদী সমাধান আৰু পৰিৱেশ সুৰক্ষাৰ বাবে বিষয় বিশেষজ্ঞ আৰু সচেতন নাগৰিকক লৈ এখন "সমন্বয়ৰক্ষী সমিতি" গঠন কৰা। পঞ্চমতে স্থানীয় অৰ্থনীতিৰ পুনৰুত্থান: অঞ্চলটোৰ পুনৰ্নিৰ্মাণৰ সকলো সামগ্ৰী আৰু সেৱা স্থানীয় বিক্ৰেতা, আত্মসহায়ক গোট আৰু থলুৱা ব্যৱসায়ীৰ পৰা ক্ৰয় কৰাটো বাধ্যতামূলক কৰা। ষষ্ঠতে পৰিৱেশ সংৰক্ষণ আৰু পৰম্পৰাগত স্থাপত্যৰ প্ৰসাৰ: নদী অৱবাহিকা সুৰক্ষা, প্লাষ্টিক বৰ্জনৰ লগতে পৰম্পৰাগত বান-প্ৰতিৰোধী স্থাপত্যশৈলীৰ প্ৰসাৰ ঘটোৱা। সপ্তমতে আইনী পদক্ষেপ আৰু জবাবদিহিতা: মথাউৰিৰ নিম্নমানৰ নিৰ্মাণ আৰু আন্তঃগাঁথনিগত ব্যৰ্থতাৰ বিৰুদ্ধে ন্যায়ালয়ত আবেদন দাখিল কৰি সংশি-ষ্ট কৰ্তৃপক্ষক জবাবদিহি কৰা। অষ্টমতে বৃহৎ গণ অভিৱৰ্তন আৰু জনজাগৰণ: সমগ্ৰ অঞ্চলজুৰি সজাগতা সভা আৰু পৰৱৰ্তী সময়ত সকলো নাগৰিক সমাজ তথা সামাজিক সংগঠনক সামৰি এখন বৃহৎ গণ সমাবেশ (Convention) আহ্বান কৰা। এই আঠ দফীয়া প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাৰ সফল সমাপ্তিৰ পিছত আহ্বায়ক মণ্ডলীৰ হৈ মবিদুল ইছলাম, দিলীপ ফুকন, জিতেন ফুকন, প্ৰভাত বৰঠাকুৰ, যোগ গগৈ, মহেন্দ্ৰ ভূঞা, অজিত খাটনিয়াৰ, প্ৰশান্ত বৰঠাকুৰ, দিগন্ত সন্দিকৈ, পংখী দত্ত, উদ্দীপ জ্যোতি গগৈ, চিন্ময় বড়া, দীপজ্যোতি গগৈ, সুশেন গগৈ, ৰাজেন ৰাজোৱাৰ, যোগেন চেতিয়া, ৰঞ্জন কোঁৱৰ, পাপৰি গগৈ, হৰেশ কোঁৱৰ, চৰিফুল আলি, উত্তম বাইলুং আৰু মল্লিকা বেগমে সহায়-সহযোগিতা আগবঢ়োৱা সমগ্ৰ ৰাইজ তথা সংবাদ মাধ্যমক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে।

# গুৱাহাটীৰ স্বেচ্ছাসেৱী অনুষ্ঠান আল-আমিন জনকল্যাণ সমাজৰ দ্বাবিংশতম অধিৱেশন সম্পন্ন

## ১২ লক্ষাধিক টকাৰ শৈক্ষিক অনুদান বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৫ আগষ্ট ঃ** গুৱাহাটীৰ পাঞ্জাবাৰীত স্বেচ্ছাসেৱী অনুষ্ঠান "আল-আমিন জনকল্যাণ সমাজৰ দ্বাবিংশতম অধিৱেশনখনি কালি অনুষ্ঠিত হৈ যায়। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ডা: বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা অধিবেশনত সভাপতিত্ব কৰে হাচিবুৰ ৰহমানে। মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক, লেখক আৰু সাংবাদিক মুকুট শৰ্মা আৰু সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে শিৱসাগৰ দ্বিনী মাদ্ৰাছাৰ অধ্যক্ষ মৌলানা মোহাদ্বিছ আতিকুৰ ৰহমান কাছিমী। ইয়াৰ পিছত অধিবেশনখনিত আদৰনি ভাষণ, উদ্দেশ্য ব্যাখ্যা, বিগত বৰ্ষৰ বিত্তীয় আয়-ব্যয়ৰ প্ৰতিবেদন দাখিল, অতিথিৰ বক্তব্য, বিশিষ্ট অতিথিক সম্বৰ্ধনা, ছাত্ৰ-ছাত্ৰীক শৈক্ষিক অনুদানৰ চেক বিতৰণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আদৰণি ভাষণ দিয়ে উপ সভাপতি হাৰুণাৰ ৰহমানে। সচিব প্ৰধান ডাঃ ম: লুটফৰ ৰহমানে বাৰ্ষিক প্ৰতিবেদন পাঠ কৰাৰ লগতে বিত্তীয় সচিবে বিগত বছৰটোৰ আয়-ব্যয় আৰু ধন সংগ্ৰহৰ উৎস তথা খৰচৰ খতিয়ানয দাঙি ধৰে। সংস্থাটোৰ ফালৰ পৰা প্ৰতিবছৰৰ দৰে এইবাৰো সমাজৰ অসহায় দুখীয়া আৰু মেধাৰী ছাত্ৰ- ছাত্ৰীক ১২ লাখ ৪২ হাজাৰ টকাৰ শৈক্ষিক অনুদানৰ চেক বিতৰণ কৰে। উল্লেখযোগ্য যে বিগত বছৰত ৭০ হাজাৰৰো অধিক টকা বিভিন্ন ৰোগীয়া ব্যক্তিক দিয়ে। এইবছৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱা দুখীয়া ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষাৰ বাবে সুবিধা কৰি দিয়ে। অনু। অনুষ্ঠানত তথ্য সম্বলিত 'Career Opportunities HSLC Onwards' নামৰ কিতাপ এখনি উন্মোচন কৰা হয়। কিতাপখনিৰ লিখক কালবি হাছান আহমেদ আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ নজৰুল হকে। হোটেল ডাইনেষ্টীৰ পৰিয়ালৰ পৰা প্ৰয়াত আদিলুৰ ৰহমান বঁটা প্ৰদান কৰে দুগৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰী ক্ৰমে শ্বাবানা চুলতানা আৰু জাবিদুল হাছানক। ৰুজি বেগম নামৰ ছাত্ৰী গৰাকীক ছেলিনা বেগম বঁটা প্ৰদান কৰা হয়। শ্বাহনাজ বেগমক প্ৰয়াত গণি উদ্দিন আহমেদ আৰু হামিদা বেগমৰ নামত এম বি বি এছ পঢ়ি থকা দুগৰাকী ছাত্ৰ-ছাত্ৰীক ২৫ হাজাৰ টকাকৈ বঁটা প্ৰদান কৰে। বিগত দুবছৰৰ পৰা এই বঁটা প্ৰদান কৰি আহিছে। অধিবেশনত শৈক্ষিক আৰু চিকিৎসা ক্ষেত্ৰত সেৱা আগবঢ়োৱা দুগৰাকী বয়োজ্যেষ্ঠ ব্যক্তি ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মডেল এইচ ই স্কুলৰ অৱসৰী সহকাৰী প্ৰধান শিক্ষয়িত্ৰী চিতাৰা তাহেৰ আৰু বিশিষ্ট চিকিৎসক এম আই খানক



সংস্থাটোৰ তৰফৰ পৰা সম্বৰ্ধনা জনায়। শিক্ষয়িত্ৰী চিতাৰা তাহেৰ হৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰয়াত অধ্যাপক ড° মহম্মদ তাহেৰৰ সহধৰ্মিনী। প্ৰতিষ্ঠাপক সচিব প্ৰধান ডাঃ তৌফিকুৰ ৰহমান বৰবৰাই তেখেতৰ ককায়েক প্ৰয়াত ডাঃ ছফিকুৰ ৰহমান বৰবৰাৰ সোঁৱৰণত পৰিয়ালৰ তৰফৰ পৰা প্ৰতিবছৰে নীটত উৰ্ত্তীণ দুখীয়া আৰু মেধাৰী ছাত্ৰ বা ছাত্ৰী এগৰাকীক মেধাৰ ভিত্তিত বাছনি কৰি ২৫ হাজাৰ টকাৰ বঁটা প্ৰদান কৰাৰ কথাও অধিৱেশন খনিত ঘোষণা কৰে। অধিবেশনখনিত মুখ্য অতিথিৰ ভাষণত মুকুট শৰ্মাই মুছলমান আৰু হিন্দু সমাজত ধৰ্মৰ নামত এচামে কৰি থকা কুসংস্কাৰ আৰু উগ্ৰতাৰ বিৰুদ্ধে অতি যুক্তি সহকাৰে বক্তব্য ৰাখে। ধৰ্মীয় গ্ৰন্থই কেতিয়াও মানুহক বিপথে নিনিয়ে বুলি মন্তব্য কৰি এচামে নিজৰ ক্ষমতা আৰু স্বাৰ্থৰ বাবে ধৰ্মীয় আবেগক ব্যৱহাৰ কৰে বুলিও মন্তব্য কৰে। উল্লেখযোগ্য যে মুকুট শৰ্মাই ইতিমধ্যে 'এগৰাকী ব্ৰাহ্মণৰ দৃষ্টিত কোৰান' নামৰ বহু চৰ্চিত কিতাপখনি ৰচনা কৰি পাঠক সমাজৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিছে। অনুষ্ঠানত সন্মানীয় অতিথি আতিকুৰ ৰহমান কাছিমীয়ে মুছলমান সমাজক ধৰ্মীয় আনুষ্ঠানিক উপাসনাৰ লগতে উত্তম চৰিত্ৰ গঠনত সৰ্বাধিক গুৰুত্ব দিবলৈ আহ্বান জনায়। মৌলানা আজাদ মাৰ্কাজ একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰীসকলে জাতীয় সংগীত পৰিৱেশন কৰে। অধিবেশনত মহানগৰীৰ বিভিন্ন শ্ৰেণীৰ গণ্য মান্য ব্যক্তি তথা শৈক্ষিক অনুদান ল'বলৈ অহা ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ সৈতে প্ৰায় তিনি শতাধিক লোক উপস্থিত থাকে। মৌলানা আজাদ মাৰ্কাজ একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যাক্ষা খোদেজা বেগমে শলাগৰ শৰাই আগবঢ়ায়।

# সমাজকৰ্মী পদ্মধৰ শইকীয়ালৈ "আলোক সন্ধ্যা সন্মান-২০২৬" প্ৰদান

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ আগষ্ট ঃ** 'জীৱনৰ ৰামধেনু সাহিত্য মঞ্চ, অসম'ৰ উদ্যোগত মাজুলীৰ ভলুকাগুৰি গাঁৱৰ নামঘৰত আনুষ্ঠানিকভাৱে অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী তথা শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আৱসৰপ্ৰাপ্ত অধ্যক্ষ পদ্মধৰ শইকীয়াক সামাজিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে "আলোক সন্ধ্যা সন্মান-২০২৬" প্ৰদান কৰে। আজি অনুষ্ঠিত এই বিশেষ সন্মান প্ৰদান অনুষ্ঠানত গাঁৱৰ ৰাইজৰ লগতে সাহিত্য মঞ্চৰ ভালেসংখ্যক বিষয়ববীয়া আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সমাজহিতৈষী কাৰ্যসূচী, শিক্ষা আৰু আঞ্চলিক উন্নয়নৰ ক্ষেত্ৰত শইকীয়াক উল্লেখ কৰে 'জীৱনৰ ৰামধেনু সাহিত্য মঞ্চ, অসম'ৰ বিষয়ববীয়াসকলে। সন্মান গ্ৰহণ কৰি পদ্মধৰ শইকীয়াই নিজৰ অনুভূতি প্ৰকাশ কৰি কয় যে, এই মৰম আৰু সন্মানে তেওঁক ভৱিষ্যতেও সমাজৰ কুশল আৰু কল্যাণৰ বাবে কাম কৰি যাবলৈ অধিক উৎসাহিত কৰিব। আয়োজক 'জীৱনৰ ৰামধেনু সাহিত্য মঞ্চ, অসম'ৰ বিষয়ববীয়াসকলে শইকীয়াদেৱৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰাৰ লগতে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

# ছয়গাঁও চম্পকনগৰ ৰাস মহোৎসৱৰ ৬৯ তম্ পৰিচালনা সমিতিৰ শপত বাক্য পাঠ

**অসম বাৰ্তা, ছয়গাঁও, ২৫ আগষ্ট ঃ** ছয়গাঁও চম্পকনগৰ সৰ্বজনীন ৰাস মহোৎসৱৰ নিৰ্বাচনৰ পিছত ছয়গাওঁ নাট্য মন্দিৰত আজি প্ৰথম সাধাৰণ সভাখন অনুষ্ঠিত হয়। সভাত নৱ নিৰ্বাচিত পৰিচালনা সমিতিখন আনুষ্ঠানিক ভাৱে ঘোষণা কৰে ৰাস মহোৎসৱৰ নিৰ্বাচনী বিষয়া খগেন নাথ। উক্ত সভাতেই নৱ নিৰ্বাচিত সমিতিখনৰ বিষয়ববীয়া আৰু সদস্য -সদস্যা সকলক শপত বাক্য পাঠ কৰোৱাই ৰাস মহোৎসৱৰ উপদেষ্টা তথা জ্যেষ্ঠ নাগৰিক মহেশ কলিতাই। আজিৰ সভাতেই নৱ নিৰ্বাচিত ৰাস পৰিচালনা সমিতিখনক আগন্তুক দুটা বৰ্ষ ২০২৬-২০২৮ বৰ্ষৰ বাবে দায়িত্বভাৰ অৰ্পণ কৰা হয়। ৰাস মহোৎসৱ পৰিচালনা সমিতিৰ সাধাৰণ নিৰ্বাচন যোৱা ১৬ আগষ্টত ছয়গাঁও নাট্য মন্দিৰত অনুষ্ঠিত হৈছিল। মুঠ ৩১টা পদৰ বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনত অৱশ্যে প্ৰাক্তন বিধায়ক ডাঃ কমলা কলিতা সভাপতি পদত আৰু সত্য ঠাকুৰীয়া কাৰ্যকৰী সভাপতি পদত বিনা প্ৰতিদ্বন্দ্বিৰে নিৰ্বাচিত হয়। আনহাতে উপ-সভাপতি পদত ৰোহিন্দ্ৰ দাস, মহেন্দ্ৰ কলিতা, প্ৰফুল্ল কলিতা আৰু প্ৰফুল্ল মেধি নিৰ্বাচিত হয়। ইফালে সাধাৰণ সম্পাদক হিচাপে পুনৰবাৰ ঘনশ্যাম কলিতা নিৰ্বাচিত হৈছে। এতিয়ালৈকে ঘনশ্যাম কলিতাই একেৰাহে ১০ বছৰৰ বাবে সম্পাদক হিচাপে দায়িত্বভাৰ লোৱাৰ সুযোগ লাভ কৰিলে। ইয়াৰ উপৰিও পবিত্ৰ সাউদ, পৰাগ কুমাৰ দাস আৰু দেৱানন্দ শৰ্মা সহকাৰী সম্পাদক হিচাপে নিৰ্বাচিত হৈছে। ইফালে অঞ্জলি দাস, মঞ্জু কলিতা আৰু সবিতা দাস মহিলাৰ কাৰ্যকৰী সদস্য হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাৰ বিপৰীতে প্ৰফুল্ল মেধী, জিতুমণি গোস্বামী, অনিল ঠাকুৰীয়া, জোন কলিতা, মকুন্দ দাস, অৰবিন্দ ৰাভা, সমীৰণ চৌধুৰী, গিৰিশ দাস, নৱ কুমাৰ পাঠক, কৃষ্ণকান্ত গোস্বামী, অমৰ কলিতা, বিপুল চন্দ্ৰ দাস, হেমেন দাস(জোন), মদন সাউদ, দীপক দাস(ভাইটি)আৰু দীপক কলিতা কাৰ্যকৰী সদস্য হিচাপে নিৰ্বাচিত হৈছে। আটাইকে আজি ৬৯ তম ৰাস মহোৎসৱখনি সুন্দৰ আৰু নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে শপত বাক্য পাঠ কৰোৱায়।

# একেদিনাই নগাঁও জিলাৰ সকলো ৰাজহ চক্ৰত ভূমিকম্পৰ প্ৰস্তুতিমূলক ব্যাপক অনুশীলন

**অসম বাৰ্তা, পুৰণিগুদাম, ২৫ আগষ্ট ঃ** নগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত কালি জিলাখনৰ সাতোটা ৰাজহ চক্ৰজুৰি 'ভূমিকম্পৰ প্ৰস্তুতিমূলক অনুশীলন' সফলতাৰে অনুষ্ঠিত হৈ যায়। সংশ্লিষ্ট ৰাজহ চক্ৰসমূহৰ দুৰ্যোগ ব্যৱস্থাপনা দলৰ সৈতত সমন্বয় ৰাখি কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মুক্তিযোদ্ধা বীৰবল কালিন্দী আদৰ্শ বিদ্যালয়, ৰূপহী ৰাজহ চক্ৰৰ আদৰ্শ বিদ্যালয়, চামগুৰি ৰাজহ চক্ৰৰ আমলখি হাইস্কুল, ধিং ৰাজহ চক্ৰৰ মহখুটি এম.ই. স্কুল, নগাঁও সদৰ ৰাজহ চক্ৰৰ বিদ্যাৰ্থী জাতীয় বিদ্যালয়, ৰহা ৰাজহ চক্ৰৰ বগৰীগুৰি প্ৰাথমিক বিদ্যালয় আৰু কলিয়াবৰ ৰাজহ চক্ৰৰ শলং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এই অনুশীলন চলোৱা হয়। এই মকড্ৰিলত সংশ্লিষ্ট ৰাজহ চক্ৰসমূহৰ দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰ বিষয়া জিলা দুৰ্যোগ সহাঁৰি বাহিনীৰ সদস্যসকল, সোণাৰিবাৰীৰ অগ্নি আৰু জৰুৰীকালীন সেৱাৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। বিশেষকৈ ভূমিকম্প বা যিকোনো আকস্মিক দুৰ্যোগৰ সময়ত বিদ্যালয়সমূহৰ প্ৰস্তুতি শক্তিশালী কৰা, বিভিন্ন জৰুৰীকালীন বিভাগসমূহৰ মাজত সমন্বয় বৃদ্ধি কৰা আৰু প্ৰতিৰোধমূলক সঁহাৰি ব্যৱস্থা অধিক ফলপ্ৰসূ কৰি তোলাৰ বাবেই এই কাৰ্যসূচী গ্ৰহণ কৰা হয় বুলি জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া তথা অতিৰিক্ত আয়ুক্ত দীপাংকৰ বৰ্মনে জনাইছে।

# জে কে বৰুৱা আন্তঃজিলা ক্ৰিকেটত বোকাখাটৰ দুৰ্দান্ত জয়

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৫ আগষ্ট ঃ** অসমৰ উদীয়মান যুৱ ক্ৰিকেটাৰ সকলৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্য অসম ক্ৰিকেট সন্থাৰ দ্বাৰা পৰিচালিত ১৯ বছৰ অনুৰ্দ্ধ জয়কান্ত বৰুৱা সোঁৱৰণী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ পঞ্চমখন খেলত বোকাখাট জিলা ক্ৰীড়া সন্থাই ৮ উইকেটৰ ব্যৱধানত পশ্চিম কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাক পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগত আৰু ক্ৰিকেট উপসমিতিৰ ব্যৱস্থাপনাত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ খেলত প্ৰথমে বেটিং কৰি পশ্চিম কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাই বোকাখাট জিলা ক্ৰীড়া সন্থাৰ বুদ্ধিদ্বীপ্ত বলিঙৰ সন্মুখত দিশহাৰা হৈ ২৩-৩ অভাৰত ৰজত ছাউ আৰু বিজয় বেৰ ১০ ৰাণৰ অৱদানৰ সহায়ত সকলো উইকেট হেৰুৱাই মাত্ৰ ৭৫ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। বলিঙত বোকাখাটৰ হৈ লক্ষ্য হাজমে ৪ টা, জয় হাটীবৰুৱাই ৩টা আৰু হৃদয় পৰাশৰে ২টা উইকেট দখল কৰে। প্ৰত্যুত্তৰত সহজ লক্ষ্য অনুসৰণ কৰি বোকাখাট দলে ১৩ অভাৰত নীৰজ ওৰাঙৰ চমকপ্ৰদ ৫১ আৰু ভুৱন কৰ্মকাৰৰ ৯ ৰাণৰ বৰঙনিৰ সহায়ত ২টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। বলিঙত পশ্চিম কাৰ্বি আংলঙৰ হৈ চিনথং হান্সে আৰু কৌশিক কলিতাই ১টাকৈ উইকেট লাভ কৰে। অসম ক্ৰিকেট সন্থাৰ পেনেল আম্পায়াৰ অজয় কুমাৰ হাজৰিকা আৰু অসীম ভাৰালে পৰিচালনা কৰা আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা বোকাখাট জিলা ক্ৰীড়া সন্থাৰ লক্ষ্য হাজমে লাভ কৰে। কাইলৈ পশ্চিম কাৰ্বি আংলং জিলা ক্ৰীড়া সন্থাৰ দলে হোজাই জিলা ক্ৰীড়া সন্থাৰ বিপক্ষে প্ৰতিদন্দ্বিতা কৰিব।

# পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে নৱাগত আদৰণী সভাৰ আয়োজন



**অসম বাৰ্তা, মাকুম, ২৫ আগষ্ট ঃ** আজি পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত নৱাগত আদৰণী সভাৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° থানুৰাম মজিন্দাৰে সভাপতিত্ব কৰা উক্ত সভাত মুখ্য অতিথি হিচাপে অসমৰ বিশিষ্ট সাংবাদিক তথা, প্ৰতিদিন টাইমছ্'ৰ মুখ্য পৰিচালন সম্পাদক নিতুমনি শইকীয়া উপস্থিত থাকে। তেখেতে ছাত্ৰ-ছাত্ৰীসকলক আত্মসন্মানৰে আৰু আত্মপ্ৰতিষ্ঠাৰে জীয়াই থাকিবলৈ পদ্মনাথ গোহাঞিবৰুৱাৰ দৰ্শন, সৃষ্টিশীলতাৰ অনুশীলন তথা জীৱন আৰু জীৱিকাৰ সৈতে জড়িত শিক্ষাৰ প্ৰাসংগিকতা সাৰুৱা বক্তব্যত দাঙি ধৰে। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক কিৰণ মৰাণে উদ্দেশ্য ব্যাখ্যা কৰা সভাত শদিয়া সমজিলাৰ সহকাৰী আয়ুক্ত নীলিম গায়ন, অসম মৰাণ সভাৰ সভাপতি বিৰিঞ্চি নেওগ আৰু সাধাৰণ সম্পাদক ৰন্তু ডাঙৰীয়া, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° পঞ্চানন হাজৰিকা, মৰাণ স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য দীপাঞ্জলি কাকতি, সদৌ মৰাণ ছাত্ৰ সন্থাৰ ডিৱাক আঞ্চলিক সমিতি, সদৌ অসম ছাত্ৰ সন্থা, কাকপথাৰ আঞ্চলিক সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, কাকপথাৰ আঞ্চলিক সমিতি, কাকপথাৰ প্ৰেছ ক্লাবৰ বিষয়ববীয়াসকলৰ লগতে বিভিন্ন জাতীয় আৰু জনগোষ্ঠীয় দল-সংগঠনৰ নেতৃবৰ্গ, সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমৰ লগত জড়িত অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই সভাতে মহাবিদ্যালয়ৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক আলোচনী "পদ্মপ্ৰজ্ঞা" আৰু মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা "জুৰণি"ৰ শুভ উন্মোচন কৰে মুখ্য অতিথি নিতুমণি শইকীয়াই। 'পদ্মপ্ৰজ্ঞা'ৰ সম্পাদক হিচাপে বেবিকা বাইলুং আৰু শিক্ষক তত্বাৱধায়ক হিচাপে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক লক্ষিপ্ৰসাদ দিহিঙীয়াই দায়িত্ব পালন কৰে। অন্যহাতে 'জুৰণি' সম্পাদনা কৰে মৃগাংক কোঁৱৰে। তদুপৰি যোৱাবৰ্ষত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ গৱেষণা পত্ৰৰ সংকলন "Leveraging Act East Policy for Northeast India's Transformation" শীৰ্ষক গ্ৰন্থখন মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° আজিজুৰ ৰহমানৰ সম্পাদনাত প্ৰকাশ কৰা হয়। উক্ত সভাত ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° সঞ্জীৱ কলিতাই কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ বাবে বিভাগৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মুকলি সভা অন্ত পৰাৰ লগে লগে স্বৰ্গীয় ৰসৰাজ মৰাণ সোঁৱৰণী সাংস্কৃতিক মঞ্চখনি অসম মৰাণ সভাৰ সভাপতিৰ জৰিয়তে শুভ উদ্বোধন কৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত নৃত্য, গীতৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হিচাপে জনপ্ৰিয় কণ্ঠশিল্পী পিংকু কাশ্যপে গীত পৰিৱেশন কৰি এক আনন্দমুখৰ পৰিৱেশ গঢ়ি তোলে।

# লাহৰীঘাটত 'নিচা মুক্ত ভাৰত অভিযান' সজাগতাত নগাঁৱৰ জিলা আয়ুক্ত দেৱাশিস শৰ্মা

**অসম বাৰ্তা, লাহৰীঘাট, ২৫ আগষ্ট ঃ** আজি লাহৰীঘাট গ'ল্ডেন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত আয়োজিত 'নিচা মুক্ত ভাৰত অভিযান' সজাগতামূলক অনুষ্ঠানত অংশগ্ৰহণ কৰে নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই। আয়ুক্ত গৰাকীয়ে সমাজৰ পৰা ড্ৰাগছৰ দৰে ব্যাধি নিৰ্মূলৰ বাবে সমাজৰ পৰা মদ, ভাং, তামোল গুটখা আদিৰ দৰে সৰ-সুৰা পৰিহাৰ কৰিব লাগিব বুলি নিজৰ বক্তব্যত প্ৰকাশ কৰে। নিচা জাতীয় সামগ্ৰী সেৱন কৰাৰ বাবে আজিৰ দিনত কৰ্কট ৰোগীৰ সংখ্যা দিনক দিনে বৃদ্ধি হোৱা বুলিও উল্লেখ কৰে আয়ুক্ত গৰাকীয়ে। উল্লেখ্য যে, আয়ুক্ত গৰাকীয়ে পূৰ্বৰে পৰা কৰ্কট ৰোগ সন্দৰ্ভত বিভিন্ন সময়ত সজাগতা সভাৰ জৰিয়তে জনসাধাৰণক সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনাই আহিছে। কৰ্কট ৰোগৰ দৰে দুৰাৰোগ্যৰ পৰা আমি হাত সাৰি থাকিবলৈ হ'লে সকলোৱে পান-তামোলৰ পৰা আৰম্ভ কৰি নিচা জাতীয় সামগ্ৰীৰ পৰা আঁতৰি থাকিব লাগিব বুলি আয়ুক্ত গৰাকীয়ে আহ্বান জনায়। আজিৰ এই সজাগতা সভাত জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ লগতে উপস্থিত থাকে নগাঁও প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপক ৰফিকুল ইছলাম, লাহৰীঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ছফিৰ উদ্দিন আহমেদ, লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক হবিবুৰ ৰহমান, লাহৰীঘাট জিলা পৰিষদৰ সদস্য আবু জহিৰ, ভূৰাগাঁও জিলা পৰিষদৰ সদস্য মুবাশ্বৰ আহমেদ, কুশতলি জিলা পৰিষদৰ প্ৰাক্তন সদস্য আজিজুৰ ৰহমান (বিল্লা), অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল হেকিম, সমাজ সেৱক ফাইজুৰ ৰহমানৰ লগতে বহু গণ্য মান্য ব্যক্তি। ইপিনে আয়ুক্ত গৰাকীয়ে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি চলা চৰ্চা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত আয়ুক্ত গৰাকীয়ে কয় যে, "বিধিগত ভাৱে ৰাজনৈতিক কথা বতৰা পাতিব নোৱাৰিব বুলি" প্ৰসংগটো এৰাই চলে।

# মাকুম আৰক্ষীৰ জালত চাৰি চোৰ

**অসম বাৰ্তা, মাকুম, ২৫ আগষ্ট ঃ** চোৰৰ ৰম্যভূমিলৈ পৰিণত হৈছে মাকুম চহৰ। যোৱা ইংৰাজী ২১ আগষ্ট তাৰিখে নিশা পুনৰ মাকুম চহৰৰ বিখ্যাত চন্দন পান শ্বপত চোৰে দোকানৰ তলা ভাঙি লুটপাত চলাই নদগ ধন সহ সামগ্ৰী লৈ গৈছিল। উক্ত চুৰি কাণ্ডৰ সন্দৰ্ভত দোকান খনৰ স্বত্বাধিকাৰী জনে মাকুম আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছিল। এজাহাৰৰ ভিত্তিত মাকুম আৰক্ষীয়ে দোকান খনৰ চি চি টিভিত বন্দী হোৱা দৃশ্যৰ সহায়ত আজি চাৰিজন চোৰক আটক কৰিবলৈ সক্ষম হয়। ধৃত চাৰি চোৰ ক্ৰমে ডিগবৈ গোপনাৰীৰ অচিত নায়ক(১৯), তেজপুৰ ধূলি খেৰবাৰী সুনিল সোণাৰ(১৯), নাহৰকটীয়া দিঙলী পথাৰ ৰিজু এক্কা(১৯), পানীতোলা চাহ বাগিচাৰ টিঙ্কু কৰ্মকাৰ(১৯)। আটকাধিন চোৰ কেইটাৰ বিৰুদ্ধে মাকুম আৰক্ষীয়ে ৪৬/২০২৬ নম্বৰ বি এন এচ ৩০৫(এ)/৩৩১ (৪)ৰ গোচৰ ৰুজু কৰি জেললৈ প্ৰেৰণ কৰিছে।

# চামগুৰিৰ বিধায়ক তাঞ্জিল হুছেইনৰ বিৰুদ্ধে ক্ষোভ মেঘালয়ত আবদ্ধ যুৱকৰ

**অসম বাৰ্তা, ৰূপহীহাট, ২৫ আগষ্ট ঃ** অৱশেষত মেঘালয়ত আবদ্ধ হৈ থকা ৰূপহীহাটৰ কেইবাগৰাকী লোক অসমলৈ উভতি আহিছে। জানিব পৰা মতে, পৰিয়ালসহ প্ৰায় দহগৰাকী লোক ইতিমধ্যে অসমত উপস্থিত হৈছে যদিও এতিয়াও মেঘালয়ত নগাঁও জিলাৰ ৰূপহীহাটৰ কেইবাগৰাকী যুৱক আবদ্ধ হৈ থকা বুলি জানিব পৰা গৈছে। অসমলৈ উভতি অহা যুৱকসকলৰ অধিকাংশই চামগুৰি সমষ্টিৰ কাছখাইটি অঞ্চলৰ বাসিন্দা। মেঘালয়ত আবদ্ধ হৈ থকাৰ সময়ত সন্মুখীন হোৱা সমস্যাক লৈ যুৱকসকলে ক্ষোভ প্ৰকাশ কৰাৰ লগতে চামগুৰি সমষ্টিৰ বিধায়ক তাঞ্জিল হুছেইনৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে। যুৱকসকলৰ অভিযোগ অনুসৰি, মেঘালয়ত আবদ্ধ হৈ থকা সময়ছোৱাত তেওঁলোকৰ খা-খবৰ ল'বলৈ বিধায়কগৰাকীৰ ফালৰ পৰা কোনো ধৰণৰ উদ্যোগ গ্ৰহণ কৰা হোৱা নাছিল। আনকি সামাজিক মাধ্যমযোগে তেওঁলোকে নিজৰ পৰিচয় চামগুৰি সমষ্টিৰ বাসিন্দা হিচাপে প্ৰকাশ কৰি সহায়ৰ আহ্বান জনোৱাৰ পাছতো বিধায়ক তাঞ্জিল হুছেইনৰ পৰা কোনো সহায়-সহযোগিতা লাভ নকৰাৰ অভিযোগ কৰে। ইফালে, মেঘালয়ত এতিয়াও আবদ্ধ হৈ থকা অসমৰ যুৱকসকলক শীঘ্ৰে উদ্ধাৰ কৰি নিৰাপদে অসমলৈ ঘূৰাই অনাৰ বাবে প্ৰশাসন তথা জনপ্ৰতিনিধিসকলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালৰ লোকসকলে। মেঘালয়ত আবদ্ধ লোকসকলৰ উদ্ধাৰক লৈ এতিয়া পৰিয়ালবৰ্গৰ মাজত উদ্বেগে বিৰাজ কৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন